www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, NOVEMBER 26, 2024 ■ মঙলবাৰ, ১০ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২৩ Guwahati, Assam ।। মূল্যঃ এটকা

## মেট্ৰিক পৰীক্ষাৰ দিন কৰিলে ঘোষণা

**ই-সংবাদ, ২৫ নৱেম্বৰঃ** আজি অসম চৰকাৰৰ শিক্ষা বিভাগৰ অন্তৰ্গত অসম ৰাজ্যিক ৩ পৃষ্ঠাত চাওক

## বিজেপি নেতা সুব্ৰমণিয়াম স্বামীৰ ২০২০ চনৰ আবেদন খাৰিজ সৰ্বোচ্চ আদালতৰ

# সমাজবাদ, ধৰ্মনিৰপেক্ষতা ভাৰতীয় সংবিধানৰ পৰা নপৰে বাদ

### সংবিধানৰ মূল কাঠামোৰ পৰিপন্থী নহয় শব্দ দুটা



**নতুন দিল্লী, ২৫ নৱেম্বৰঃ** সংবিধান দিৱসৰ প্ৰাকক্ষণত অৱশেষত মোদী, অমিত শ্বাহৰ আন এক ষড়যন্ত্ৰৰ পৰা দেশক ৰক্ষা কৰিছে উচ্চতম ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ পিভি সঞ্জয় শেষাংশ ৮ পৃষ্ঠাত

### চুক্তি বাতিল কৰিবলৈ যো-জা

## শ্ৰীলংকাতো মহাবিপদত আদানি

**কলম্বো, ২৫ নৱেম্বৰঃ** যেন ধুমুহা নামিছে আদানি গ্ৰুপলৈ। ভাৰতীয় পুঁজিপতি গৌতম আদানিৰ বিৰুদ্ধে শেহতীয়াকৈ আমেৰিকাই উৎকোচৰ অভিযোগত শেষাংশ ৪ পৃষ্ঠাত

## চলিয়েই আছে হামাছ-ইজৰাইল যুদ্ধ

**তেল আভিভ, ২৫ নৱেম্বৰঃ** ইজৰাইল আৰু লেবাননৰ মাজত অব্যাহত থকা যুদ্ধ পৰিস্থিতিৰ চৰ্চা এই মুহূৰ্তত শেষাংশ ৪ পৃষ্ঠাত

### কেন্দ্ৰৰ নতুন জাননী

## নিষেধাজ্ঞা আকৌ বাঢ়িল

**ই-সংবাদ, ২৫ নৱেম্বৰঃ** ইউনাইটেড লিবাৰেচন ফ্ৰন্ট অব আছাম (ইণ্ডিপেণ্ডেণ্ট) চমুকৈ আলফা (স্বাধীন)ৰ বিৰুদ্ধে শেষাংশ ৭ পৃষ্ঠাত

### বিৰোধীৰ প্ৰতিবাদত উপায়বিহীন চৰকাৰ

## আদানি-মণিপুৰক লৈ উত্তাল শীতকালীন অধিৱেশন




**নতুন দিল্লী, ২৫ নৱেম্বৰঃ** সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোতে স্থগিত হৈ পৰিল সদনৰ কাম-কাজ। সোমবাৰে অধিৱেশনৰ প্ৰথম দিনটোত শেষাংশ ৪ পৃষ্ঠাত

## হাইলাকান্দিত অসমীয়া কোৱা ছাত্ৰক প্ৰহাৰ

**ই-সংবাদ, ২৫ নৱেম্বৰঃ** অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰাত অসমীয়া ভাষী লোক শেষাংশ ৩ পৃষ্ঠাত

## পুনৰ অসমীয়া ব্যৱসায়ীক উঠাই লৈ গ'ল নগাই


### গ্ৰেণেড সদৃশ সামগ্ৰী নিক্ষেপ



**ই-সংবাদ, সোণাৰি, ২৫ নৱেম্বৰঃ** চৰাইদেউ জিলাৰ অসম-নগালেণ্ড সীমান্তৰ নামতোলাত আজি সংঘটিত ২ পৃষ্ঠাত চাওক

### সংগীত মহোৎসৱত সুৰাৰ পয়োভৰ

## মাজুলীত জুবিনক লাগে 'ডাঙৰীয়াসকলক'



**ই-সংবাদ, মাজুলী, ২৫ নৱেম্বৰঃ** মাজুলীৰ বিভিন্ন সমস্যাৰাজি দাঙি ধৰাৰ লগতে ইয়াৰ আৰ্থ-সামাজিক দিশ, সাংস্কৃতিক বৈচিত্ৰ্য, মাজুলীৰ বিভিন্ন জাতি শেষাংশ ৭ পৃষ্ঠাত

### কোকৰাঝাৰত আক্ৰান্ত ১৭৮৯

## মেলেৰিয়াৰ ভয়ংকৰ প্ৰাদুৰ্ভাৱ

**ই-সংবাদ, কোকৰাঝাৰ, ২৫ নৱেম্বৰঃ** কোকৰাঝাৰত জিলাত ভয়াৱহ ৰূপ ধাৰণ কৰিছে মেলেৰিয়া ৰোগে। জিলাখনত মেলেৰিয়া ৰোগত আক্ৰান্ত হোৱা ৰোগীৰ সংখ্যা হ'ল ১৭৮৯ শেষাংশ ৫ পৃষ্ঠাত

## গাড়ীত উঠাই নি সমৰকলাবিদক ধৰ্ষণ

### শিৱসাগৰত সৰ্বত্ৰে চাঞ্চল্য

**ই-সংবাদ, শিৱসাগৰ, ২৫ নৱেম্বৰঃ** শিৱসাগৰত সংঘটিত হ'ল এক নাৰকীয় দলবদ্ধ ধৰ্ষণ কাণ্ড। ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত এলেকাত যোৱা শেষাংশ ২ পৃষ্ঠাত

### গেৰুৱা দলৰ আধিপত্য থকা সমষ্টিত নকৰে সভা

## বিজেপিৰ বিধায়কলৈ ভয় অখিল গগৈৰ!



**ৰাইজৰ দলৰ মুৰব্বীৰ ভূমিকাক লৈ বিজেপি বিৰোধী শিবিৰত বিশেষ চৰ্চা!**

**ই-সংবাদ, ২৫ নৱেম্বৰঃ** বিজেপিক পৰাভূত কৰাৰ কথা অসমৰ আটাইকেইটা বিৰোধী দলে মুখেৰে আওৰাই থাকে যদিও কামে-কাজে বিজেপিক পৰাভূত কৰাতকৈ সহায় কৰাহে দেখা যায়। বিজেপিক সহায় কৰাৰ লক্ষ্যৰে কাম কৰা দেখা গৈছে। ২০২১ চনৰ নিৰ্বাচনত 'কা' অসমত জাপি দিয়া বিজেপি শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গাড়ীত উঠাই নি সমৰকলাবিদক ধৰ্ষণ

২২ নৱেম্বৰৰ বিয়লি তিনিটা নৰপিশাচে এগৰাকী নৱম শ্ৰেণীত অধ্যয়নৰত ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সমৰকলাবিদক অপহৰণ কৰি নি দলবদ্ধ ধৰ্ষণ কৰাৰ অভিযোগৰ ঘটনাক লৈ সমগ্ৰ জিলাখনতেই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্মাৰ্ট অসম আৰক্ষীৰ ফোঁপোলা স্বৰূপটো উদঙাই তোলা এই বৰ্বৰ নাৰকীয় কাণ্ডৰ ঘটনা সুদীৰ্ঘ তিনিটা দিনৰ অন্ততহে পোহৰলৈ আহিছে। মেধাৱী ছাত্ৰী তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈগৰাকীৰ লগতে দুৰ্ভগীয়া পৰিয়ালটোৱে তিনিটা দিনৰ পিছতো ন্যায় লাভ নকৰি সংবাদ মাধ্যমৰ কাষ চপাৰ পিছতহে পোহৰলৈ আহিছে গাৰ নোম শিয়ৰি উঠা এই ভয়ংকৰ পাশৱিক ধৰ্ষণকাণ্ডৰ ঘটনা। সংবাদ মাধ্যমৰ কেমেৰাৰ সন্মুখত পিতৃ-মাতৃৰ সন্মুখতেই চিঞৰি-চিঞৰি কান্দি ন্যায় নাপালে আত্মহত্যাৰ দৰে চৰম সিদ্ধান্ত বাছি লোৱাৰ কথা ঘোষণা কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ছাত্ৰীগৰাকী আৰু মাতৃৰ অভিযোগ অনুসৰি  দৰিদ্ৰ গাড়ীৰ চালকৰ কন্যাগৰাকীয়ে এখন বিদ্যালয়ত নৱম শ্ৰেণীত অধ্যয়নৰত হৈ থকাৰ লগতে সমৰকলাবিদ হিচাবেও বিশেষ খ্যাতি অৰ্জন কৰিছিল। ২০২৩ চনৰ অক্টোবৰত গুৱাহাটীত আয়োজিত শেহতীয়া প্ৰতিযোগিতাখনত সোণৰ পদক অৰ্জন কৰা কিশোৰীগৰাকীয়ে যোৱা শুকুৰবাৰে বিয়লি চাৰিমান বজাত টেইলৰিঙৰ কাম কৰা মাতৃক নাতিদূৰৈত অৱস্থিত বিপনীখনত সন্ধিয়াৰ চাহ যোগান ধৰিবলৈ আহিছিল। নিজ গৃহৰ পৰা প্ৰায় এক কিলোমিটাৰ নিলগৰ মাতৃৰ ব্যৱসায়িক প্ৰতিস্থানলৈ নিজৰ ওপজা গৃহটোৰ সন্মুখৰ পকী পথেৰে বিয়লি চাৰি মান বজাত আহি থকাৰ সময়ত হঠাৎ একে দিশৰ পৰা আহি থকা এখন শিৱসাগৰ-ডিমৌ লাইনৰ যাত্ৰীবাহি মেজিক গাড়ী ৰয়হি। চালকৰ আসনত বহা যুৱকগৰাকীয়ে মুখমণ্ডলত মাস্ক পিন্ধি থকাৰ বিপৰীতে আন দুজন যাত্ৰীৰ ৰূপত অহা সেই অঞ্চলৰে নিবাসী দুজন যুৱকে কিশোৰীগৰাকীৰ বলপূৰ্বক চোচৰাই মেজিক গাড়ীখনত তুলি লয়। সাইলাখ হিন্দী চিনেমাৰ খলনায়কে ৰূপায়ণ কৰা দৃশ্যৰ দৰেই সংঘটিত অপহৰণৰ পিছতেই কিশোৰীগৰাকীক উক্ত পথটোৰ পৰা আন এটা উপ-পথেৰে চিকাৰী ভেঁটী নামৰ গাঁওখনলৈ লৈ যায়। ইয়াৰ পিছতেই গাঁওখনৰ এটা নিৰ্দিষ্ট গৃহলৈ লৈ যায়। কিশোৰীগৰাকীয়ে কৰা অভিযোগ অনুসৰি গাৱৰে নিবাসী সুনীল নামৰ পাষণ্ডটোৰ ঘৰলৈ কিশোৰীগৰাকীক লৈ যোৱাৰ লগতে পূৰ্বৰে পৰা বাসগৃহটোত উচ্চস্বৰত ডিজে বজাই ৰাখিছিল। গোটেই পথছোৱাত মুখত সোপা দি ডাংকোলাকৈ লৈ যোৱা কিশোৰীগৰাকীক সুনীল আৰু ভাইটীয়ে কোঠাটোৰ ভিতৰত আৱদ্ধ কৰি মৃত্যুৰ ভাবুকিৰে প্ৰায় দুঘণ্টা ধৰি ধৰ্ষণ আৰু বৰ্বৰ যৌন নিৰ্যাতন চলায়। এনেদৰে প্ৰায় দুঘণ্টা নিৰ্যাতন চলোৱাৰ সময়তে সুৰাৰ নিচাত থকা সুনীল আৰু ভাইটীৰ জিম্মাৰ পৰা কথমপি প্ৰাণ ৰক্ষা কৰি কোঠাটোৰ পৰা ওলাই পথাৰে পথাৰে দৌৰি সৰু পালেঙীৰ নিজ গৃহত উপস্থিত হয়হি। লক্ষণীয়ভাৱে মেজিকখনৰ চালকৰ আসনত মাস্ক মাৰি মুখ ঢাকি থকা যুৱকজনে যদিও যৌন নিৰ্যাতন চলোৱা নাছিল, কিন্তু অপকৰ্মৰ সময়ত আন দুই নৰপিশাচৰ সৈতে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল বুলি কিশোৰীগৰাকীয়ে জনাইছে। আনহাতে নৰপিশাচৰ দলবদ্ধ ধৰ্ষণৰ বলি হৈ অৰ্শ অৱস্থাত নিজ গৃহত উপস্থিত হোৱাৰ পিছতেই পৰিয়ালটোৰ মাজত এক হাহাকাৰময় পৰিৱেশৰ সৃষ্টি হয়। নিজ কন্যাৰ মুখেৰে এই ভয়ংকৰ ঘটনা জানিব পাৰি জৰুৰী সেৱাৰ যোগেদি নিশাই ডিমৌ আৰক্ষী থানাত উপস্থিত হৈ নৰপিশাচ সুনীল, ভাইটীৰ নাম উল্লেখেৰে ঘটনা বিৱৰি কোৱাৰ লগতে উক্ত মেজিক গাড়ীখন সন্দৰ্ভত বিশদ বিৱৰণ উল্লেখ কৰে। ডিমৌ আৰক্ষীৰ সহযোগত গুৰুতৰভাৱে অসুস্থ কিশোৰীগৰাকীক নিশাই শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। কিশোৰীগৰাকীৰ এজাহাৰৰ ভিত্তিত ডিমৌ আৰক্ষী থানাই ৫৫/ ২০২৪ নম্বৰৰ গোচৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ ১৩৭/(২) ৭/০(২) ২০২৩, আৰ/ডব্লিও, চেকচন ৬ অব প'কচ এক্টৰ ভিত্তিত অনুসন্ধান আৰম্ভ কৰে। কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে ডিমৌ আৰক্ষীয়ে তিনিদিনীয়া অনুসন্ধানত কেৱল মাত্ৰ সুনীল আৰু ভাইটীৰ বাসগৃহ দুটা চিনাক্ত কৰাৰ বাদে বাতৰি লিখা পৰ্যন্ত মেজিকৰ আসনত মাস্ক পৰিধান কৰি থকা চালকৰূপী দুৰ্বৃত্তটো, বাওঁ ফালৰ ৰিয়াৰভিউ গ্লাছত ড্ৰেগনৰ ফটো থকা ক'লা পৰ্দা লাগি থকা ৰঙা ৰঙৰ মেজিকখন কিন্তু চিনাক্ত কৰিব নোৱাৰিলে। বিগত তিনিটা দিনত যি দৰে আইনী প্ৰক্ৰিয়াসমূহ আগুৱাই নিব লাগিছিল সেই অনুসৰি বিশেষ কোনো তদন্তত অগ্ৰগতি লাভ নকৰিলে। কিন্তু ন্যায়ৰ পৰা বঞ্চিত পৰিয়ালটোৱে দুপৰীয়া সংবাদ মাধ্যমৰ কাষ চপাৰ পিছতহে আজি সন্ধিয়া কিশোৰীগৰাকীক ডিমৌ আৰক্ষীয়ে আদালতত হাজিৰ কৰাই ১৬৪ৰ অধীনত সাক্ষ্য গ্ৰহণ কৰে। ইফালে এই ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসম যুৱ ছাত্ৰ সন্মিলনৰ নেতা জিন্টু মেছে কয় যে এইয়া এক চৰম নিন্দনীয়, বৰ্বৰ, পাশৱিক ঘটনা। দোষীক কঠোৰতকৈ কঠোৰ শাস্তি প্ৰদানৰ দাবী তোলা জিন্টু মেচে কয় যে ডিমৌ কাণ্ডই স্মাৰ্ট অসম আৰক্ষীৰ প্ৰকৃত ব্যৰ্থতাৰ ছবিখন উদঙাই দিলে। তিনিটা দিন অতিক্ৰম কৰাৰ পিছতো দুৰ্ভগীয়া কিশোৰীগৰাকীক ন্যায় প্ৰদান কৰিব নোৱাৰাতো চৰম পৰিতাপৰ কথা। এই ক্ষেত্ৰত চৰকাৰেও কঠোৰতকৈ কঠোৰ শাস্তিৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সমাজ ব্যৱস্থাত মানসিকতা সলনিৰ বাবেও কেতবোৰ পদক্ষেপ ল'বলৈ আহৱান জনায়। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগাঠনিক সম্পাদক ৰমেশ বাক্সীয়ে কয় যে, নাম, ঠিকনা উল্লেখ কৰাৰ পিছতো ধৰ্ষণকাৰীক গ্ৰেপ্তাৰ কৰিব নোৱাৰাতো চৰকাৰী ব্যৰ্থতা। কিশোৰীগৰাকীক ন্যায় প্ৰদানৰ বাবে চাহ জনজাতি ছাত্ৰ সন্থা বদ্ধ পৰিকৰ। আনহাতে নিৰ্যাতিত শিশু কিশোৰী উদ্ধাৰৰ ক্ষেত্ৰত দীৰ্ঘসময় নৱ উদিত সমাজ নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ জৰিয়তে কাম কৰি অহা তথা ছাত্ৰ নেতা ফৰিদ ইছলাম হাজৰিকাই শীঘ্ৰে দোষীক প'কচৰ দৰে কঠোৰ আইনৰ আওতাত তদন্ত আগবঢ়াই নি দোষীক গ্ৰেপ্তাৰৰ দাবী তোলে। এই ক্ষেত্ৰ জিলা শিশু সুৰক্ষা সমিতিক শক্তিশালী আইনী পদক্ষেপ গ্ৰহণ কৰিবলৈ আহৱান জনায়। ঘটনাক লৈ শিৱসাগৰৰ লগতে সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ অসমীয়া ব্যৱসায়ীক উঠাই লৈ গ'ল

হোৱা এক ঘটনাই এতিয়া তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা অনুসৰি সন্দেহজনক নগা দুৰ্বৃত্তৰ দল এটাই মাৰণাস্ত্ৰসহ অসমত প্ৰৱেশ কৰি সোণাৰিৰ নামতোলাস্থিত এখন দোকানৰ পৰাই ধৰি লৈ গ'ল অসমৰ এগৰাকী ব্যৱসায়ীক। নগালেণ্ডৰ গাতে লাগি থকা নামতোলা তিলা লাইনৰ মোছলেক আলি নামৰ ব্যৱসায়ী জনৰ দোকানত প্ৰৱেশ কৰি নগা দুৰ্বৃত্তই ব্যৱসায়ীজনক ধৰি বান্ধি এখন টাটাচুমুত উঠাই নাগালেণ্ড অভিমুখে পলায়ন কৰে। সন্ধিয়া ৬-১৫ মান বজাত নগালেণ্ডৰ দিশৰ পৰা অহা চাৰি-পাঁচজনীয়া দুৰ্বৃত্তৰ দলটোৱে অসম-নগালেণ্ড সংযোগী ৰাবাৰ দলঙৰ সমীপৰ দোকানখনৰ সন্মুখত গুলী ফুটুৱাৰ লগতে এটা বেগ দলিয়াই পুনৰ নগালেণ্ডত প্ৰৱেশ কৰে। দুৰ্বৃত্তৰ দলটোৱে দলিয়াই থৈ যোৱা বেগটোত এটা গ্ৰেণেড সদৃশ সামগ্ৰীৰ লগতে আপত্তিজনক সামগ্ৰী উদ্ধাৰ হৈছে বুলি জানিব পৰা গৈছে। মন কৰিবলগীয়া যে, অবৈধ অসামাজিক কাৰ্যকলাপৰ ঘাটি হিচাপে পৰিচিত অসম-নগালেণ্ড সীমান্তৰ চৰাইদেউৰ নামতোলাৰ সৈতে নগালেণ্ডৰ মন জিলাৰ সৈতে অংগাগী সম্পৰ্ক থকাৰ পৰিপ্ৰেক্ষিতত দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী লোকে দিনটোৰ বেছিভাগ সময়তে এই ঠাইতে বেহা-বেপাৰ কৰি আহিছে। তেনে সময়তে আজি সন্ধিয়া নগালেণ্ডৰ পৰা আহি অসমৰ ভূমিত সংঘটিত কৰা কাৰ্যত সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্য। নগা দুৰ্বৃত্তই অসমৰ ভূমিত এনেদৰে সন্ত্ৰাস চলায় অসমৰ ব্যৱসায়ীক অপহৰণ কৰা কাৰ্যত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। ইফালে ঘটনা সন্দৰ্ভত চৰাইদেউ আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে প্ৰায়ে এনে ঘটনা সংঘটিত হৈ আহিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মেলেৰিয়াৰ ভয়ংকৰ প্ৰাদুৰ্ভাৱ

গৰাকী হৈছেগৈ আৰু ক্ৰমান্বয়ে ৰোগীৰ সংখ্যা বাঢ়ি আছে। তদুপৰি মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ জিলাখনত পাঁচগৰাকী শিশুৰ মৃত্যু হোৱা বুলি অভিযোগ উঠিছে। আনহাতে এগৰাকী উচ্চশিক্ষিত যুৱকৰো মৃত্যু হৈছে। কোকৰাঝাৰ জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী লুংচুং এলেকাত মেলেৰীয়াই আটাইতকৈ ভয়াৱহ ৰূপ ধাৰণ কৰিছে। অকল লুংচুং এলেকাতে ৫৯২ গৰাকী লোক মেলেৰিয়াত আক্ৰান্ত হৈছে। ৫৯২ গৰাকী মেলেৰিয়া আক্ৰান্তৰ ভিতৰত প্লাছমোডিয়াম ফেলচিফেৰাম বীজাণুৰ দ্বাৰা মেলেৰিয়া হোৱা ৰোগীৰ সংখ্যা ৩৯৮ গৰাকী আৰু প্লাছমোডিয়াম ভাইভেক্স বীজাণুৰ দ্বাৰা মেলেৰিয়া হোৱা ৰোগীৰ সংখ্যা ১৯৪ গৰাকী। অকল যে লুংচুং এলেকাতে মেলেৰিয়া ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰিছে এনে নহয়, বৰং কোকৰাঝাৰ মহকুমাৰ অন্তৰ্গত বালাজান খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, দোতমা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু কচুগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনত সৰ্বমুঠ ১৭৬১ গৰাকী লোক মেলেৰীয়াত আক্ৰান্ত হৈছে। বালাজান খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনৰ লুংচুংত ৫৯২ জন, সৰলপাৰাত ২১৪ জন, উল্টাপানীত ৮৫ জন, কাজিমগিৰিনাত ১২ জন, মালিগাঁওত ৫১ জন আৰু জিৎপুৰত ৯ গৰাকী লোক মেলেৰীয়াত আক্ৰান্ত হৈছে। দোতমা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনৰ মহেন্দ্ৰপুৰত ১৮৯ জন, আঠীয়াবাৰীত ৭২ জন, ঝাৰবাৰীত ৯৫ জন আৰু শিয়ালমাৰীত ৩২ জন লোক মেলেৰিয়াত আক্ৰান্ত হৈছে। আনহাতে কচুগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনৰ ভৰত নগৰত ৮৬ গৰাকী, কচুগাঁৱত ২৪৮ গৰাকী , জলেশ্বৰীত ১৩ গৰাকী আৰু জোনালীগাঁৱত ৬৩ গৰাকী লোক মেলেৰিয়াত আক্ৰান্ত হৈছে। ইপিনে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ গোসাঁইগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনত ২৮ গৰাকী লোক মেলেৰীয়াত আক্ৰান্ত হৈছে। ইয়াৰে প্লাছমোডিয়াম ফেলচিফেৰাম বীজাণুৰ দ্বাৰা আক্ৰান্ত হোৱা ৰোগীৰ সংখ্যা ০৮ জন আৰু প্লাছমোডিয়াম ভাইভেক্স বীজাণুৰ দ্বাৰা আক্ৰান্ত হোৱা ৰোগীৰ সংখ্যা ২০ জন। অৰ্থাৎ কোকৰাঝাৰ জিলাত সৰ্বমুঠ মেলেৰীয়া ৰোগত আক্ৰান্ত হোৱা ৰোগীৰ সংখ্যা হ'ল ১৭৮৯ গৰাকী। ১৭৮৯ গৰাকী মেলেৰিয়া ৰোগীৰ ভিতৰত ৫৫৯ গৰাকী হ'ল প্লাছমোডিয়াম ফেলচিফেৰাম আৰু ১২৩০ গৰাকী হ'ল প্লাছমোডিয়াম ভাইভেক্স বীজাণুৰ দ্বাৰা আক্ৰান্ত হোৱা মেলেৰীয়া ৰোগী। ১৭৮৯ গৰাকী মেলেৰীয়া ৰোগীৰ ভিতৰত বহুসংখ্যক শিশুও মেলেৰীয়া ৰোগত আক্ৰান্ত হৈছে। উল্লেখ্য যে, চলিত সপ্তাহতে মেলেৰিয়াত আক্ৰান্ত হৈ কেবাজনো শিশুৰ মৃত্যু হোৱাৰ অভিযোগ উত্থাপন কৰিছে সদৌ চাওতাল ছাত্ৰ সন্থাই। সদৌ চাওতাল ছাত্ৰ সন্থাৰ উপ-সভাপতি দুৰ্গা চৰেণ আৰু সদৌ আদিবাসী মহিলা সমিতিৰ সভানেত্ৰী পাউলিনা ইক্কাই অভিযোগ কৰা মতে লুংচুং এলেকাত প্ৰায় ঘৰে ঘৰে মেলেৰীয়া ৰোগী আছে আৰু মেলেৰীয়া ৰোগৰ আক্ৰান্ত হৈ চলিত সপ্তাহতে পাঁচগৰাকী শিশুৰ মৃত্যু হোৱাৰ অভিযোগ উত্থাপন কৰিছে। ইপিনে ভাৰপ্ৰাপ্ত জিলা মেডিকেল বিষয়া ড° পি ব্ৰহ্মাই লুংচুং অঞ্চলত ৫৯২ গৰাকী লোক মেলেৰিয়াত আক্ৰান্ত হৈছে বুলি সদৰি কৰিছে। শিশুৰ মৃত্যু সন্দৰ্ভত বিষয়টো অধিক পৰীক্ষা কৰিব লাগিব বুলি মন্তব্য কৰি আন ৰোগৰ ফলতো হ'ব পাৰে বুলি উল্লেখ কৰিছে। ইপিনে মেলেৰিয়াত আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পোৱাত বিভিন্ন দল-সংগঠনৰ নেতৃবৰ্গই উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে মেলেৰিয়াপ্ৰৱণ অঞ্চলসমূহত শীঘ্ৰে স্থায়ী স্বাস্থ্যকেন্দ্ৰ নিৰ্মাণ কৰাৰ দাবী উত্থাপন কৰিছে। প্ৰকৃততে মেলেৰিয়াপ্ৰৱণ অঞ্চলসমূহত যাতায়ত-খোৱাপানীৰ সু-ব্যৱস্থা নথকাৰ লগতে বাহকজনিত ৰোগ সন্দৰ্ভত কোনো ধৰণৰ সজাগতা নথকা পৰিলক্ষিত হৈছে। প্ৰধানকৈ বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত জনতাই খাল-ডোঙৰ পানী খাই জীৱন নিৰ্বাহ কৰিব লগা হৈছে। তদুপৰি ২০২১ চনৰ পিছত বৰ্তমানলৈকে আঁঠুৱা বিতৰণ নকৰাত মেলেৰীয়া ৰোগী বাঢ়ি যোৱাৰ ইও এক কাৰণ হিচাপে পৰিগণিত হৈছে। ইপিনে কোকৰাঝাৰ জিলাত মেলেৰিয়াই প্ৰায় মহামাৰীসদৃশ ৰূপ ধাৰণ কৰাৰ জটিল সন্ধিক্ষণৰ পিছতো মেলেৰিয়া বিভাগ ঘোৰ নিদ্ৰাত বুলি অভিযোগ উঠিছে। নুন্যতম স্বাস্থ্যসেৱাৰ পৰাও জনতা বঞ্চিত হোৱাৰ অভিযোগ উঠাৰ লগতে এইক্ষেত্ৰত বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপিত হৈছে। লক্ষণীয় কথাটো হ'ল অকল যে লুংচুং এলেকাৰ দৰে দুৰ্গম এলেকাত মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ বাঢ়িছে এনে নহয় বৰং কেইদিনমান পূৰ্বে মেলেৰিয়াত আক্ৰান্ত হৈ কোকৰাঝাৰ মেডিকেল কলেজৰ নিকটৰ আইঠুগাঁৱৰ শিক্ষক সাংগ্ৰাং ওৱাৰীৰ উচ্চশিক্ষিত একমাত্ৰ সন্তান জৌংচাৰ ওৱাৰী মেলেৰিয়াত আক্ৰান্ত হৈ কৰুণ মৃত্যুক সাবতি লৈছে। তদুপৰি লুংচুং অঞ্চলতো পাঁচগৰাকী শিশুৰ মৃত্যু হৈছে বুলি অভিযোগ কৰিছে সদৌ চাওতাল ছাত্ৰ সন্থাই। কোকৰাঝাৰ মেডিকেল কলেজত আইচিইউৰ সুবিধা নথকাৰ বাবে মেলেৰীয়া ৰোগত গুৰুতৰভাৱে আক্ৰান্ত হোৱা ৰোগীক চিকিৎসা প্ৰদান নকৰি বাহিৰলৈ ৰেফাৰ কৰাৰো অভিযোগ উত্থাপিত হৈছে। এনেদৰে এতিয়া মেলেৰিয়াই ধাৰণ কৰিছে কালৰূপ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মেট্ৰিক পৰীক্ষাৰ দিন কৰিলে ঘোষণা

বিদ্যালয় শিক্ষা বৰ্ডে আজি মেট্ৰিক পৰীক্ষাৰ দিন ঘোষণা কৰিছে। ঘোষিত তালিকা অনুসৰি ২০২৫ চনৰ ১৫ ফেব্ৰুৱাৰীৰ পৰা মেট্ৰিক পৰীক্ষা অনুষ্ঠিত হ'ব। ৩ মাৰ্চত সমাপ্ত হ'ব। ২১ আৰু ২২ জানুৱাৰীত অনুষ্ঠিত হ'ব ব্যৱহাৰিক পৰীক্ষা। ১৫ ফেব্ৰুৱাৰীৰ পুৱা ইংৰাজী, ১৭ ফেব্ৰুৱাৰীৰ পুৱা অসমীয়া, ২১ ফেব্ৰুৱাৰীৰ পুৱা গণিত, ২২ ফেব্ৰুৱাৰীত ঐচ্ছিক পাঠ্যক্ৰম, ২২ ফেব্ৰুৱাৰীৰ পিছবেলা মিউজিক-ডান্স-উদক্ৰাফ্ট-বেংগলী, ২৪ ফেব্ৰুৱাৰীৰ পুৱা সাধাৰণ বিজ্ঞান, ২৫ ফেব্ৰুৱাৰীৰ পুৱা ফাইন আৰ্ট, আবেলি ৰেভিং এণ্ড টেক্সটাইল ডিজাইন বড়ো (ঐচ্ছিক), ২৭ ফেব্ৰুৱাৰীত পুৱা সমাজ বিজ্ঞান, ২৮ ফেব্ৰুৱাৰীৰ পুৱা মণিপুৰী-সান্তালী, আবেলি বৈকল্পিক (ঐচ্ছিক), ১ মাৰ্চৰ পুৱা হিন্দী, ৩ মাৰ্চত উচ্চ গণিত, ভূগোল, বুৰঞ্জী, সংস্কৃত, কম্পিউটাৰ চায়েন্স, কমাৰ্চ, হোম চায়েন্স, আৰবী, পাৰ্চী (ঐচ্ছিক) পৰীক্ষা অনুষ্ঠিত হ'ব। প্ৰথমবাৰ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বৰ্ডে অনুষ্ঠিত কৰিব মেট্ৰিক পৰীক্ষা। অসমৰ মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ ছেবাই পূৰ্বতে পৰীক্ষা অনুষ্ঠিত কৰিছিল যদিও দিনদিয়েক পূৰ্বে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ছেবা ভংগ কৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বৰ্ডে গঠন কৰি দিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাইলাকান্দিত অসমীয়া কোৱা ছাত্ৰক

সকল আনন্দিত। কেন্দ্ৰীয় কেবিনেটে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদান কৰাত অসম চৰকাৰে সপ্তাহজোৰা ভাষা গৌৰৱ সপ্তাহ পালন কৰিছিল ৰাজ্য চৰকাৰে। কিন্তু আজিও এইখন অসমত একাংশ লোকে অসমীয়া ভাষাটোক সন্মান প্ৰদৰ্শন নকৰে। বিশেষকৈ বৰাক উপত্যাকত একাংশ লোকে বাৰে বাৰে অসমীয়া ভাষাটোক অপমান কৰি গৈছে। পুনৰ বৰাক উপত্যকাত অসমীয়া ভাষা কোৱাৰ বাবেই দুই ছাত্ৰক প্ৰহাৰ কৰাৰ খবৰ পোৱা গৈছে। মধ্য অসমৰ এজন আৰু নামনি অসমৰ এজন ছাত্ৰক প্ৰহাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। দেওবাৰে নিশা হাইলাকান্দিৰ কাটলিচেৰাত সংঘটিত হৈছে এই ঘটনা। কাটলিচেৰাস্থিত পলিটেকনিকৰ দুই ছাত্ৰই অসমীয়া ভাষাত কথা পাতি থকাৰ সময়তে এজন যুৱকে কিয় ইয়াত অসমীয়া ভাষা কৈ আছা বুলি প্ৰশ্ন কৰিছিল। বৰাকত আছে বাংলাভাষাত কথা ক'ব লাগিব বুলি ধমক দিয়ে। ধমক দিয়েই ক্ষান্ত নাথাকি দুই ছাত্ৰক মাৰধৰ কৰে শুভম নামৰ যুৱকজনে। শুভম নামৰ যুৱকজনে নগাঁৱৰ আনছাৰুল হক চৌধুৰী, ধুবুৰীৰ মাছুদ ইৰছাদ হুছেইন নামৰ দুই ছাত্ৰক মাৰধৰ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনেদৰে এইখন অসমতে অসমীয়া ভাষা কোৱাৰ বাবে ছাত্ৰক প্ৰহাৰ কৰাৰ ঘটনাক বিভিন্ন লোকে গৰিহণা দিছে আৰু অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আদানি-মণিপুৰক লৈ উত্তাল শীতকালীন

ভাৰতৰ পুঁজিপতি গৌতম আদানিৰ বিৰুদ্ধে আমেৰিকাৰ ন্যায় বিভাগে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত আলোচনাৰ বাবে বিৰোধীয়ে দাবী উত্থাপন কৰাৰ পিছতে উত্তপ্ত হৈ পৰে সদনৰ পৰিস্থিতি। ইয়াৰ পিছতে অধ্যক্ষই সদন স্থগিত ৰাখে। ইফালে ৰাজ্যসভাৰ বিৰোধী সাংসদসকলে অধ্যক্ষ জগদীপ ধনখড়ক ১৩খন জাননী দাখিল কৰে। জাননীসমূহত আদানি গোটৰ বিৰুদ্ধে দুৰ্নীতি, উৎকোচ আৰু আৰ্থিক অনিয়মৰ অভিযোগ উত্থাপন কৰা হয়। লগতে সম্ভল আৰু মণিপুৰৰ হিংসাত্মক পৰিস্থিতি আৰু ৱায়ানাডৰ ভূমিস্খলন প্ৰৱণ অঞ্চলৰ পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈ দাবী উত্থাপন কৰে বিৰোধীয়ে। অৱশ্যে এই জাননীসমূহ খাৰিজ কৰি অধ্যক্ষ ধনখড়ে কয়, "এই জাননীসমূহ সংসদৰ নিয়ম অনুসৰি নহয়। সেইবোৰৰ বিষয়ে আলোচনা কৰিবলৈ মই সন্মত নহয়।" তাৰ পিছত ৰাজ্যসভাৰ অধিৱেশন প্ৰথমে ১৫ মিনিটৰ বাবে আৰু তাৰ পিছত গোটেই দিনটোৰ বাবে স্থগিত ৰখা হয়। উল্লেখ্য যে, সোমবাৰে প্ৰয়াত সাংসদসকলক শ্ৰদ্ধাঞ্জলিৰে আৰম্ভ হয় লোকসভা অধিৱেশন। কিন্তু বিৰোধী সাংসদসকলে আদানি বিতৰ্কক লৈ আলোচনা বিচৰাৰ সময়তে অধ্যক্ষ ওম বিৰলাই প্ৰথমে দুপৰীয়া ১২ বজালৈ অধিৱেশন স্থগিত ৰাখে। পিছত অধিৱেশন আৰম্ভ হোৱাৰ লগে লগে বিৰোধীয়ে পুনৰ একে দাবী উত্থাপন কৰে। অৱশ্যে তেতিয়া অধ্যক্ষৰ আসনত বহি থকা সন্ধ্যা ৰায়ে এই দাবী নাকচ কৰে। প্ৰণিধানযোগ্য যে, যোৱা সপ্তাহত আমেৰিকাৰ ন্যায় বিভাগ আৰু ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ কমিছনে অভিযোগ উত্থাপন কৰিছিল যে ভাৰতীয় সৌৰশক্তিৰ চুক্তি লাভ কৰিবলৈ আদানি গ্ৰুপে ২০২০ চনৰ পৰা ২০২৪ চনৰ ভিতৰত ২৬৫ মিলিয়ন ডলাৰ উৎকোচ দিছিল। অনুমান কৰা হৈছে যে এই চুক্তিৰ জৰিয়তে আদানি গ্ৰুপে অহা ২০ বছৰত ২ বিলিয়ন ডলাৰ উপাৰ্জন কৰিব পাৰিব। আদানি গ্ৰীণ এনাৰ্জি লিমিটেডৰ পৰিচালক হিচাপে গৌতম আদানি আৰু তেওঁৰ ভতিজা সাগৰ আদানিৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈছে। এই সন্দৰ্ভত অধিবক্তা বিশাল তিৱাৰীয়ে উচ্চতম ন্যায়ালয়ত আবেদন জনাইছে, যাতে এই আমেৰিকাৰ অভিযোগ আদালতত দাখিল কৰা হয়। অন্যহাতে ২৭ নৱেম্বৰ বুধবাৰে পুৱা ১১ বজাত অনুষ্ঠিত হ'ব সংসদৰ পৰৱৰ্তী অধিৱেশন। অধিৱেশনৰ সময়ছোৱাত বিৰোধীয়ে উত্থাপন কৰা দাবী সন্দৰ্ভত সদনত আলোচনা হ'ব নে নহয় সেয়া হ'ব লক্ষণীয়। উল্লেখ্য যে, যোৱা ১০ বছৰৰ তুলনাত বিৰোধীৰ শক্তি ২০২৪ৰ লোকসভা নিৰ্বাচনত বৃদ্ধি পোৱাত এতিয়া বিৰোধীক উলাই কৰাতো চৰকাৰৰ পক্ষে আগৰ দৰে সহজ হৈ থকা নাই। ফলত প্ৰথম দিনটোতে বিৰোধীৰ দাবীত হাৰ মানিবলগীয়াত পৰে শাসকপক্ষ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্ৰীলংকাতো মহাবিপদত আদানি

গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাৰ পিছতে শ্বেয়াৰ বজাৰত হোৱাহোৱে হ্ৰাস পাইছে আদানি গ্ৰুপৰ শ্বেয়াৰ মূল্য। ইয়াৰ মাজতে বাংলাদেশৰ পিছত এইবাৰ শ্ৰীলংকাৰ পৰা আদানি গ্ৰুপৰ কাণত বাজিছে সংকটৰ ঘণ্টাধ্বনি। দ্বীপ ৰাষ্ট্ৰখনৰ নতুন বাওঁপন্থী চৰকাৰখনে আদানি গ্ৰুপৰ সৈতে শক্তি চুক্তিৰ পুনৰ আলোচনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শ্ৰীলংকাৰ নৱগঠিত মন্ত্ৰীসভাই আদানি গ্ৰুপৰ বায়ু শক্তি প্ৰকল্প সন্দৰ্ভত পূৰ্বৰ চৰকাৰৰ সৈতে স্বাক্ষৰিত চুক্তিৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। এই তথ্য নিশ্চিত কৰিছে চিলন বিদ্যুৎ ব'ৰ্ডৰ মুখপাত্ৰ ধনুষ্কা পৰক্ৰমসিংহই। মুখপাত্ৰগৰাকীৰ মতে, চুক্তি অনুসৰি মন্নাৰ আৰু পুনেৰিনত বায়ুশক্তি কেন্দ্ৰ নিৰ্মাণ কৰা হৈছিল। অৱশ্যে এই প্ৰকল্পৰ ব্যয় আৰু পৰিৱেশ প্ৰভাৱৰ তদন্ত চলি আছে। এতিয়াৰ বাবে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰকুমাৰ দিশনায়কে এই প্ৰকল্পৰ ভৱিষ্যত নিৰ্ণয় কৰিব। আনহাতে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে শ্বেখ হাছিনাৰ শাসনকালত আদানি গ্ৰুপৰ সৈতে হোৱা বাণিজ্যিক শক্তিৰ চুক্তি পুনৰীক্ষণৰ বাবে এখন কমিটী গঠন কৰিছে। দেওবাৰে বিদ্যুৎ, শক্তি আৰু খনিজ সম্পদ মন্ত্ৰালয়ৰ মূল্যায়ন সমিতিয়ে কয় যে তেওঁলোকে এই চুক্তিখন চাবলৈ আইনী আৰু তদন্তকাৰী সংস্থাৰ সহায় লৈছে। কমিটীৰ মুৰব্বী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ মইনুল ইছলাম চৌধুৰীয়ে কয় যে তদন্তৰ বাবে বিশ্বৰ আগশাৰীৰ আইন আৰু তদন্তকাৰী সংস্থাৰ সহযোগিতা প্ৰয়োজন। ইফালে, শ্ৰীলংকাৰ ৰাজধানী কলম্বোৰ আদানী গ্ৰুপৰ মালিকানাধীন বন্দৰটোৰ বিত্তীয় সাহায্যৰ পৰা পিছুৱাই যাব পাৰে আমেৰিকাৰ চৰকাৰী সংস্থা ডেভেলপমেন্ট ফাইনেন্স কৰ্প'ৰেশ্যনে। যোৱা নৱেম্বৰ মাহত কোম্পানীটোৱে বন্দৰৰ টাৰ্মিনেল নিৰ্মাণৰ বাবে ৫৫ কোটি ডলাৰৰ বিত্তীয় সাহায্যৰ প্ৰতিশ্ৰুতি দিছিল। অৱশ্যে দেওবাৰে ডি এফ চিয়ে এই সন্দৰ্ভত পুনৰ বিবেচনা কৰি থকা বুলি জানিবলৈ দিয়ে। ডি এফ চিয়ে সাধাৰণতে কম আৰু মধ্যম আয়ৰ দেশসমূহৰ উন্নয়ন প্ৰকল্পৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰে। প্ৰণিধানযোগ্য যে, শেহতীয়াকৈ আদানি গ্ৰুপৰ বিৰুদ্ধে আমেৰিকাৰ আদালতত চৰকাৰী বিষয়াক উৎকোচ দিয়াৰ অভিযোগ উত্থাপন হৈছে। আদালতে আদানি আৰু ভতিজা সাগৰৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানাও জাৰি কৰিছে। অভিযোগ অনুসৰি অন্ধ্ৰপ্ৰদেশকে ধৰি কেইবাখনো ৰাজ্যত সৌৰশক্তিৰ বিক্ৰীৰ বাবে বেহাই লাভ কৰিবলৈ আদানি গ্ৰুপে ২২৩৭ কোটি টকাৰ উৎকোচ দিছিল। আদানি গ্ৰীণ এনাৰ্জীয়ে অবৈধ উৎকোচৰ বাবে ব্যৱহাৰ কৰা আমেৰিকাৰ শ্বেয়াৰ বজাৰৰ পৰা ধন সংগ্ৰহ কৰা বুলিও অভিযোগ উত্থাপন হয়। বিশ্লেষকসকলৰ মতে, 'উৎকোচ কেলেংকাৰী'ৰ বাবেই এতিয়া আদানি গ্ৰুপৰ প্ৰকল্পসমূহ বিভিন্ন দেশৰ প্ৰশাসনৰ কঠোৰ নিৰীক্ষণৰ সন্মুখীন হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চলিয়েই আছে হামাছ-ইজৰাইল যুদ্ধ

সমগ্ৰ বিশ্বত চলি আছে। দুই ৰাষ্ট্ৰৰ মাজৰ তুমুল সংঘৰ্ষই প্ৰতিদিনেই অধিক তীব্ৰতৰ ৰূপ ধাৰণ কৰিছে। শেহতীয়াকৈ লেবাননত ইজৰাইলে সংঘটিত কৰা আক্ৰমণৰ এটা দিন পিছতে দেওবাৰে ইজৰাইলৰ ওপৰত প্ৰত্যাক্ৰমণ চলাই লেবাননৰ শাসকীয় সশস্ত্ৰ সংগঠন হিজবুল্লাহেও। দেওবাৰে ইজৰাইলৰ ৰাজধানী তেল আভিভিত ধাৰাবাহিকভাৱে ৰকেট নিক্ষেপ কৰে হিজবুল্লাহে। এই আক্ৰমণৰ সময়ত কিছু সংখ্যক ৰকটে ইজৰাইলী সেনাই আকৰ্শমাৰ্গতে ধ্বংস কৰিবলৈ সক্ষম হয় যদিও ৰাজধানীত কেইবাটাও ৰকেটে আঘাত কৰাত ঘৰ-দুৱাৰৰ বিস্তৰ ক্ষতিসাধন হয়। ইজৰাইলৰ সামৰিক তথ্য অনুসৰি দেওবাৰে লেবাননৰ পৰা ২৪০টাতকৈও অধিক ৰকেট নিক্ষেপ কৰা হয়। ইয়াৰ পূৰ্বে শনিবাৰে ইজৰাইলে লেবাননৰ ৰাজধানী বেইৰুটৰ হিজবুল্লাহৰ ঘাটিত ক্ষেপণাস্ত্ৰ আক্ৰমণ চলোৱাত ২৯ জন লোকৰ মৃত্যু ঘটে। দেওবাৰে হিজবুল্লাহে প্ৰতিশোধৰ ভাবুকি দি তেল আভিভত আক্ৰমণ কৰে। তেওঁলোকে কয় যে ৰাজধানী আৰু ইয়াৰ চাৰিওফালে থকা সেনা ঘাটিটোৱেই তেওঁলোকৰ মূল লক্ষ্য। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে জনোৱা মতে, এই আক্ৰমণত কেইবাটাও ঘৰ ধ্বংস হোৱাৰ লগতে কিছু কিছু অঞ্চলত অগ্নিকাণ্ড সংঘটিত হয়। বহু সাধাৰণ নাগৰিক আহত হয় যদিও কোনোৱেই গুৰুতৰভাৱে আহত হোৱা নাই। এটা ভিডিঅ'ত দেখা গৈছে যে উত্তৰ ইজৰাইলৰ নাহৰিয়া চহৰৰ এটা অট্টালিকাত ৰকেটে খুন্দা মাৰি তীব্ৰ বিস্ফোৰণৰ সৃষ্টি কৰে। উল্লেখ্য যে, হিজবুল্লাহ হৈছে ইৰাণৰ সমৰ্থিত এটা সশস্ত্ৰ গোট। যোৱা ছেপ্টেম্বৰৰ পৰা ইজৰাইলে তেওঁলোকৰ ঘাটিসমূহক লক্ষ্য কৰি লৈ আহিছে। ইজৰাইলে দাবী কৰিছে যে তেওঁলোকে কেৱল দক্ষিণ বেইৰুটৰ হিজবুল্লাহৰ ঘাটিক লক্ষ্য কৰি লৈছিল আৰু কোনো সাধাৰণ নাগৰিকৰ ক্ষতি হোৱা নাছিল। ইফালে এই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ মাজতে আমেৰিকাই যুদ্ধবিৰতিৰ প্ৰস্তাৱ আগবঢ়াইছে। উল্লেখ্য যে, অহা জানুৱাৰীৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰিব আমেৰিকাৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। অৱশ্যে আমেৰিকাৰ এই প্ৰস্তাৱ সন্দৰ্ভত এতিয়াও কোনো মন্তব্য কৰা নাই তেল আভিভে। সোমবাৰে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ বিধায়কলৈ ভয় অখিল গগৈৰ!

দলক পৰাজিত কৰিবলৈ অসমৰ গৰিষ্ঠসংখ্যক লোকেই আটাইকেইটা বিৰোধী দলক একত্ৰিত হৈ যুঁজ দিবলৈ কৈছিল যদিও শেষত আটাইকেইটা দলে অকলে অকলে নিৰ্বাচন খেলি বিজেপিক দিছপুৰত চৰকাৰ গঠনৰ বাট প্ৰশস্ত কৰি দিছিল। শেহতীয়াকৈ অনুষ্ঠিত হৈ যোৱা ৫ বিধানসভাৰ উপ-নিৰ্বাচনত একেই কামকে কৰিলে কংগ্ৰেছ, ৰাইজৰ দল আৰু কংগ্ৰেছে। ২০২৬ চনৰ নিৰ্বাচনতো আটাইকেইটা দলে একেই কামকে কৰিবলৈ আগবাঢ়িছে। প্ৰায় ১৬ মাহ পূৰ্বৰ পৰাই বিজেপিক সহায় কৰিবলৈ কাম কৰা পৰিলক্ষিত হৈছে। বিজেপিৰ ভেটি যিসমূহ সমষ্টিত মজবুত সেই সমূহত এতিয়ালৈ বিৰোধী দলসমূহে সভা-সমিতি কৰা পৰিলক্ষিত হোৱা নাই। আনহে নালাগে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কংগ্ৰেছৰ দখলক থকা সমষ্টি কেইটাত নজৰ দিয়া পৰিলক্ষিত হৈছে। ইতিমধ্যে অখিল গগৈৰ বিৰুদ্ধে সংখ্যালঘু ভোটত চকু দি ভোট বিভাজন কৰিব খুজিছে বুলি অভিযোগ উত্থাপন হৈ আহিছে। শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ সভাপতি অখিল গগৈয়ে উজনি, নামনি, মধ্য-উত্তৰ আৰু বৰাকৰ যিসমূহ সমষ্টিত সংখ্যালঘু ভোটেৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে সেইসমূহ সমষ্টিত দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ উঠি-পৰি লাগিছে। ইতিমধ্যে নামনি অসম, উত্তৰ আৰু মধ্য অসমৰ সংখ্যালঘু অধ্যুষিত সমষ্টিসমূহত নিতৌ সভা সমিতি কৰি কংগ্ৰেছক শলঠৈকত পেলাবলৈ মাষ্টাৰ প্লান কৰিছে। মুখ্যত অপৈণত ৰাইজৰ দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰি ২০২৬ চন নিৰ্বাচনৰ অংক কৰা দেখা গৈছে অখিল গগৈক। অখিল গগৈয়ে অসমৰ যিসমূহ সমষ্টিত বেছি তৎপৰ হৈছে সেই আটাইকেইটা সমষ্টি সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভোট আছে। নামনি অসমৰ দৰেই এইবাৰ বৰাক উপত্যকাৰ সংখ্যালঘু এলেকাত ব্যস্ত দেখা গৈছে শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈক। তিনিদিনীয়া ভ্ৰমণসূচী লৈ বৰাক উপত্যকালৈ গৈছে অখিল গগৈ। ২৪ নৱেম্বৰত প্ৰথম দিনটোত কাছাৰৰ শিলচৰত নিশা কটাই সভাত অংশ লয়। কাছাৰ জিলাৰ কেইবাজনো সংখ্যালঘু নেতাক সাক্ষাৎ কৰে। আজি হাইলাকান্দি জিলাৰ আলগাপুৰ-কাটলিচেৰা সমষ্টিত উপস্থিত হোৱাত অখিল গগৈক ব্যাপক আদৰণি জনাইছে সংখ্যালঘু লোকে। উজনি, উত্তৰ অসমৰ পাছত বৰাকত বিগত দুটা দিন সংখ্যালঘুৰ মাজত সোমাই অখিল গগৈয়ে দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ সভা পাতিছে। আৰু এটা দিন বৰাকত অতিবাহিত কৰিব অখিল গগৈয়ে। আজি হাইলাকান্দি জিলাৰ আলগাপুৰ-কাটলিচেৰা সমষ্টিত অনুষ্ঠিত এখন সভাত ভাষণ প্ৰদান কৰি বিজেপিক দলক সমালোচনা কৰে অখিল গগৈয়ে। এই সভাতে এআইইউডিএফৰ বিধায়কৰ পুত্ৰই ৰাইজৰ দলত যোগদান কৰিছে। আলগাপুৰৰ বিধায়ক নিজামুদ্দিন চৌধুৰীৰ পুত্ৰ ছাদেক আহমদ চৌধুৰীয়ে হাইলাকান্দিত অখিল গগৈৰ উপস্থিতিত ৰাইজৰ দলত যোগদান কৰিছে। অখিল গগৈয়ে এনেদৰেই এতিয়া সংখ্যালঘু ভোটাৰৰ মাজত সোমাই ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। কিন্তু অসমীয়া হিন্দু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা তথা বিজেপিৰ দখলত থকা কোনো সমষ্টিত এনে তৎপৰতা প্ৰদৰ্শন কৰা নাই। পদ্ম হাজৰিকাৰ চতিয়া সমষ্টি, মৃণাল শইকীয়াৰ খুমটাই, হিমন্ত বিশ্ব শৰ্মাৰ জালুকবাৰী, সুমন হৰিপ্ৰিয়াৰ হাজো, দিগন্ত কলিতাৰ কমলপুৰ, ভবেশ কলিতাৰ ৰঙিয়া, চন্দ্ৰমোহন পাটোৱাৰীৰ ধৰ্মপুৰ, জিতু গোস্বামীৰ বড়মপুৰ, ৰূপক শৰ্মাৰ নগাঁও, পীযুষ হাজৰিকাৰ জাগিৰোড, জয়ন্তমল্ল বৰুৱাৰ নলবাৰী, সুশান্ত বৰগোহাঁইৰ থাওৰা, বিজয় মালাকৰৰ ৰাটাবাৰী, কৃষ্ণেন্দুপালৰ পাথাৰকান্দি, দ্বিপায়ন চক্ৰৱৰ্তীৰ শিলচৰ, নোমল মমিনৰ বোকাজান, মিহিৰ কান্তি চোম উধাৰবন্দ, কৌশিক ৰায়ৰ লক্ষীপুৰ, অজয় কুমাৰ ৰায়ৰ বিজনী, ফণীভূষণ চৌধুৰীৰ পত্নীৰ সমষ্টি বঙাইগাঁও, ৰণজিৎ কুমাৰ দাসৰ পাটাছাৰকুছি, নন্দিতা গাৰ্লোছাৰ বোকাজান, অতুল বৰাৰ গোলাঘাট, অতুল বৰাৰ দিছপুৰ, পৰমানন্দ ৰাজবংশীৰ ছিপাঝাৰ, প্ৰমোদ বৰঠাকুৰৰ বিশ্বনাথ, সিদ্ধাৰ্থ ভট্টাচাৰ্য্যৰ গুৱাহাটী ইষ্ট, ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ গুৱাহাটী ৱেষ্ট, মানৱ ডেকাৰ লখিমপুৰ, নৱ কুমাৰ দলৈৰ ঢকুৱাখানা, ৰণোজ পেগুৰ ধেমাজি, ভুৱন পেগুৰ জোনাই, চক্ৰধৰ গগৈৰ মৰাণ, প্ৰশান্ত ফুকনৰ ডিব্ৰুগড়, বিনোদ হাজৰিকাৰ লাহোৱাল, তেৰাছ গোৱালাৰ দুলীয়াজান, বিমল বৰাৰ টিংখং, তৰংগ গগৈৰ নাহৰকটীয়া, পোণাকণ বৰুৱাৰ চাবুৱা, সৃজয় কিষাণৰ তিনিচুকীয়া, চুৰেণ ফুকনৰ ডিগবৈ, ভাস্কৰ শৰ্মাৰ মাৰ্ঘেৰিটা, ৰূপেশ গোৱালাৰ ডুমডুমা, বলিন চেতিয়াৰ শদিয়া সমষ্টিত অখিল গগৈয়ে কোনো ধৰণৰ তপৰতা প্ৰদৰ্শন কৰা নাই। ইয়াৰ অন্তৰালত কি ৰহস্য সোমাই আছে সেয়া ৰহস্যৰ বিষয়। অখিল গগৈয়ে সংখ্যলঘু অধ্যুষিত আৰু কংগ্ৰেছ আৰু এআইইউডিএফৰ দখলত থকা সমষ্টিত ভোট বিভাজন কৰি বিজেপিক সহায় কৰিব খুজিছে নেকি বুলি ইতিমধ্যে অভিযোগ উঠি আহিছে। উপ-নিৰ্বাচন অনুষ্ঠিত হৈ যোৱা বিহালী বিধানসভা সমষ্টিটো চিপিআইএমএলক এৰি নিদিয়াত কংগ্ৰেছৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰি অখিল গগৈয়ে এই অভিযান ত্বৰান্বিত কৰিছে। বিশেষকৈ কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি গৈছে। বিহালী সমষ্টি এৰি নিদিয়াৰ অছিলাৰে অখিল গগৈয়ে 'একলা চলৌ' নীতি অৱলম্বন কৰি বিজেপিৰ পৰিৱৰ্তে কংগ্ৰেছক ক্ষতি কৰিবলৈ মাইনৰিটি বেল্টত ব্যাপক সভা-সমিতি পাতি যোৱাটো স্পষ্ট হৈ পৰিছে। উত্তৰ অসম, মধ্য অসম আৰু নামনি অসমৰ পিছতে এইবাৰ বৰাকত বিজেপিক লাভান্বিত কৰিবলৈ মাইনৰিটি বেল্টত প্ৰচাৰ চলোৱাত বিভিন্নজনে অখিল গগৈক সন্দেহৰ চকুৰে চাইছে একাংশ লোকে। বিজেপিক সহায় কৰিবলৈ মাইনৰিটি ভোটক বিভাজিত কৰি ২০২৬ চনৰ নিৰ্বাচনত কংগ্ৰেছৰ সমানে সমানে প্ৰাৰ্থী থিয় কৰাবলৈ ব্লুপ্ৰিন্ট ৰচাৰ অভিযোগৰ মাজতে আজি অখিল গগৈৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে আলগাপুৰৰ বিধায়ক নিজামুদ্দিন চৌধুৰীৰ পুত্ৰ ছাদেক আহমদ চৌধুৰীয়ে। এনেকৈয়ে এতিয়া ৰহস্যজনক হৈ পৰিছে অখিল গগৈৰ ভূমিকা।

৬নং পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত আছুৰ পৰিৱেশ সজাগতা

ৰূপায়ন কৰি থকা পৰিলক্ষিত হৈছে। ২৩ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা সপ্তাহজোৰা এই কাৰ্যসূচী বিভিন্ন আঞ্চলিক সমিতিয়ে শিক্ষানুষ্ঠান, ক্লাব, ৰাস উৎসৱস্থলীত ৰূপায়ন কৰি গৈছে। বিশিষ্ট প্ৰকৃতি প্ৰেমিক আমন্ত্ৰণ কৰি পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত ব্যাপক প্ৰচাৰ কৰি থকা পৰিলক্ষিত হৈছে। ঠায়ে ঠায়ে বাটৰ নাট, পথসভা, ৰং তুলিকাৰে ছবি অংকন, সজাগতা সভা, সজাগতা ৰেলী, চিত্ৰাংকন, আলোচনা চক্ৰ অনুষ্ঠিত কৰি গৈছে। আজি গুৱাহাটীতো এই কাৰ্যসূচী পালন কৰা হয়। গুৱাহাটী মহানগৰীৰ কেইবাখনো আগশাৰীৰ মহাবিদ্যালয়ত আজি সদৌ গুৱাহাটী ছাত্ৰ সন্থাই পৰিৱেশ আৰু জলবায়ু সজাগতা সপ্তাহ উদযাপন কৰে। বাটৰ নাট অনুষ্ঠিত কৰি পৰিৱেশ আৰু জলবায়ু সম্পৰ্কে সজাগতা সৃষ্টি কৰি ফ্লাই অভাৰ নিৰ্মাণৰ নামত প্ৰকৃতি ধ্বংস কৰিব দিয়া নহ'ব বুলি সমস্বৰে ধ্বনি দিয়া পৰিলক্ষিত হয়। বাটৰ নাটত জান, জুৰি নৈ, নিজৰা ধ্বংস নকৰিবলৈ কোৱা হয়। বাটৰ নাটৰ সংলাপত কোৱা হয় যে আমাক প্ৰকৃতিৰ আশ্ৰয় লাগে। প্ৰকৃতি আমাৰ লালন-পালন কৰ্তা। আমাৰ প্ৰাণ ৰক্ষা কৰ্তা। এই প্ৰকৃতিক আজি আমি কাটিব ধৰিছো। আমাৰ নিজৰ উশাহ আজি আমি নিজেই কাঢ়ি নিছো বুলি কৈ গছ কটা বন্ধ কৰক শ্ল'গান দি বাটৰ নাটৰ সামৰণি মাৰে। বাটৰ নাটক চাবলৈ বহু লোকে সমৱেত হয়। আছুৰ এনে পদক্ষেপৰ শলাগ লৈছে একাংশ সচেতন লোকে। ২৩ নৱেম্বৰৰ পৰা ৭দিনীয়াকৈ পৰিৱেশ-জলবায়ু সজাগতা সপ্তাহ পালন কৰাৰ সিদ্ধান্ত লৈছিল আছুৱে। ২৩ নৱেম্বৰৰ পৰা ৩০ নৱেম্বৰলৈ সমূহ আঞ্চলিকে পৰিৱেশ-জলবায়ু সজাগতা সপ্তাহ আদি একাধিক কাৰ্যসূচী ৰূপায়ণ কৰি যাব।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223



মুছলপুৰত সদৌ মদাহি-কছাৰী জনগোষ্ঠী ছাত্ৰ সন্থাৰ ন-খোৱা উৎসৱত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো

## পাঠশালাৰ পিছত এইবাৰ নগাঁও বাইপাছত বিপদত অভিনেত্ৰী

# অমৃতাৰ সৈতে আকৌ অবাঞ্চিত কাণ্ড!

**ই-সংবাদ, ২৫ নৱেম্বৰঃ** বাৰে বাৰে হোটেল, লজত একেই কাণ্ড সংঘটিত হৈ আহিছে অভিনেত্ৰী অমৃতা গগৈৰে সৈতে। ৫ বছৰ পূৰ্বে থিয়েটাৰত কাম কৰাৰ সময়ত পাঠশালাৰ এখন লজত সংঘটিত হোৱাৰ দৰেই অমৃত গগৈৰ সৈতে একেই ঘটনা সংঘটিত হৈছে। প্ৰায় এমাহৰ বাবে নামনি অসমৰ পাঠশালাত লজৰ কোঠাত থকাৰ সময়তে এদিন পুৱা প্ৰায় ৭ বাজি ৩০ মিনিটত এজন ল'ৰাই বাথৰুমত শেষাংশ ১০ পৃষ্ঠাত

# মাজুলীৰ ৰাসৰ প্ৰেমত পৰিল মেক্সিকোৰ ২৫ বছৰীয়া গাভৰু

## সুমধুৰ বংশীৰ ধ্বনিয়ে আমনি কৰিছে কাতিয়াক

**ই-সংবাদ, মাজুলী, ২৫ নৱেম্বৰঃ** শৰতৰ এই মধুময় সময়ত মাজুলীলৈ আগমন ঘটা প্ৰতিজন দেশি-বিদেশী পৰ্যটকৰে মন-প্ৰাণ উতনুৱা হৈ পৰে। ৰাসোৎসৱৰ সময়ত মাজুলীলৈ অহা সকলোৰে মন শ্ৰীকৃষ্ণৰ বাঁহীৰ অমিয়া সুৰে যেন পুলকিত কৰি তোলে। সকলোৰে মুখত লাগি থাকে ৰাসৰ সুমধুৰ সংগীতৰ অমিয়া সুৰ। মাজুলীৰ জিয়ৰী-বোৱাৰী সকলোৰে এতিয়া ভাত ৰান্ধোতে, ঘৰ-চোতাল সাৰোতে, আঘোণৰ ব্যস্ত ৰূপোৱালী পথাৰতো গুণগুণাই থাকে ৰাসলীলাৰ এই সুন্দৰ গীতৰ সুৰ। এই অভ্যাসৰ শেষাংশ ৯ পৃষ্ঠাত

# চৰাইদেউ মৈদামত অনুষ্ঠিত বিশ্ব ঐতিহ্য সপ্তাহৰ সামৰণি

**ই-সংবাদ, সোণাৰি, ২৫ নৱেম্বৰঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদামত ১৯ নৱেম্বৰৰ পৰা অনুষ্ঠিত হোৱা বিশ্ব ঐতিহ্য সপ্তাহৰ সামৰণি অনুষ্ঠানটি আজি সম্পন্ন হয়। চৰাইদেউ মৈদাম ক্ষেত্ৰৰ পৰ্যটন তথ্য কেন্দ্ৰত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত অসম চৰকাৰৰ মন্ত্ৰী শেষাংশ ৮ পৃষ্ঠাত




চৰাইদেউ মৈদামত অনুষ্ঠিত বিশ্ব ঐতিহ্য সপ্তাহৰ সামৰণি অনুষ্ঠান

# হাগ্ৰামা মহিলাৰীৰ যাদুৰ লাঠিৰ এতিয়া কাম নাই, প্ৰমোদ বড়োৰ বিশেষ দাবী

**ই-সংবাদ, মুছলপুৰ, ২৫ নৱেম্বৰঃ** কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে যিদৰে স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে সকলো কাম সম্পাদন কৰিব ধৰিছে ঠিক একেদৰে বিটিআৰতো সকলো এশ শতাংশই স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে হ'ব। ঘোচ দিয়া-লোৱা শেষাংশ ৮ পৃষ্ঠাত

# গুৱাহাটীত আছুৰ পৰিৱেশ সজাগতা

**ই-সংবাদ, ২৫ নৱেম্বৰঃ** ৮ অক্টোবৰত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাই লোৱা সিদ্ধান্ত অনুসৰি সদৌ অসম ছাত্ৰ সন্থাৰ বিভিন্ন আঞ্চলিক সমিতিয়ে পৰিৱেশ আৰু জলবায়ু সজাগতা সন্দৰ্ভত বিশেষ কাৰ্যসূচী শেষাংশ ৫ পৃষ্ঠাত

# বিধায়ক জাকিৰ হুছেইন লস্কৰক নিলম্বন

**ই-সংবাদ, ২৫ নৱেম্বৰঃ** সংখ্যালঘুৰ নামত ৰাজনীতি কৰা বদৰুদ্দিন আজমলে ধুবুৰী সংসদীয় সমষ্টিত বেয়াকৈ পৰাজিত হোৱাৰ পিছতে এআইইউডিএফ দল চম্ভালিব পৰা নাই বুলি অভিযোগ উঠি আহিছে। বিগত কেইবাটাও বছৰ ধৰি বদৰুদ্দিন আজমলে দলটোক সংখ্যালঘু ভোট বিভাজনৰ বাবে ব্যৱহাৰ কৰি বিজেপিক শেষাংশ ১০ পৃষ্ঠাত

# মুখ্যমন্ত্ৰীক সাক্ষাৎ বিধায়িকা দিপ্তীময়ীৰ

**ই-সংবাদ, ২৫ নৱেম্বৰঃ** ২৩ নৱেম্বৰত বঙাইগাঁও সমষ্টিত বিধায়িকা নিৰ্বাচিত অগপৰ বিধায়িকা দিপ্তীময়ী চৌধুৰীয়ে প্ৰায় দুমাহ একেৰাহে বঙাইগাঁৱৰ ঘৰত বাহৰ পাতি আছিল যদিও শেষাংশ ৮ পৃষ্ঠাত

# ৰহমৰীয়াত শ্বহীদৰ স্মৃতিত বেদী নিৰ্মাণ বিধায়ক পোনাকণৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৫ নৱেম্বৰঃ** হিন্দুত্ববাদৰ ৰাজনীতিয়ে অসমৰ ৰাজনীতিক গোগ্ৰাসে গিলি পেলাইছে। হিন্দুত্ববাদৰ ৰাজনীতিত জাহ গৈছে বহু নেতা আৰু বিধায়ক। কিন্তু তাৰ মাজতে আজিও জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদ এৰা নাই কেইজনমান নেতা তথা বিধায়কে। ইয়াৰ ভিতৰত অন্যতম হৈছে উজনি অসমৰ ডিব্ৰুগড় জিলাৰ চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা। অসমৰ নেতাৰ মুখত এতিয়া ধৰ্ম



বিশেষক টাৰ্গেট কৰি লৈ ঘৃণা, বৈষম্য আৰু সাম্প্ৰদায়িক ভাষণ দি ৰাজ্যৰ মানুহৰ মাজৰ পৰা আঞ্চলিকতাবাদৰ ৰাজনীতি নিঃশেষ কৰিবলৈ প্ৰয়াস কৰাৰ সময়তে থলগিৰিৰ স্বাভিমানক লৈ ৰাজনীতি শেষাংশ ৯ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...


# মাজুলীত জুবিনক লাগে 'ডাঙৰীয়াসকলক'

-জনগোষ্ঠীৰ লোকৰ জীৱন ধাৰণ প্ৰণালীক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় মঞ্চত পৰিচয় কৰাই দিয়াৰ প্ৰয়াস কৰাৰ উদ্দেশ্যৰেই প্ৰতিবছৰে অনুষ্ঠিত হৈ অহা মাজুলী মিউজিক ফেষ্টিভেল কালি নিশা জুবিন গাৰ্গৰ সংগীতানুষ্ঠানেৰে অন্ত পৰে। যোৱা ২২ নৱেম্বৰৰ পৰা অনুষ্ঠিত হোৱা পঞ্চম মাজুলী সংগীত মহোৎসৱৰ আটাইকেইটা দিনতে অসম ভিত্তিত মিছিং গোমৰাগ নৃত্যৰ প্ৰতিযোগিতাৰ লগতে মহোৎসৱটিৰ লগত সংগতি ৰাখি গ্ৰাম্য অৰ্থনীতিৰ ভেটি মজবুত কৰাৰ উদ্দেশ্যে বিভিন্ন জনগোষ্ঠীয় ক্ৰমে মিছিং, দেউৰী, সোণোৱাল কছাৰী আদিৰ খাদ্য মেলা, প্ৰদৰ্শনী মেলা তথা বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাও অনুষ্ঠিত হয়। ইফালে, এইবাৰৰ সংগীত মহোৎসৱত দেশৰ বিভিন্ন আগশাৰীৰ সংগীতৰ বেণ্ডে অনুষ্ঠান পৰিৱেশন কৰে। সেই অনুসৰি মুখুৰি, ইএল দ'ৰাড, দ্যা' বাটাৰফ্লাই ইফেক্ট ইণ্ডিয়া, দ্যা' গ্লুটনছ, আবুটুনটুৰাং, অম্বৰা, ঘাৰানা ফিউজন, মিৰি দ্যা বেণ্ড আদিৰ লগতে সংগীতশিল্পী প্ৰাণজিৎ ভুঞা, তন্ময় শৰ্মা, প্ৰীতিশ বৰা আদিয়েও অনুষ্ঠান পৰিৱেশন কৰে। ইফালে, কালি নিশা মাজুলী সংগীত মহোৎসৱত গীত পৰিৱেশন কৰে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গে। প্ৰথমে 'তুমি যেন এটি পপীয়া তৰা আকাশৰ বোৱতী নৈ...' শীৰ্ষক গীতেৰে নিজৰ সংগীতানুষ্ঠান আৰম্ভ কৰা জুবিন গাৰ্গে মাজুলী সংগীত মহোৎসৱৰ জৰিয়তে সংগীত জগতত খোজ পেলাব খোজাসকলৰ বাবে এটা মঞ্চ দিয়াৰ প্ৰয়াসৰ শলাগ লয়। ইফালে ইটোৰ পাছত সিটো জনপ্ৰিয় গীত পৰিৱেশনৰ পিছতেই জুবিন গাৰ্গে স্বভাৱসুলভভাৱে কৈ উঠিল 'আজি ডাঙৰীয়াসকল অহা নাই নেকি... মেইন ডাঙৰীয়াজন আহিলে ভয় খায় বুলি উল্লেখ কৰি জনপ্ৰিয় 'মাজুলীত এজনী ছোৱালীয়ে দুখ পালে...' শীৰ্ষক গীত পৰিৱেশন কৰি অনুষ্ঠান সামৰে। অৱশ্যে অতি শান্ত সমাহিতভাৱেৰে গীত পৰিৱেশৰ অন্তত জুবিন গাৰ্গে 'ডাঙৰীয়াসকল' বুলি কাক উদ্দেশ্যি ক'ব খুজিলে সেয়া স্পষ্ট নহ'ল যদিও ডাঙৰীয়া বুলি ক'লে স'ততে নেদেখাজনক বা ঈশ্বৰ তথা প্ৰভুৰ দৰে পূজ্য জ্ঞান কৰা মহান ব্যক্তিক কোৱা হয় বুলি সাধাৰণতে ভবা হয়। ইফালে জুবিন গাৰ্গৰ উক্ত 'ডাঙৰীয়া' শব্দই এতিয়া পুনৰ মাজুলীত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গে কাক উদ্দেশ্যি এই কথা উল্লেখ কৰিলে বুলি প্ৰশ্ন উত্থাপন হৈছে। উল্লেখ্য যে যোৱা ব'হাগৰ সাংস্কৃতিক অনুষ্ঠানত মাজুলীৰ গড়মূৰত জুবিন গাৰ্গে প্ৰভু ঈশ্বৰ শব্দক লৈ কৰা এক মন্তব্যত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ইফালে জেংৰাইমুখৰ খেৰকটীয়াৰ পাৰত অনুষ্ঠিত সংগীত মহোৎসৱৰ বাবে এইবাৰৰ প্ৰশাসনে বিভিন্ন কঠোৰ নীতি নিয়ম বান্ধি অনুষ্ঠানৰ অনুমতি প্ৰদান কৰিছিল। সেই অনুসৰি মহোৎসৱ স্থলীত জনগোষ্ঠীয় খাদ্য মেলা, প্ৰদৰ্শনী মেলাত কেৱল মাথোঁ জনগোষ্ঠীয় খাদ্য সম্ভাৰহে উপলব্ধ কৰিব পাৰিব বুলি কোৱাৰ পিছতো অধিকাংশ জনগোষ্ঠীয় খাদ্য সম্ভাৰৰ বিপণীত অবৈধ বিলাতী সুৰাৰ মুকলি বেহা চলাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জনগোষ্ঠীয় পানীয় উপলব্ধ হোৱাত কোনো বাধা নাছিল যদিও বিয়েৰ, দামী দামী ব্ৰেণ্ডৰ সুৰাও বিপণীসমূহত উপলব্ধ হোৱাৰ লগতে মুকলিকৈ ৰাজপত্ৰিত বিষয়া পৰ্যায়ৰ লোকে মহোৎসৱস্থলীত সুৰা সেৱন কৰাৰ দৃষ্টিকটু দৃশ্যই এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। খোদ এগৰাকী ৰাজপত্ৰিত বিষয়া পৰ্যায়ৰ লোকে যদি মুকলিকৈ মহোৎসৱস্থলীত সুৰা সেৱন কৰি নিজে বনোৱা নিয়ম উলংঘা কৰিব পাৰে তেনে ক্ষেত্ৰত অনাগত দিনত পৱিত্ৰ ভূমি মাজুলীৰ পৱিত্ৰতা ৰক্ষাৰ ক্ষেত্ৰত বৰমূৰীয়াসকলৰ ওপৰত ৰাইজে কিদৰে ভৰসা কৰিব বুলিও প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে যোৱা বৰ্ষৰ মাজুলী সংগীত মহোৎসৱ লখিমপুৰ মাজুলীৰ সীমামুৰীয়া অঞ্চলত অনুষ্ঠিত কৰি আমেৰিকাৰ বহু নামী-দামী সুৰাৰ ব্ৰেণ্ডৰ পৃষ্ঠপোষকতা লৈ সংগীত মহোৎসৱটো আয়োজন কৰাৰ লগতে মহোৎসৱত নামী-দামী সুৰাৰ বিপণী স্থাপন কৰি একপ্ৰকাৰে মাজুলী নামৰ সংগীত মহোৎসৱটোত সুৰাৰ বন্যা বোৱা বুলি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। যাৰ পৰিপ্ৰেক্ষিতত মাজুলী মিউজিক ফেষ্টিভেলৰ অনুমতিৰ ক্ষেত্ৰত জিলা প্ৰশাসন কঠোৰ হোৱাৰ ইংগিত দিছিল যদিও প্ৰশাসনে অৱশেষত অনুমতি প্ৰদান কৰিছিল। কিন্তু এইবাৰো জনগোষ্ঠীয় খাদ্য সম্ভাৰৰ আলম লৈ পুনৰ মহোৎসৱটোত সুৰাৰ মুকলি বেহা চলাৰ গুৰুতৰ অভিযোগ উত্থাপিত হোৱাত এতিয়া পুনৰ বিষয়টোক লৈ চৰ্চা চলা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিষেধাজ্ঞা আকৌ বাঢ়িল

জাৰি হৈ থকা নিষেধাজ্ঞা কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে আৰু ৫ বছৰৰ বাবে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বৃদ্ধি কৰিছে। সোমবাৰে গৃহ মন্ত্ৰালয়ে জাৰি কৰা এক জাননীত উল্লেখ কৰে যে, কেন্দ্ৰীয় চৰকাৰে ২০২৪ ৰ ২৭ নৱেম্বৰৰ পৰা তাৎক্ষণিকভাৱে পুনৰ ৫ বছৰৰ বাবে ইউনাইটেড লিবাৰেচন ফ্ৰন্ট অৱ অসম (আলফা)ৰ ওপৰত নিষেধাজ্ঞা বৃদ্ধি কৰিছে। ভাৰতৰ পৰা অসম ৰাজ্যক পৃথক কৰাৰ উদ্দেশ্য ঘোষণা কৰা, তেওঁলোকৰ সংগঠনৰ বাবে অহৰহ ভাবুকি আৰু ধন দাবী কৰা আৰু ধন দাবীৰ বাবে আন বিদ্ৰোহী গোটৰ সৈতে সম্পৰ্ক বজাই ৰখাৰ কথা বিবেচনা কৰি এই নিষেধাজ্ঞা বৃদ্ধি কৰাৰ কথাও জাননীখনত উল্লেখ কৰা হৈছে। জাননীত আৰু উল্লেখ কৰা হৈছে যে আলফা স্বাধীনৰ হাতত অবৈধ অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ আছে আৰু ২০১৯ৰ ২৭ নৱেম্বৰৰ পৰা ২০২৪ৰ ১ জুলাইলৈ কেবাটাও বিস্ফোৰণ বা বিস্ফোৰক সংস্থাপনৰ ঘটনাকে ধৰি যোল্লটা অপৰাধমূলক গোচৰত লিপ্ত হৈছে। উল্লেখ্য যে, সংগঠনটোৱে এই বছৰ সমগ্ৰ অসমত স্বাধীনতা দিৱসৰ আগলৈকে কেইবাটাও ইম্প্ৰুভাইজড বিস্ফোৰক সঁজুলি বা বিস্ফোৰক স্থাপন কৰা বুলি দাবী কৰিছিল। জাননীখনত পুনৰ উল্লেখ কৰা হৈছে যে আৰক্ষী বা নিৰাপত্তা বাহিনীৰ পদক্ষেপত ৩ জন দুৰ্ধৰ্ষ কেডাৰক হত্যা কৰা, কেডাৰৰ বিৰুদ্ধে ৩খন অভিযোগপত্ৰ দাখিল কৰা, ১৫ টা গোচৰ পঞ্জীয়ন কৰা আৰু ২০১৯-ৰ ২৭ নৱেম্বৰৰ পৰা ১ জুলাই ২০২৪-ৰ ভিতৰত তিনিজন কেডাৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা আৰু আন ২৭ টা অপৰাধমূলক কাৰ্যকলাপত জড়িত থকাৰ সৈতে আলফা স্বাধীন জড়িত আছিল। ইয়াত উল্লেখ কৰা হৈছে যে অসম চৰকাৰে বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৬৭ (১৯৬৭ৰ ৩৭)ৰ অধীনত আলফাক বে-আইনী সংগঠন হিচাপে ঘোষণা কৰাৰ বাবেও পৰামৰ্শ দিছে। কেন্দ্ৰীয় চৰকাৰে আলফাৰ ওপৰোক্ত কাৰ্যকলাপবোৰ ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ বাবে ক্ষতিকাৰক বুলিও জাননীখনত উল্লেখ কৰা হৈছে। যদি এইবোৰ তৎক্ষণাৎ নিয়ন্ত্ৰণ কৰা নহয় তেন্তে আলফাই পুনৰ সংগঠিত হৈ কেডাৰৰ সংখ্যা বৃদ্ধি কৰি অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰিব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে গৃহ মন্ত্ৰণালয়ে।



মিকিৰভেটাত সমাজকৰ্মী-অৱসৰপ্ৰাপ্ত শিক্ষক ৰাতুল কটকীৰ স্মৃতিচাৰণ-স্মাৰক গ্ৰন্থ উন্মোচনৰ এটি মুহূৰ্ত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সমাজবাদ, ধৰ্মনিৰপেক্ষতা ভাৰতীয়

কুমাৰৰ খণ্ড বিচাৰপীঠে আজি সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতা ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ অন্যতম পৰিকাঠামো বুলি উল্লেখ কৰে। বিজেপিৰ সাংসদ সুব্ৰমণিয়াম স্বামী আৰু বলোৰাম সিংহ নামৰ এজন লোকে ২০২০ চনত দেশৰ উচ্চতম ন্যায়ালয়ত ভাৰতৰ সংবিধানৰ পৰা সমাজতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ শব্দ দুটা কৰ্তন কৰিবৰ বাবে আবেদন জনাইছিল। তেওঁলোকে যুক্তি প্ৰদৰ্শন কৰিছিল যে এই শব্দ দুটা প্ৰথম অৱস্থাত সংবিধানৰ প্ৰস্তাৱনাত নাছিল আৰু সংবিধানৰ ৪২সংখ্যক সংশোধনত সাৰ্বভৌম আৰু প্ৰজাতন্ত্ৰৰ লগত ধৰ্মনিৰপেক্ষ আৰু সমাজতান্ত্ৰিক শব্দ দুটা নতুনকৈ সংযোজন কৰা হৈছিল। ১৯৭৬ চনত দেশৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ধৰ্মনিৰপেক্ষ আৰু সমাজতান্ত্ৰিক শব্দ দুটা নতুনকৈ সংযোজন কৰি সংবিধানৰ প্ৰস্তাৱনাৰ ভেটিত এক অস্থিৰতা অনা বুলি এই দুজন আবেদনকাৰীয়ে অভিযোগ কৰাৰ পিছত ২০২৪ চনত অশ্বিনী উপাধ্যায় নামৰ আন এজন হিন্দুত্ববাদী নেতাই ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ পৰা সমাজবাদ আৰু ধৰ্মনিৰপেক্ষ শব্দ দুটা কৰ্তন কৰিব লাগে এইবাবেই যে ভাৰতবৰ্ষ পূৰ্বতে হিন্দু-মুছলমানৰ নামত বিভাজন হৈছিল। পাকিস্তানৰ সংবিধানত এই শব্দ দুটা নাই বুলিও তেওঁলোকে যুক্তি প্ৰদৰ্শন কৰিছিল। কিন্তু ভাৰতীয় উচ্চতম ন্যায়ালয়ে সমগ্ৰ দিশ পৰ্যালোচনা কৰি, লগতে ১৯৯৪ চনৰ এম আৰ বোমাইৰ এক ৰায়দানৰ প্ৰসংগ উত্থাপন কৰি ধৰ্মনিৰপেক্ষ আৰু সমাজবাদ শব্দৰ অন্তৰ্ভুক্তিয়ে ভাৰতীয় সংবিধানৰ গৰিমাত কোনো আঘাত হনা নাই বুলি এক ঐতিহাসিক ৰায়দান কৰে। ইয়াৰ লগে লগে হিন্দুত্ববাদী ভাৰতীয় নেতাসকলৰ ভাৰতক এখন হিন্দুৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ সপোন থানবান হ'ল। মোদীৰ নেতৃত্বৰ চৰকাৰে পূৰ্বৰ জৱাহৰলাল নেহৰু অথবা ইন্দিৰা গান্ধীৰ চৰকাৰৰ দিনত হিন্দু-মুছলমান উভয়ৰে মংগল হ'ব পৰা ধৰ্মনিৰপেক্ষ আঁচনিসমূহ তছনছ কৰিবৰ বাবে দীৰ্ঘদিনৰে পৰা চেষ্টা অব্যাহত ৰাখিছে। আৰএছএছৰ পৰিকল্পনা আৰু শ্ৰুতলিপি মতে মোদী-অমিত শ্বাহে ভাৰতক এখন হিন্দু ৰাষ্ট্ৰ কৰাৰ যি পৰিকল্পনা কৰিছিল, দেশৰ উচ্চতম ন্যায়ালয়ে আজি সেই পৰিকল্পনা একপ্ৰকাৰ মষিমূৰ কৰে। উল্লেখ্য যে, শ্বেখ হাছিনাৰ চৰকাৰৰ পতনৰ পিছত বাংলাদেশতো একাংশ মৌলবাদীয়ে দেশৰ সংবিধান সংশোধনৰ প্ৰস্তাৱ উত্থাপন কৰি ধৰ্মনিৰপেক্ষ শব্দটো প্ৰত্যাহাৰৰ দাবী জনাই আহিছে। ভাৰতৰ উচ্চতম ন্যায়ালয়ে আজি দিয়া ৰায়দানৰ পিছত বাংলাদেশ উচ্চতম ন্যায়ালয়ে কি ৰায় দিয়ে সেয়া তাৎপৰ্যপূৰ্ণ হ'ব।

■ ৬নং পৃষ্ঠাৰ পৰা...

# হাগ্ৰামা মহিলাৰীৰ যাদুৰ লাঠিৰ এতিয়া

প্ৰক্ৰিয়াৰ এতিয়া অৱসান ঘটিছে, কোনোবাই ঘোচ ল'লে জেললৈ যাবলগীয়া হ'ব। বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী বকুৱাত অনুষ্ঠিত সদৌ মদাহি-কছাৰী জনগোষ্ঠী ছাত্ৰ সন্থাৰ বৰমানী পূজা আৰু ন-খোৱা উৎসৱত উপস্থিত থাকি এইদৰে মন্তব্য কৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। তেওঁ লগতে কয় যে, প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ লেখীয়া স্বচ্ছ আৰু নিকা আমিও বিচাৰো গতিকে চাকৰিকে ধৰি সকলো কাম-কাজ স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে হ'ব। ইফালে মদাহি জনগোষ্ঠীৰ সৰ্বাংগীন উন্নতিৰ বাবে প্ৰচেষ্টা হাতত লোৱা হ'ব বুলি মন্তব্য কৰি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য গৰাকীয়ে কয় যে, আগন্তুক সময়ত বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক্ষেত্ৰত মদাহি জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণৰ বাবে বিশেষ সুবিধা লাভ কৰিব। হাগ্ৰামা মহিলাৰী সন্দৰ্ভতো মন্তব্য কৰি তেওঁ কয় যে, হাগ্ৰামা মহিলাৰীৰ যাদুৰ লাঠিৰ এতিয়া কাম নাই, তেওঁৰ যাদুৰ লাঠি ভাঙি গৈছে। যোৱা সোতৰ বছৰত হাগ্ৰামা মহিলাৰীয়ে বিভিন্ন কথাৰে ৰাইজক বিপথে পৰিচালিত কৰিলে, এতিয়া তেওঁৰ কথা কোনেও নুশুনে। আমি বিটিআৰ শিক্ষাৰ পৰা সকলো দিশ সামৰি উন্নয়নমূলক কাম-কাজ কৰিছো, ৰাইজে আমাক আদৰি লৈছে। আনহাতে আগন্তুক পৰিষদীয় নিৰ্বাচনত বিজেপিৰ সৈতে মিত্ৰতা নাথাকিব বুলি কোনো কথা নাই বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে প্ৰমোদ বড়োৱে। উল্লেখ্য যে আজি সদৌ মদাহি-কছাৰী জনগোষ্ঠী ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত মদাহি জনগোষ্ঠীৰ বৰমানী পূজা আৰু ন-খোৱা উৎসৱত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপৰিও, বৰমা সমষ্টিৰ বিধায়ক ভুপেন বড়ো, বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, পাৰিষদ মন্টু বড়োকে ধৰি মদাহি জনগোষ্ঠীৰ লোকসকল উপস্থিত থাকে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# চৰাইদেউ মৈদামত অনুষ্ঠিত বিশ্ব ঐতিহ্য

নন্দিতা গাৰ্লোছা, সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকে। সামৰণি অনুষ্ঠানৰ পূৰ্বে মৈদাম ক্ষেত্ৰৰ সমীপত নিৰ্মাণ কৰা সংগ্ৰহালয়টো উদ্বোধন কৰে খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ (পুৰাতত্ত্ব) মন্ত্ৰী নন্দিতা গাৰ্লোছাই। আন্তঃগাথনি উন্নয়নৰ সময়ত মৈদাম খনন কৰোঁতে উদ্ধাৰ হোৱা আহোম ৰাজত্বকালৰ বিভিন্ন সমল আৰু তথ্য সমৃদ্ধ বহুতো ভাস্কৰ্য এই সংগ্ৰহালয়টোত পৰিদৰ্শন কৰিবলৈ সক্ষম হ'ব পৰ্যটকসকলে। চৰাইদেউ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ পৰ্যটন তথ্য কেন্দ্ৰত সামৰণি অনুষ্ঠানৰ জৰিয়তে অসমৰ পুৰাতত্ত্ব সঞ্চালকালয়ে ২০২৪ চনৰ বিশ্ব ঐতিহ্য সপ্তাহৰ সফলতাৰে সামৰণি মাৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰাৰ লগতে বিশ্ব ঐতিহ্য সপ্তাহৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ কৰে। সামৰণি অনুষ্ঠানত জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ লগতে আন উল্লেখযোগ্য উপস্থিতসকলৰ ভিতৰত আছিল সাংস্কৃতিক বিশেষজ্ঞ ড০ কিষাণচান্দ নৌৰিয়েল, সমাজকৰ্মী ৰোহিনী মোহন, স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিৰ সম্পাদক অতুল ৰাজকোঁৱৰ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ললিত গগৈ, চৰাইদেউ জিলা প্ৰশাসন আৰু পৰ্যটন বিভাগৰ বিষয়ববীয়াসকলৰ লগতে স্থানীয় লোকসকল। আনহাতে, ছশ বছৰীয়া আহোম ৰাজত্বকালৰ গৌৰৱময় ঐতিহ্য বহনকাৰী চৰাইদেউ মৈদাম ক্ষেত্ৰই বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভৰ জৰিয়তে অঞ্চলটোত এতিয়া উন্নয়ন তথা পৰ্যটনৰ বিকাশ দ্ৰুত হ'ব বুলি মন্তব্য কৰে। উল্লেখ্য যে, স্বীকৃতি লাভৰ পিছতে চৰাইদেউ মৈদামৰ গুৰুত্ব বৃদ্ধি পাইছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীক সাক্ষাৎ বিধায়িকা দিপ্তীময়ীৰ

দুদিন পূৰ্বে পুনৰ গুৱাহাটীলৈ উভতি আহিছে। প্ৰায় ৪০টা বছৰ স্বামী বিধায়ক নিৰ্বাচিত হৈ অহাৰ ফলতে দিছপুৰৰ বিধায়ক আৱাস ঘৰ হৈ পৰা দিপ্তীময়ী চৌধুৰীৰ স্বামী ফণীভূষণ চৌধুৰীয়ে বৰপেটাৰ সাংসদ নিৰ্বাচিত হোৱাত বঙাইগাঁও বিধানসভা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। ব্যাপক দলীয় বিসম্বাদৰ পিছতো অগপই টিকট দিছিল ফণীভূষণ চৌধুৰীৰ পত্নী দিপ্তীময়ী চৌধুৰীক। উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিপুল ভোটত জয়ী হৈ গুৱাহাটীলৈ উভতি আহিয়েই আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে দিপ্তীময়ী চৌধুৰীয়ে। মুখ্যমন্ত্ৰীক আজি পুৱাই চৰকাৰী আৱাসত সাক্ষাৎ কৰি সমষ্টিৰ উন্নয়ন বিষয়ক লৈ আলোচনা কৰিছে। মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনত সহায়-সহযোগিতা কৰাত ফুলাম গামোচাৰে পিন্ধাই আদৰণি জনাইছে বিধায়িকাগৰাকীয়ে। সমষ্টিৰ উন্নয়নৰ কাম কৰি যোৱা বুলি স্পষ্ট কৰে নৱনিৰ্বাচিত চৌধুৰীয়ে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

৬নং পৃষ্ঠাৰ পৰা...

# ৰহমৰীয়াত শ্বহীদৰ স্মৃতিত বেদী নিৰ্মাণ

কৰিছে একালৰ সদৌ অসম ছাত্ৰ সন্থাৰ নেতা পোনাকণ বৰুৱাই। জেপৰ ধন খৰছ কৰি দেওবাৰে অসম আন্দোলনৰ শ্বহীদৰ নামত নিৰ্মাণ কৰা শ্বহীদ বেদী মুকলি কৰে বিধায়ক বৰুৱাই। অসমত জাতীয়তাবাদী আৰু আঞ্চলিকতাবাদী ৰাজনীতি কৰা চাবুৱা সমষ্টিৰ বিধায়কগৰাকীয়ে লাহোৱাল সমষ্টিৰ ৰহমৰীয়াত অসম আন্দোলনৰ শ্বহীদ গোপেন বৰুৱা আৰু নিবাৰণ গোহাঁইৰ স্মৃতিত নিৰ্মাণ কৰা শ্বহীদ বেদী উন্মোচন কৰে। লাহোৱাল সমষ্টিৰ ৰহমৰীয়াৰ কোঁৱৰ গাঁও খেলপথাৰত পাৰিজাত যুৱ সংঘৰ সহযোগত নিৰ্মাণ কৰা শ্বহীদ বেদী আজি উন্মোচন কৰি বৰুৱাই কয় যে ১৯৭৯ চনৰ পৰ অসম আন্দোলন আৰম্ভ হৈছিল। ১৯৮৩ চন অসমৰ বাবে বিভীষিকাৰ বছৰ আছিল। এই আন্দোলনত অসমক ভালপোৱা প্ৰতিজন অসমীয়া, জাতি-জনগোষ্ঠীয়ে অংশগ্ৰহণ কৰিছিল। আন্দোলনক কংগ্ৰেছ দলৰ চৰকাৰে বৰ্বৰভাৱে দমন কৰিছিল আৰু নিপীড়ন কৰিছিল। ৮৬০ জন লোক শ্বহীদ হৈছিল। সেই সময়ত ৰহমৰীয়াৰ দুজন লোক শ্বহীদ হৈছিল। ১৯৮৩ চনৰ ১৩ ফেব্ৰুৱাৰীত সেইসময়ৰ চৰকাৰে জাপি দিয়া অবৈধ নিৰ্বাচন ওফৰাবলৈ যোৱা গোপেন বৰুৱা আৰু নিবাৰণ গোহাঁইক চিআৰপিএফে গুলীয়াই মাৰিছিল। সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে শ্বহীদ ঘোষণা কৰা দুই শ্বহীদক ৰাইজে স্মৰণ কৰি আহিছে। শ্বহীদৰ তালিকাত তেওঁলোকৰ নাম আছে। ৰহমৰীয়াবাসী আঞ্চলিকতাবাদী। ৰহমৰীয়াবাসী ৰাইজে শ্বহীদৰ ত্যাগক মহত্ব দিয়ে। লগতে বিধায়কগৰাকীয়ে ভাষণত আৰু কয় যে অসম আন্দোলন এতিয়া অতীত হ'ব পাৰে, কিন্তু এই আন্দোলন কঢ়িয়াই অনা অসমৰ জাতীয়তাবাদী ভাৱধাৰা জীয়াই থকাৰ মূলতে হ'ল মহান আত্মবলিদান। সেই সময়ৰ তদানীন্তন চৰকাৰৰ উৎপীড়নমূলক তথা দমনমূলক স্থিতিয়েও অসমৰ ৰাইজৰ জাতীয়তাবাদী, আঞ্চলিক ভাৱধাৰাক বশীভূত তথা নিঃশেষ কৰিব নোৱাৰিলে। কিমান পৰিয়ালৰ যুৱকক চিআৰপিএফে গুলীয়াই হত্যা কৰিলে তাৰ হিচাপ নাই। অসম আন্দোলনৰ এনে এক বিভীষিকাময় ভয়াৱহ সময়ত যেতিয়া অসমত অবৈধ নিৰ্বাচনৰ জাপি দিয়া হৈছিল। সেইসময়ত অসমত বিদেশী বহিস্কাৰ আন্দোলনে সৰ্বাত্মক ৰূপ লৈছিল। সেই সময়ত অসমৰ বিভিন্ন ভিতৰুৱা অঞ্চলৰ লগতে চাবুৱা ৰহমৰীয়াৰ দৰে প্ৰত্যন্ত অঞ্চলতো আন্দোলনৰ ব্যাপক প্ৰভাৱ পৰিছিল। সেই আন্দোলনতেই ৰহমৰীয়াত চিআৰপিএফৰ গুলীত নিহত অসম আন্দোলনৰ শ্বহীদ গোপেন বৰুৱা আৰু নিবাৰণ গোহাঁইৰ স্মৃতি যুগমীয়া কৰিবৰ বাবে ৰাইজে পদক্ষেপ লৈছে। আজি পাৰিজাত যুৱক সংঘৰ উদ্যোগত ৰহমৰীয়া অঞ্চলৰ কোঁৱৰ গাঁৱৰ পাৰিজাত যুৱক সংঘৰ খেলপথাৰত সাংবাদিক প্ৰশান্ত কোঁৱৰে আঁতধৰা শ্বহীদ বেদী উন্মোচন অনুষ্ঠানত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই শ্বহীদ বেদী উন্মোচন কৰে। অগপৰ চাবুৱা সমষ্টিৰ প্ৰাক্তন সভাপতি লাচিত মাউত, গড়পৰা কোঁৱৰ গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক ঘনকান্ত বৰুৱা, অগপৰ চাবুৱা-লাহোৱাল সমষ্টিৰ নেতা নিপুল কোঁৱৰ, শিল্পী পেঞ্চনাৰ হেমন কোঁৱৰৰ লগতে বহুকেইজন অগপ স্থানীয় নেতা কৰ্মী আৰু ৰাইজ উপস্থিত থাকে। একালৰ সদৌ অসম ছাত্ৰ সন্থাৰ নেতা তথা চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই ব্যক্তিগত পুঁজিৰে প্ৰায় ৩ লাখ ৫০ হাজাৰ টকা আৰ্থিক অনুদান প্ৰদান কৰা বুলি জানিব পৰা গৈছে। বিধায়কগৰাকীৰ এনে প্ৰচেষ্টাক অঞ্চলটোৰ ৰাইজে ভূঁয়সী প্ৰশংসা কৰিছে।

৬নং পৃষ্ঠাৰ পৰা...

# মাজুলীৰ ৰাসৰ প্ৰেমত পৰিল মেক্সিকোৰ

সৈতে বৰ্তমান একাত্ম হৈ পৰিছে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ এগৰাকী পৰ্যটক। কাতিয়া নামৰ মেক্সিকৰ এইগৰাকী যুৱতীৰ এতিয়া মাজুলীত ইফালৰ পৰা সিফালে ঘূৰি ফুৰোঁতেও মুখত লাগি থাকে ৰাসলীলাৰ অমিয়া সংগীতৰ সুৰ। ৰাসোৎসৱৰ মাজতে মাজুলীলৈ অহা কাতিয়া এতিয়া মাজুলীৰ প্ৰেমত হাবুডুবু খাইছে, দুদিনৰ বাবে মাজুলী ভ্ৰমণ কৰিবলৈ অহা কতিয়াই এতিয়া ৬ টাকৈ দিনে মাজুলীতে পাৰ কৰিলে। ঈশ্বৰসৃষ্ট মাজুলীৰ বিনন্দীয়া নিৰিবিলি পৰিৱেশৰ মাজত থকা গড়মুৰৰ ৰিভাৰ ৱাইণ্ড কটেʼজত বাহৰ পাতিছে পৰ্যটকগৰাকীয়ে। প্ৰতিদিনাই দৰ্শন কৰিছে ইখনৰ পাছত সিখন ঐতিহ্যমণ্ডিত সত্ৰ। অভিভূত হৈছে মাজুলীৰ নিৰিবিলি আধ্যাত্মিক, প্ৰাকৃতিক পৰিৱেশ, শ্ৰীকৃষ্ণৰ বন্দনা, সত্ৰৰ অমিয়া বৰগীত-ভতিমাৰ সুৰত। সত্ৰীয়া নৃত্য দৰ্শন কৰি এপাক নাচিবলৈও চেষ্টা কৰা পৰিলক্ষিত হয় এই যুৱতীগৰাকীয়ে। পাৰ হৈ যোৱা ৰাসৰ স্মৃতিয়ে তাইক মাজে মাজে দোলা দিয়ে, শ্ৰীকৃষ্ণৰ সুমধুৰ বংশীৰ ধ্বনিয়ে হেনো আমনি কৰিছে কাতিয়াক। নিতৌ লʼজত নিজেই নিজৰ বাবে ভাত ৰান্ধাতো, নিৰৰে বহি থাকোঁতে গুণগুণাই থাকে ৰাসোৎসৱৰ গীত- 'আহা সখি আহা যাওঁ গকুলৰে শ্ৰীকৃষ্ণক নয়ন ভৰি চাওঁ ....'। এতিয়া মধুৰ স্মৃতি বুকত বান্ধি তেওঁ যাব পৰা নাই মাজুলীৰ মোহাচ্ছন্ন পৰিৱেশটো এৰি থৈ। এক কথাত কেৱল তেৱেঁই নহয় মাজুলীলৈ অহা বহু দেশী-বিদেশী পৰ্যটকে মাজুলীৰ সাতামপুৰুষীয়া পৰম্পৰাৰ সমুজ্জ্বল ৰাসোৎসৱ দৰ্শন কৰি আপ্লুত হৈছে। ইফালে, মাজুলীৰ প্ৰেমত পৰা ২৫ বছৰীয়া কাতিয়াক লৈ বিমোৰত পৰিছে মাজুলীৰ লʼজৰ স্বত্বাধিকাৰী অৰূপ শইকীয়াও। দুদিনৰ বাবে থাকিম বুলি লʼজ বুকিং কৰা কাতিয়াই এতিয়া মাজুলীৰ ৰূপ লাৱণ্যত অভিভূত হৈ মাজুলী এৰি যাবলৈয়ে মন নকৰাত আগতীয়া বুকিং থকা পৰ্যটকক লʼজখনৰ স্বত্বাধিকাৰীয়ে বেলেগত ৰাখিব লগা হৈছে। এয়াই হয়তো মাজুলীৰ ঈশ্বৰ প্ৰদত্ত সৌন্দৰ্য! শিতল বায়ু, বিশুদ্ধ পৰিৱেশ, সন্ধিয়া সত্ৰৰ পৰা ভাহি অহা গুৰুজনাৰ বৰগীত, নাম প্ৰসংগৰ তান, কাষৰীয়া মিছিং গাঁৱৰ পৰা বতাহৰ ঢালে ঢালে অহা ঐনিঃতমৰ সুৰ, কেঁচা আপঙৰ গোন্ধ, আঘোণৰ ৰূপোৱালী পথাৰ, পুৱা-গধূলিৰ মাজুলীৰ জলাশয়সমূহত দেশি-বিদেশী পক্ষীৰ জলকেলি, নানা দেশি-বিদেশী বিহংগৰ কলকলনি, যাক পান কৰি হেঁপাহ নপলায় পৰ্যটকৰ আৰু হৈ পৰে আপোনপাহৰা।



লাচিত দিৱসৰ সৈতে সংগতি ৰাখি বিশ্বনাথত যুৱ-ছাত্ৰ পৰিষদৰ ৰক্তদান শিবিৰ, ফটোঃ ই-সংবাদ, বিশ্বনাথ

■ ৬নং পৃষ্ঠাৰ পৰা...

# বিধায়ক জাকিৰ হুছেইন লস্কৰক নিলম্বন

লাভান্বিত কৰি থকাৰ অভিযোগ উঠি আহিছে। অসমীয়া হিন্দু সমাজৰ বিৰুদ্ধে বাৰে বাৰে বিৰূপ মন্তব্য দি অহাত বিজেপিৰ লাভ হৈ আহিছে। বদৰুদ্দিন আজমলে নিজৰ ব্যৱসায়ৰ খাতিৰত বিজেপিক লাভ হ'ব পৰাকৈ কাম-কাজ, মন্তব্য প্ৰদান কৰি অহাৰ অভিযোগৰ মাজতে নিজ দলৰ বিধায়কে একেই অভিযোগ উত্থাপন কৰাত দলৰ পৰা বিধায়কক নিলম্বন কৰিছে আজমলে। খোৰা-কামোৰা, ক্ষমতাক লৈ বিসম্বাদত বিধ্বস্ত এআইইউডিএফ দলৰ প্ৰধান বদৰুদ্দিন আজমলে দলবিৰোধী কাম-কাজত লিপ্ত নেতা-বিধায়কৰ বিৰুদ্ধে কঠোৰ হৈছে। দলৰ সংবিধান বিৰোধী কাম কৰাৰ অভিযোগত দলৰ বিধায়ক জাকিৰ হুছেইন লস্কৰক নিলম্বন কৰিছে বদৰুদ্দিন আজমলে। দল বিৰোধী কামত লিপ্ত থকাৰ অভিযোগত হাইলাকান্দি সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন লস্কৰক নিলম্বন কৰে। জাকিৰ হুছেইন লস্কৰে নিলম্বনৰ পত্ৰ লাভ কৰাৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰি দলটোত কোনো গণতন্ত্ৰ নাই বুলি গুৰুতৰ অভিযোগ আনিছে। বিধায়ক জাকিৰ হুছেইন লস্কৰে কয় যে মই বদৰুদ্দিন আজমলক বিৰোধিতা কৰাৰ বাবেই মোক নিলম্বন কৰিছে। আজমলে দলত একনায়কত্ববাদ চলাই আছে। আজমলে সংখ্যালঘু যুৱকক লৈ দিয়া এক বিবৃতিক লৈ আপত্তি কৰিছিলো। আজমলে কৈছিল যে সংখ্যালঘু যুৱক চোৰ-ডকাইত। ছোৱালী দেখিলে গা গৰম হয়। এই মন্তব্যৰ মই বিৰোধিতা কৰিছিলো। অসমৰ সংখ্যালঘু যুৱকে দুটা দশক ধৰি আজমলক নেতা মানি আহিছে। আজমলে প্ৰতিদান স্বৰূপে এই অভিধা দিছে। অসমৰ মুখ্য সমস্যা হৈছে আজমল। দলটো ধ্বংসৰ মুখ্য মানুহজনেই আজমল। আনহাতে, বদৰুদ্দিন আজমলে জাকিৰ হুছেইন লস্কৰক নিলম্বন কৰি প্ৰতিক্ৰিয়া ব্যক্ত কৰি দলবিৰোধী কাম কৰাৰ বাবে বিধায়ক লস্কৰক নিলম্বন কৰা বুলি কয়। জাকিৰ হুছেইন লস্কৰে হাইলাকান্দিত দল শেষ কৰি দিলে বুলি কয়। চামগুৰি সমষ্টিত ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইন পৰাজিত হোৱাত দুখ প্ৰকাশ কৰে। অখিল গগৈৰ বিৰুদ্ধেও আক্ৰমণাত্মক হয় বদৰুদ্দিন আজমল। অখিল গগৈয়ে হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত কাম কৰি সংখ্যালঘু ভোট বিভাজন কৰিবলৈ কাম কৰি থকা বুলি গুৰুতৰ অভিযোগ আনে আজমলে। আজমলে কয় যে মই বৰ দুখ পাইছে। চামগুৰি সমষ্টিটো মই মোৰ ভতিজাৰ বাবে এৰি দিছিলো। কিন্তু কংগ্ৰেছে ধৰি ৰাখিব নোৱাৰিলে। তাৰ বাবে মই দুখী। মুছলমানক কংগ্ৰেছে ধৰি ৰাখিব পৰা নাই। মুছলমানৰ মাজত কংগ্ৰেছৰ প্ৰভাৱ কমিছে। হিমন্ত বিশ্ব শৰ্মাই অখিল গগৈক লগাই দিছে মুছলমানৰ ভোট ল'বলৈ। ২০২৬ চনত যদি বিজেপিয়ে মুছলমানৰ ভোট ধৰি ৰাখিবলৈ সক্ষম হয়, তেন্তে কংগ্ৰেছৰ ভৱিষ্যত অন্ধকাৰ। মৰম সন্মান পালে মুছলমান বিজেপিলৈ যাবই। অখিল গগৈয়ে ১২৬ খন আসনত খেলাৰ কথা কৈ আছে। অখিল গগৈয়ে এআইইউডিএফৰ স্থান ল'বলৈ প্ৰয়াস কৰি আছে। মুখ্যমন্ত্ৰীয়ে অখিলক সেই ঠাই ল'বলৈ কৈ আছে। এতিয়া আমি শুই আছো। কিন্তু টাইগাৰ অভি জিন্দা হ্যে। যেতিয়া সাৰ পাব তেতিয়া ধৰি খাই পেলাব বুলি মন্তব্য কৰে আজমলে। এনেদৰে এতিয়া অখিল গগৈ আৰু বিজেপিৰ বিৰুদ্ধে সৰৱ হৈ পৰা দেখা যায় এআইইউডিএফ প্ৰধান আজমলক।

■ ৬নং পৃষ্ঠাৰ পৰা...

# অমৃতাৰ সৈতে আকৌ অবাঞ্চিত কাণ্ড!

খিৰিকিৰে জুমি চাই থকা দেখিছিল। তেতিয়াই এটা ইউটিউব চেনেলক দিয়া সাক্ষাৎকাৰত এই কথা প্ৰকাশ কৰিছিল অভিনেত্ৰীগৰাকীয়ে। ৫ বছৰ পূৰ্বে লজখনৰ বিৰুদ্ধে এই অভিযোগ অনাৰ পিছতে অমৃতা গগৈৰ ছবি 'প্ৰতিঘাত' নামৰ বোলছবিখনে মুক্তি পাইছিল। ২০১৯ চনৰ ৬ ডিচেম্বৰত ছবিগৃহলৈ আহিছিল 'প্ৰতিঘাত'। ৬ ডিচেম্বৰত পূৰ্বে এই সাক্ষাৎকাৰ দিয়াত অমৃতা গগৈৰ মন্তব্যক লৈ ৰাজ্যত ব্যাপক চৰ্চা হৈছিল। এইবাৰ একেই ঘটনা অমৃতা গগৈৰ সৈতে সংঘটিত হৈছে। এইবাৰ অনুৰূপ ঘটনা সংঘটিত হৈছে মধ্য অসমত। মধ্য অসমৰ নগাঁও জিলাৰ সদৰ চহৰৰ বাইপাছত এখন হোটেলত পুৱতি নিশা অভিনেত্ৰীৰ সৈতে সংঘটিত সন্দেহজনক ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মাজনিশা দুৰ্বৃত্তই মুখত কলা কাপোৰ বান্ধি অভিনেত্ৰীয়ে নৈশ যাপন কৰা হোটেলৰ কোঠাত প্ৰৱেশ কৰিবলৈ প্ৰয়াস কৰিছিল যদিও অভিনেত্ৰীগৰাকীয়ে ৰক্ষা পৰে। নগাঁও চহৰৰ 'সংযুক্তি' নামৰ হোটেলখনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অভিনেত্ৰী অমৃতা গগৈয়ে। সংযুক্তি হোটেলত নৈশ যাপনৰ বাবে কোঠা ভাড়া লৈছিল আৰু পুৱতি নিশা কোঠাত থকাৰ সময়তে মুখত কল কাপোৰ বান্ধি অহা দুৰ্বৃত্তই দুৱাৰ ভাঙি কোঠাত প্ৰৱেশ কৰিব খোজাৰ অভিযোগ উত্থাপন কৰিছে অমৃতাই। আজি পুৱা ফেচবুক লাইভত আহি গুৰুতৰ অভিযোগ উত্থাপন কৰাত ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হয়। খুব কম চৰ্চিত অভিনেত্ৰীগৰাকীয়ে হঠাতে এনেদৰে সেই নিশাৰ কথা ফেচবুকত শ্বেয়াৰ কৰাত তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। জানিব পৰা মতে, ২১ নৱেম্বৰৰ নিশা নিজ গাড়ীৰে অমৃতা গগৈয়ে নগাঁৱত ৰাসৰ নাটকত অভিনয় কৰিবলৈ গৈছিল। ৰাধাৰ চৰিত্ৰত অভিনয় কৰি নিশা নগাঁও বাইপাছৰ সংযুক্তি হোটেলত অভিনেত্ৰীগৰাকীক ৰখাৰ ব্যৱস্থা কৰিছিল। হোটেল সংযুক্তিৰ ৰুম নং ৩০৪-ত থাকিবলৈ যোৱাৰ সময়ত অমৃতা গগৈক হোটেলৰ মালিকে সাক্ষাৎ কৰিবলৈ অহাৰ লগতে অসুবিধা পালে যোগাযোগ কৰিবলৈ ফোন নম্বৰ দি যায় মালিকে। নগাঁৱত ৰাসৰ অনুষ্ঠান পৰিৱেশন কৰিবলৈ গৈ সংযুক্তি হোটেল হোটেলত থকাৰ সময়তে ভয়ংকৰ বিপদৰ সন্মুখীন হোৱা বুলি অভিনেত্ৰী অমৃতা গগৈয়ে সামাজিক মাধ্যম যোগে অভিযোগ আনিছে। ফেচবুক লাইভযোগে ঘটনাৰ বৰ্ণনা দি অভিনেত্ৰী গগৈয়ে কয় যে মই নগাঁৱত ৰাসৰ অনুষ্ঠান কৰিবলৈ গৈছিলো। পুৱা প্ৰায় ৫ বজাত কোঠাৰ বাহিৰত শব্দ ওলাই। সেই শব্দ শুনি অমৃতা গগৈৰ সৈতে থকা বান্ধৱীগৰাকী সাৰ পায়। তাৰ পিছতে সাৰ পায় অমৃতা গগৈ। দুৱাৰৰ ফালে আগবাঢ়ি অহাত কোনো লোকে জোৰ কৰি তেওঁলোকে থকা কোঠাৰ দুৱাৰ খুলিব খোজাৰ চেষ্টা কৰা বুলি জানিব পাৰে। সেই সময়ত আতংকিত হয় অভিনেত্ৰী আৰু বান্ধৱী। অভিনেত্ৰীৰ অভিযোগ মতে, মুখত কাপোৰ বান্ধি দুৱাৰ খোলাৰ চেষ্টা কৰিছিল এজন দুৰ্বৃত্তই। অমৃতা গগৈয়ে আইহ'লটোৰে বাহিৰলৈ চোৱাত মুখত কাপোৰ বন্ধা এজন দুৰ্বৃত্তই বাহিৰৰ পৰা দৰ্জা খুলিবলৈ চেষ্টা কৰি থকা প্ৰত্যক্ষ কৰে। দুৰ্জাৰ লক ভাঙিবলৈ প্ৰয়াস কৰি আছে। তাৰ পিছতে বান্ধৱী আৰু অমৃতাই দুৱাৰখনত ভিতৰৰ পৰা সৰ্বশক্তিৰে ঠেলি ধৰে। আতংকগ্ৰস্ত অভিনেত্ৰী অমৃতাৰ বান্ধৱীয়ে ফোন নম্বৰ দি যোৱা হোটেলৰ মালিকক লগে লগে ফোন কৰে। ৫ বাজি ২৪ মিনিটত, ৫ বাজি ২৬ মিনিট আৰু ৫ বাজি ২৭ মিনিটত তিনিবাৰকৈ হোটেলৰ মালিকক ফোন কৰে। কিন্তু হোটেলৰ মালিকে ফোন ৰিছিভ নকৰাত ৰাস সমিতিৰ সম্পাদকক ফোন কৰে। উপায়ন্তৰ হৈ হোটেলৰ কোঠাত চিঞৰি-বাখৰ কৰাত যুৱকজন আঁতৰি যায়। কিন্তু সেই একেজন যুৱকে এইবাৰ মুখত বান্ধি ৰখা কাপোৰখন খুলি অমৃতা গগৈ থকা কোঠাৰ সন্মুখত তহল দিছিল বুলি অমৃতা গগৈয়ে অভিযোগ আনিছে। ইপিনে সংযুক্তি হোটেলখনৰ সেই ঠাইখিনিত নাই চিচিটিভি কেমেৰা। তদ্ৰূপ পাঠশালাৰ যিখন লজত অমৃতা গগৈ আছিল সেই হোটেলখনতো নাছিল চিচিটিভি। নগাঁও বাইপাছত অমৃতা গগৈৰ সৈতে সংঘটিত সন্দেহজন ঘটনাক লৈ বহু প্ৰশ্ন উদয় হ'ব ধৰিছে। হোটেল কৰ্তৃপক্ষই স্পষ্টীকৰণ দি এয়া মিছা অভিযোগ বুলি কৈ কয় যে নিশা কাঠমাণ্ডুৰ পৰা অহা যাত্ৰীয়ে ভুলবশংত অমৃতা গগৈৰ দুৱাৰত টোকৰ দিছিল। অসমীয়া বুজি নোপোৱাত ভুল বুজাবুজি হৈছিল বুলি কয় হোটেল কৰ্তৃপক্ষই। ইফালে, ঘটনাক লৈ আৰক্ষীৰ কাষ নচপা আৰু ৫ বছৰ পূৰ্বৰ ইন্টাৰভিউ পোহৰলৈ অহাত এইবাৰো অভিনেত্ৰীগৰাকীয়ে সেয়া চিনেমাৰ প্ৰচাৰৰ বাবেহে কৰিছে নেকি বুলি চৰ্চা চলিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# পৰ্বতঝোৰাত সংৰক্ষণৰ অভাৱত বিলুপ্তিৰ দিশে দুষ্প্ৰাপ্য হিমালয়ান প্ৰজাতিৰ বগাপিঠিয়া শগুণ

**ই-সংবাদ, পৰ্বতঝোৰা, ২৫ নৱেম্বৰঃ** শেহতীয়াকৈ বিটিআৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ এলেকাধীন মহামায়া সংৰক্ষিত বনাঞ্চলত হিমালয়ান প্ৰজাতিৰ বগাপিঠিয়া শগুণ উপযুক্ত সংৰক্ষণ তথা বিজ্ঞানসন্মত ব্যৱস্থাপনাৰ অভাৱত দিনক দিনে নিঃশেষ হোৱাৰ দিশে গতি কৰিছে। সমগ্ৰ বিশ্বৰ লগতে ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত যিমান সংখ্যক শগুণৰ উপস্থিতি দেখিবলৈ পোৱা যায় তাৰে হিমালয়ান প্ৰজাতিৰ সৰহ সংখ্যক শগুণৰ বাসস্থান মহামায়া সংৰক্ষিত বনাঞ্চলৰ ওচৰে পাজৰে থকা ৰাজাপাৰা শালনি বুলি এক সমীক্ষাত প্ৰকাশ। কিন্তু মহামায়া বনাঞ্চলত থকা ওখ ওখ মাত্‍ শাল গছসমূহ বিভিন্ন কাৰণৰ দিনত দিনে হ্ৰাস পাই অহাত প্ৰকৃতিৰ ঝাড়ুদাৰ স্বৰূপ এইবোৰৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহি পৰিছে। লগতে ৰাজাপাৰা শালনিত থকা ওখ ওখ শাল গছসমূহ ধুমুহা আদি কাৰণত উভালি পৰাত অসমত তথা উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ বসতিস্থল বুলি পৰিচিতি থকা বগাপিটিয়া শগুণসমূহে তীব্ৰ সংকটত ভুগি আছে। এইক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই প্ৰদৰ্শন কৰি থকা উদাসীনতাৰ বাবেও হিমালয়ান প্ৰজাতিৰ বগাপিঠিয়া শগুণৰ সংখ্যা দিনে দিনে হ্ৰাস পাই থকাটো আন এক কাৰণ বুলি প্ৰকৃতিপ্ৰেমীসকলে মন্তব্য কৰে। উল্লেখ্য যে, বি টি আৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ অন্তৰ্গত ৰাজাপাৰাত প্ৰায় ২০ হেক্টৰ বন বিভাগৰ সংৰক্ষিত ভূমিৰ মাত্‍ শালগছত দশক দশক ধৰি হিমালয়ান প্ৰজাতিৰ বগাপিঠিয়া শগুণে বাহ সাজি আছিল। কিন্তু লাহে লাহে বগাপিঠিয়া শগুণসমূহ বিলুপ্ত হ'বলৈ ধৰাত প্ৰকৃতি প্ৰেমী সংগঠনসমূহে শগুণসমূহ সংৰক্ষণ কৰাত বিগত সময়ত চৰকাৰক দাবী উত্থাপন কৰি আহিছিল।বন বিভাগৰ কৰ্মহীনতাৰ বাবে হিমালয়ান প্ৰজাতিৰ বগাপিঠিয়া শগুণসমূহ প্ৰায় বিলুপ্ত হ'বলৈ ধৰিলে। আনকি বন আৰু পৰিৱেশ মন্ত্ৰালয়ে শগুণসমূহ সংৰক্ষণৰ বাবে ধন আৱণ্টন দিয়ে যদিও সেই ধন সঠিকভাৱে ৰূপায়ণ নোহোৱাৰ ফলত প্ৰকৃতিৰ জামাদাৰ শগুণসমূহ প্ৰায় নাইকিয়া হ'বলৈ ধৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। প্ৰকৃতি প্ৰেমী সংগঠন অৰণ্য সুৰক্ষা সমিতিয়ে বিলুপ্ত হ'বলৈ ধৰা বগাপিঠিয়া শগুণসমূহক সঠিকভাৱে সংৰক্ষণ কৰা আৰু এটা শগুণ প্ৰজনন কেন্দ্ৰ স্থাপন কৰাৰ দাবী জনাইছে।

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তিতাবৰ জিলা শাখাৰ বাৰ্ষিক অধিৱেশনৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, তিতাবৰ, ২৫ নৱেম্বৰঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তিতাবৰ জিলা শাখাৰ দ্বা-বিংশতিতম্ বাৰ্ষিক অধিৱেশনৰ আজি বৰহোলাৰ নাওপেটা জাকৈচুকত প্ৰাক্তন উপ পদাধিকাৰ 'বল্লভ শইকীয়া সমন্বয় ক্ষেত্ৰ'ত উদুলি-মুদুলি পৰিৱেশত লাইখুঁটা স্থাপন কৰা হয়। গায়ন-বায়ন, ভকত-বৈষ্ণৱ, আই-মাতৃৰ হৰিনামৰ ধ্বনিৰে চৌপাশ মুখৰ হৈ পৰে। লাইখুঁটা স্থাপন কৰে সংঘৰ তিতাবৰ জিলা শাখাৰ সভাপতি সুশীল গগৈয়ে। ইয়াৰ পিছতে পৰমানন্দ আঞ্চলিক শাখা নামঘৰত এখন মুকলি সভা অনুষ্ঠিত হয়। জিলা শাখাৰ সভাপতি সুশীল গগৈৰ সঞ্চালনাত অনুষ্ঠিত সভাখন উদ্বোধন কৰি ভাষণ প্ৰদান কৰে সম্পাদক নয়নমণি শইকীয়াই। জিলা শাখাৰ সহকাৰী সম্পাদক প্ৰাচুৰ্য প্ৰতীম বৰাই আঁত ধৰা আৰু অধিৱেশনৰ আদৰণি সমিতিৰ সম্পাদক হৰেণ শইকীয়াই সকলো দিশ পৰিচালনা কৰা সভাত বিশিষ্ট অতিথি হিচাপে সংঘৰ তিতাবৰ জিলা শাখাৰ উপদেষ্টা গুণাৰাম বৰা, শৰণ সদস্য ক্ৰমে প্ৰেম গোৱালা, অজিত বৰা, প্ৰাক্তন শৰণ সদস্য ঘনকান্ত শইকীয়া, মূলৰ সদস্য ক্ৰমে বিজু কুমাৰ হাজৰিকা, ত্ৰৈলোক্যদেৱ শইকীয়া, মূলৰ সদস্যা চম্পা বৰা, শিশু আই মাতৃ কল্যাণ শাখাৰ কেন্দ্ৰীয় সদস্যা নীলিমা শইকীয়া, বৰহোলা আঞ্চলিক ভাওনা সন্মিলনীৰ সভাপতি মহেন্দ্ৰ নাথ হাজৰিকা, সেউজী কানন শাখা সাহিত্য সভাৰ সভানেত্ৰী ৰূপা নেওগ হাজৰিকা, কাকডোঙা সীমান্তৱৰ্তী আঞ্চলিক শাখাৰ সভাপতি বদন গগৈ, বৰহোলা সাংবাদিক সন্থাৰ সম্পাদক অজয় শইকীয়া আদি উপস্থিত থাকি কেইবাগৰাকীয়ে বক্তব্য প্ৰদান কৰে। সভাত জিলাৰ ভালেসংখ্যক আঞ্চলিক, প্ৰাথমিকৰ সভাপতি, সম্পাদক আৰু অন্যান্য বিষয়ববীয়া, সেৱক-সেৱিকাসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে সংঘৰ তিতাবৰ জিলা শাখাৰ অন্তৰ্গত পৰমানন্দ আঞ্চলিক শাখাৰ আতিথ্যত এইবাৰ আগন্তক বৰ্ষৰ ১ আৰু ২ ফেব্ৰুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব অধিৱেশনখন।



মাজুলী জিলা আয়ুক্তৰ জল জীৱন মিছনৰ খোৱা পানী আঁচনি পৰিদৰ্শন, ফটোঃ ই-সংবাদ, মাজুলী

# গোৰেশ্বৰত শ্ৰমিক কৰ্মশালা সম্পন্ন

**ই-সংবাদ, গোৰেশ্বৰ, ২৫ নৱেম্বৰঃ** বিটিআৰৰ তামুলপুৰ জিলাৰ গোৰেশ্বৰত দেওবাৰে এখন নিৰ্মাণ শ্ৰমিকৰ বিশেষ কৰ্মশালা অনুষ্ঠিত হৈ যায়। গোৰেশ্বৰৰ প্ৰতিষ্ঠিত নিৰ্মাণ শ্ৰমিক খগেন ডেকাৰ উদ্যোগত গোৰেশ্বৰস্থিত চিআইটিইউ কাৰ্যালয়ত দিনৰ ১০ বজাৰ পৰা শতাধিক নিৰ্মাণ শ্ৰমিকৰ উপস্থিতিত বিশেষ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখন উদ্বোধন কৰে শ্ৰমিক নেতা ভোলা শৰ্মাই। উদ্বোধনী ভাষণত ভোলা শৰ্মাই শ্ৰমিকসকলক বিভিন্ন চৰকাৰী সা-সুবিধাৰ বিষয়ে অৱগত কৰায়। কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি অভিযন্তা বিষ্ণু দাসে শ্ৰমিকসকলৰ শাৰীৰিক সুৰক্ষা, নিৰ্মাণখণ্ডৰ সঁজুলিসমূহৰ সঠিক ব্যৱহাৰ তথা নিৰ্মাণখণ্ডৰ সৈতে জড়িত অন্যান্য দিশ সম্পৰ্কে বাখ্যা আগবঢ়াই। উদ্যোক্তা খগেন ডেকাৰ পৰা উপস্থিত শ্ৰমিকসকলে বিভিন্ন সা-সঁজুলিৰ ব্যৱহাৰিক শিক্ষা গ্ৰহণ কৰে।

# বালাজানত মানসিক বিকাৰগ্ৰস্ত মহিলাক ধৰ্ষণ

**ই-সংবাদ, গোলকগঞ্জ, ২৫ নৱেম্বৰঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত দুমৰদহ গাঁৱত ২৩ নৱেম্বৰৰ সন্ধিয়া এগৰাকী মানসিকভাৱে অসুস্থ মহিলা দানৱসদৃশ যুৱক এজনৰ কামনাৰ বলি হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গাঁওখনৰ মানসিকভাৱে অসুস্থ মহিলা এগৰাকী সন্ধিয়া অকলে ঘৰত আছিল। সেই সুযোগ গ্ৰহণ কৰে একে গাঁৱৰে শ্বাহজাহান আলী নামৰ এজন যুৱকে। শ্বাহজাহানে ঘৰখনত সোমাই বলপূৰ্বক মহিলাগৰাকীৰ লগত অপকৰ্মত লিপ্ত হয়। চিঞৰ-বাখৰ শুনি ওচৰ-চুবুৰীয়া আগবাঢ়ি অহাত লম্পট শ্বাহজাহানে লৰ মাৰে। অভিযুক্তৰ পৰিয়ালে ঘটনা সন্দৰ্ভত বালাজান আৰক্ষী চকীত এখন এজাহাৰ দিয়ে। বালাজান আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিদিপ ৰায়ে অতি তৎপৰতাৰে নিশাৰ ভিতৰতে ধৰ্ষণৰ অভিযুক্ত শ্বাহজাহানক আটক কৰি গৌৰীপুৰ থানালৈ প্ৰেৰণ কৰে। ইপিনে আৰক্ষীয়ে মহিলাগৰাকীৰো স্বাস্থ্য পৰীক্ষা কৰায়। গৌৰীপুৰ থানাত ৩৮৬/২৪ নম্বৰত গোচৰ ৰুজু কৰি আজি নৰপিশাচ শ্বাহজাহানক জেল হাজোতলৈ প্ৰেৰণ কৰে।



আছুৰ বাটৰ নাট, মহানগৰীত সোমবাৰে



শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তিতাবৰ জিলা শাখাৰ বাৰ্ষিক অধিৱেশনৰ দৃশ্য

## ৮ ডিচেম্বৰৰ বাবে প্ৰস্তুতি পৰিচালনা সমিতিৰ

# ছৈখোৱাঘাটৰ শ্ৰীশ্ৰী কেঁচাখাইতী শালৰ ঐতিহাসিক ‘বাবু পূজা’

**ই-সংবাদ, ডুমডুমা, ২৫ নৱেম্বৰঃ** অসমৰ পুব-প্ৰান্তৰ তিনিচুকীয়া জিলাৰ ছৈখোৱাঘাট(ধলা)ৰ বৰলুইতৰ পাৰত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰী কেঁচাখাইতী শালৰ ‘বাবু পূজা’ ভাগ অহা ৮ ডিচেম্বৰত অনুষ্ঠিত হ’ব বুলি শাল পৰিচালনা সমিতিয়ে জানিবলৈ দিছে। উল্লেখ্য যে, প্ৰাগ ঐতিহাসিক যুগৰে পৰা অত্যন্ত জাগ্ৰত শাল বুলি পৰিচিত কেঁচাখাইতী শালত বছৰৰ প্ৰতিটো বিহুৰ লগত সংগতি ৰাখি এভাগিকৈ পূজা গোসাঁনীৰ নামত অনুষ্ঠিত হৈ অহাৰ উপৰি ব্ৰিটিছৰ দিনৰে পৰা চাহ বাগিচাৰ বাবু-মহৰীসকলৰ সুবিধাৰ্থে প্ৰতি বছৰৰ ডিচেম্বৰ মাহৰ দেওবাৰৰ দিন বিশেষত এভাগি পূজা অনুষ্ঠিত হৈ আহিছে, যি ‘বাবু পূজা’ হিচাপে সৰ্বজনবিদিত। শালখনত বছৰটোত বাবু পূজাকে ধৰি মুঠ চাৰিভাগ ৰাজহুৱা পূজা অনুষ্ঠিত হোৱাৰ উপৰি আহাৰ মাহত অম্বুবাচীৰ অপৱিত্ৰতা দূৰ কৰিবলৈ শাল পৰিচালনা সমিতিয়ে এখন পূজা অনুষ্ঠিত কৰে যদিও উক্ত পূজাত শাল পৰিচালনা সমিতিৰ বাহিৰে অন্য ভক্ত উপস্থিত হোৱা পৰিলক্ষিত নহয় যদিও শালৰ সৰ্ববৃহৎ ‘বাবু পূজা’লৈ আগদিনাৰ নিশাৰ পৰাই গাড়ী-মটৰেৰে দূৰ-দূৰণিৰ পৰা অগণন ভক্তৰ আগমনেৰে সমগ্ৰ ছৈখোৱা অঞ্চলত একপ্ৰকাৰ উদুলি-মুদুলি পৰিৱেশৰ সূচনা কৰে। বাবু পূজাত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে কাষৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ উপৰি চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ পৰাও অসংখ্য ভক্তৰ ছৈখোৱা অঞ্চললৈ সোঁত বয়। পূজাৰ দিনা বিৰ দি বাট নোপোৱা অৱস্থা হোৱা ছৈখোৱাৰ ধলা বজাৰেদি কেঁচাখাইতী গোসাঁনী শাললৈ যোৱাৰ পথত থকা বান্দৰখাল নলাৰ ওপৰৰ অতিকে জৰাজীৰ্ণ কাঠৰ দলংখনক লৈ শাল পৰিচালনা সমিতি চিন্তিত হৈ পৰিছে। ভক্তৰ যাতায়াতৰ সুবিধাৰ্থে চৰকাৰ-প্ৰশাসনক বাবু পূজাৰ আগেয়ে এখন সুকীয়া দলং নিৰ্মাণেৰে যাতায়ত ব্যৱস্থা সুচল কৰি দিবলৈ শাল পৰিচালনা সমিতিয়ে আহ্বান জনাইছে।

# মাদানী দ্বিঃ তাঃ বৰ্ডৰ উদ্যোগত বিশাল ইনামী জলছাহ

**ই-সংবাদ, মৈৰাবাৰী, ২৫ নৱেম্বৰঃ** মৰিগাঁও জিলা দ্বিনী তালিমী বৰ্ডৰ অন্তৰ্গত খান্দাপুখুৰী মাদানী দ্বিনী তালিমী বৰ্ডৰ উদ্যোগত ২৪ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে খান্দাপুখুৰী ঈদগাহ ময়দানত বিশাল ইনামী জলছাহ অনুষ্ঠিত হৈ যায়। পুৱাৰ ভাগত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতা আৰু বৃত্তি প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ বঁটা বিতৰণী সভাত খান্দাপুখুৰী বৃহত্তৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষকসকল আৰু অভিভাৱকসকলে অংশগ্ৰহণ কৰে। হাজী মৌলানা নুৰুল ইছলাম কাছিমী চাহাবৰ সভাপতিত্বত আনুষ্ঠিত বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম ৰাজ্যিক জমিয়ত উলামাৰ উপ-সভাপতি তথা মৰিগাঁও জিলা দ্বিনী তালিমী বৰ্ডৰ সভাপতি মুফতি মতলুবুৰ ৰহমান চাহাবে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক উদ্দেশ্যি বহুমূলীয়া ভাষণ দিয়ে আৰু স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰে। উক্ত বঁটা বিতৰণী সভাত মৰিগাঁও জিলা জমিয়ত উলামা তথা জিলা দ্বিনী তালিমী বৰ্ডৰ সাধাৰণ সম্পাদক মোঃ শ্বৰিফুল ইছলাম আৰু বহু কেইগৰাকী উলামা উপস্থিত থাকে। আনহাতে, সন্ধিয়া অনুষ্ঠিত ওৱাজ মেহফিলত মুখ্য অতিথি হিচাপে উপস্থিত থকা শোণিতপুৰ জিলাৰ বালিগাঁও বৰথল ছিনিয়ৰ মাদ্ৰাৰ অধ্যক্ষ হজৰত মৌলানা নেকবৰ আলী চাহাব, বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অসম ৰাজ্যিক দ্বিনী তালিমী বৰ্ডৰ মুখ্য প্ৰশিক্ষক হজৰত মৌলানা আব্দুল কাদিৰ চাহাবৰ লগতে অন্যান্য বিশিষ্ট উলামাসকলেও ভাষণ প্ৰদান কৰে। খান্দাপুখুৰী মাদানী দ্বিনী তালিমী বৰ্ডৰ সভাপতি মৌলানা হবিবুল্লাহ খান, সাধাৰণ সম্পাদক মৌলানা ইকৰামুল হুছেইন আৰু অভ্যৰ্থনা সমিতিৰ এনে বিশাল পদক্ষেপক আৰু যোগাত্মক অনুষ্ঠান আয়োজন কৰা কাৰ্যক ভূয়সী প্ৰশংসা কৰিছে।

## শীঘ্ৰেই টিউটৰৰ পৰা শিক্ষক পদলৈ উন্নীতকৰণৰ দাবী

# ১১৮ জনীয়া টিউটৰ গোটৰ সভা, মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কামনা

**ই-সংবাদ, কলগাছিয়া, ২৫ নৱেম্বৰঃ** ৰাজ্যৰ ১১৮ জনীয়া টিউটৰৰ পদ উন্নীতকৰণ বিচাৰি আজি গুৱাহাটীৰ গণেশগুৰিত ধেমাজি জিলাৰ মিংমাঙ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ দিনেশ্বৰ পেগুৰ সভাপতিত্বত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয় । লখিমপুৰ জিলাৰ কে বি এছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ স্নাতকোত্তৰ শিক্ষক বিজু হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত চৰকাৰী নীতি-নিৰ্দেশনা আৰু অনুমতি লৈ Deputation ত B.Ed ডিগ্ৰী সম্পন্ন কৰা, ১১৮ জন টিউটৰৰ পদ উন্নীতকৰণৰ কাম-কাজৰ অগ্ৰগতি আৰু এখন কমিটী গঠন সম্পৰ্কে আলোচনা কৰা হয়। সভাত বিভিন্নজনৰ মতামত অনুসৰি সদৌ অসম ছেকেণ্ডাৰী টিউটৰ টু টিচাৰআপগ্ৰেডেচন ফ'ৰাম নামৰ এটি সংগঠনৰ জন্ম দিয়া হয়। এইক্ষেত্ৰত সংগঠনটোৰ সভাপতি হিচাপে দিনেশ্বৰ পেগু আৰু সম্পাদকদ্বয় হিচাপে বিজু হাজৰিকা, কিস্মত আলী আহমেদক বাছনি কৰা হয়। ইপিনে, প্ৰচাৰ সম্পাদক হিচাপে প্ৰাক্তন সাংবাদিক তথা বঙাইগাঁও জিলাৰ নাম্বাৰপাৰা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ স্নাতকোত্তৰ শিক্ষক আলহাজ আব্দুল হাইক বাছনি কৰা হয় । ২০২৩ চনৰ অক্টোবৰ মাহৰ পৰা অপেক্ষাৰত ১১৮ জন টিউটৰৰ পদ উন্নীতকৰণ কাৰ্য চলিত মাহৰ ভিতৰত সম্পন্ন কৰিবলৈ নৱগঠিত সদৌ অসম টিউটৰ টু টিচাৰ আপগ্ৰেডেচন ফ'ৰামে অসম চৰকাৰক দাবী জনায়। এইক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কামনা কৰি ৰাজ্য চৰকাৰে সোনকালেই ১১৮ গৰাকী টিউটৰৰ সমস্যা সমাধান কৰিব বুলি ফ'ৰামে আশা প্ৰকাশ কৰে।

# মাজুলী আয়ুক্তৰ জল জীৱন মিছনৰ খোৱা পানী আঁচনি পৰিদৰ্শন

**ই-সংবাদ, মাজুলী, ২৫ নৱেম্বৰঃ** মাজুলী জিলাত জিলা আয়ুক্তৰ দ্বাৰা জল জীৱন মিছনৰ পানী যোগান আঁচনিৰ সঠিক ৰূপায়ণ পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে আজি দাক্ষিণপাট গাঁও পঞ্চায়তৰ অন্তৰ্গত শালমৰা বৰবোকা পানী যোগান আঁচনিৰ কাম-কাজ জিলা আয়ুক্তই পৰিদৰ্শন কৰে। সেই অনুসৰি মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আঁচনিখনৰ জৰিয়তে পানীৰ গুণগত মান, পানীৰ পৰিমাণ, পানীৰ নিয়মীয়া যোগানৰ লগতে বিত্তীয় সুস্থিৰতা আৰু প্ৰতিষ্ঠানিক বহনক্ষমতা নিশ্চিতকৰণৰ পৰিকল্পনা কৰা হৈছে যাতে আঁচনিখনৰ স্থায়িত্ব নিশ্চিত কৰিব পৰা যায়। সমান্তৰালভাৱে জিলা প্ৰশাসনৰ বিষয়াসকলেও একোখনকৈ পানী যোগান আঁচনিৰ পৰ্যবেক্ষণ কৰি আছে। বিষয়াসকলে প্ৰধানতঃ পানী উপভোক্তা সমিতি, জলমিত্ৰ, পাঁচজনীয়া পানী পৰীক্ষা কৰা মহিলাৰ গোট আৰু নিৰ্দিষ্ট পানী যোগান আঁচনিখনৰ ঘৰুৱা কাৰ্যকৰী টেপ সংযোগ লাভ কৰা হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰে। এই আঁচনিসমূহ পৰিদৰ্শনৰ সময়ত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা, সহকাৰী কাৰ্যবাহী অভিযন্তা, শাখা বিষয়া, জিলা সমন্বয়ক আৰু সামূহিক অনাময় আৰু স্বচ্ছতাৰ সমন্বয়কসকল উপস্থিত থাকে।




ডিব্ৰুগড়ত বীৰ বাঘ হাজৰিকাৰ জয়ন্তীৰ এটি বিশেষ মুহূৰ্ত

# মৰিগাঁৱত ধৰ্ষণকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ২৫ নবেম্বৰঃ** মৰিগাঁও জিলাৰ মায়ং আৰক্ষী থানাৰ অন্তৰ্গত বৰদলনি গাঁৱৰ পদুম দাস নামৰ এজন নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক'চ আদালতে আজি যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে লোকজনে এবছৰ পূৰ্বে এই জঘন্য ধৰ্ষণ কাণ্ডটো সংঘটিত কৰিছিল। ঘটনা সন্দৰ্ভত মায়ং আৰক্ষী থানাত ৩৯/২০২৩ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। ঘটনাটোৰ তদন্ত কৰি মায়ং আৰক্ষীয়ে মৰিগাঁও পক'চ আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে পক'চ গোচৰ নং-২১৭/২০২৩ ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদে পক'চ আইনৰ ৬ নং ধাৰাত দোষী সাব্যস্ত কৰি ধৰ্ষণ কাণ্ডৰ অপৰাধী পদুম দাসক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰিও বিশ হাজাৰ টকাৰ জৰিমনা বিহে। ধাৰ্য কৰা জৰিমনাৰ ধন অনাদায়ে ছমাহৰ কাৰাদণ্ডৰ আদেশ জাৰি কৰিছে।

# ডিব্ৰুগড়ত বীৰ বাঘ হাজৰিকাৰ জয়ন্তীৰ সফল সমাপ্তি

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ নৱেম্বৰঃ** বীৰ বাঘ হাজৰিকাৰ স্মৃতি সংৰক্ষণ সংস্থাই প্ৰতিবৰ্ষৰ দৰে এইবাৰো ডিব্ৰুগড়স্থিত বামপথাৰৰ জ্যোতি-বিষ্ণু-ভুপেন্দ্ৰ প্ৰেক্ষাগৃহত দুদিনীয়াকৈ ডিব্ৰুগড়বাসী ৰাইজৰ সহযোগত ২২আৰু ২৩ নৱেম্বৰত বীৰ বাঘ হাজৰিকাৰ ৩৮৪ সংখ্যক জয়ন্তী সফলভাৱে উদযাপন কৰে। প্ৰথম দিনা পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু মিতভাষৰ স্ৰষ্টা, সাহিত্য অকাডেমী বঁটা প্ৰাপক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়াক তেখেতৰ নিজা বাসগৃহত বিশেষভাৱে সংস্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত পতাকা উত্তোলন কৰে সংস্থাৰ সভাপতি এএনএছ আহমেদ হাজৰিকাই। স্মৃতি তৰ্পণত অংশ লয় অভ্যৰ্থনা সমিতিৰ সভাপতি কৃপাল ফুকন আৰু কাৰ্যকৰী সভাপতি ইকবাল আহমেদে। বীৰ বাঘ হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কৃপাল ফুকন আৰু মহাবীৰ লাচিত বৰফুকনৰ প্ৰতিছবিত বন্তি প্ৰজ্বলন কৰে ইকবাল আহমেদে।

আনহাতে, দ্বিতীয় দিনাৰ কাৰ্যসূচীত জ্যোতি-বিষ্ণু-ভুপেন্দ্ৰ প্ৰেক্ষাগৃহত মুকলি সভাত সভাপতিত্ব কৰে আয়োজক সমিতিৰ কাৰ্যকৰী সভাপতি ইকবাল আহমেদে। আমন্ত্ৰিত অতিথিক আয়োজক সমিতিৰ তৰফৰপৰা একোখনি চেলেং চাদৰেৰে সম্ভাষণ জনোৱা হয়। বীৰ বাঘ হাজৰিকা স্মৃতি সংৰক্ষণ সংস্থাৰ একালৰ উপদেষ্টা স্বৰ্গীয় ভীমকান্ত কোঁৱৰ আৰু সাংস্কৃতিক সম্পাদক স্বৰ্গীয় বিপ্লৱ চৌধাৰীৰ প্ৰতিছবিত বন্তি প্ৰজ্বলন কৰে চুলতানা হাজৰিকা আৰু প্ৰয়াত চৌধাৰীৰ সহধৰ্মিনী দিপালী চৌধাৰীয়ে। সভাৰ উদ্দেশ্য বাখ্যা কৰে প্ৰচাৰ সম্পাদক প্ৰশান্ত শইকীয়াই। স্থানীয় কণ্ঠশিল্পী ৰতন গগৈয়ে এটি দেশপ্ৰেমমূলক গীত পৰিবেশন কৰে। মুকলি সভাত আয়োজক সমিতিয়ে যুগুতাই উলিওৱা স্মৃতি গ্ৰন্থ 'বাঘজৰী' উন্মোচন কৰে বিশিষ্ট চিন্তাবিদ, লেখক আৰু গৱেষক ইছমাইল হুছেইনে। অসমৰ ভগ্নীৰাজ্য অশান্ত জৰ্জৰ মণিপুৰত ভাতৃঘাতী সংঘৰ্ষত অকালতে মৃত্যুক আঁকোৱালি লোৱা প্ৰতিগৰাকী মৃত ব্যক্তিৰ আত্মাৰ চিৰশান্তি কামনা কৰি এটি শোক- প্ৰস্তাৱ লোৱা হয়। শোক-প্ৰস্তাৱ পাঠৰ অন্তত এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে মৃতকৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে আঘাতপ্ৰাপ্তসকলৰ আশুআৰোগ্য কামনা কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি কৃপাল ফুকনৰ আদৰণি ভাষণ পাঠৰ অন্তত মুকলি সভাত নিৰ্ধাৰিত আলোচ্য বিষয় 'সাম্প্ৰতিক ৰাজনৈতিক, সামাজিক ধামখুমীয়াত বীৰ বাঘ হাজৰিকাৰ প্ৰাসংগিকতা' শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়।

# অনিৰ্বান গোষ্ঠীৰ উদ্যোগত পুৰণিগুদামত বিনামূলীয়া চিকিৎসা শিবিৰ

**ই-সংবাদ, পুৰণিগুদাম, ২৫ নবেম্বৰঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান অনিৰ্বাণ গোষ্ঠীৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি ২৪ নৱেম্বৰত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। উক্ত প্ৰতিষ্ঠা দিৱসৰ লগত  সংগতি ৰাখি গোষ্ঠীৰ কাৰ্যালয়ত এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে। পুৱা গোষ্ঠীৰ সভাপতি জ্যোতিৰ্ময় গোস্বামীয়ে পতাকা উত্তোলনেৰে দিনযোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পতাকা উত্তোলনৰ পাছতেই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পাছতেই  নগাঁৱৰ কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসকৰ উপস্থিতিত এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। উক্ত চিকিৎসা শিবিৰত ডাঃ দিলীপ কুমাৰ শৰ্মা (মেডিচিন বিশেষজ্ঞ), ডাঃ উপকূল বৰা (ডায়েবেটিছ বিশেষজ্ঞ), ডাঃ নিলোৎপল বৰা (ডিঙি, নাক, কাণ বিশেষজ্ঞ), ডাঃ গিৰিন্দ্ৰ কুমাৰ নাথ (শিশু বিশেষজ্ঞ), ডাঃ ইন্দ্ৰ মোহন বৰা (স্ত্ৰী ৰোগ বিশেষজ্ঞ), ডাঃ কৃষ্ণ বৰাকে (স্ত্ৰী ৰোগ বিশেষজ্ঞ) ধৰি মুঠ ছগৰাকী চিকিৎসক উপস্থিত থাকি চিকিৎসা সেৱা আগবঢ়ায়। উল্লেখ্য যে, মুঠ ১২৩ গৰাকী ৰোগীক চিকিৎসা প্ৰদান কৰাৰ লগতে প্ৰয়োজনীয় ঔষধো এই শিবিৰত বিনামূলীয়াকৈ ৰোগীক বিতৰণ কৰে। চিকিৎসা শিবিৰটি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে ডাঃ দিলীপ কুমাৰ শৰ্মাই। চিকিৎসা শিবিৰটো আৰম্ভ হোৱাৰ প্ৰাকমুহূৰ্তত গোষ্ঠীৰ চিকিৎসকসকলক গোষ্ঠীৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অৰ্নিবান গোষ্ঠীৰ সম্পাদক প্ৰখ্যাত ভূএঞাই আঁট ধৰা সম্বৰ্ধনা অনুষ্ঠানত গোষ্ঠীৰ কৰ্মকৰ্তাকে ধৰি স্থানীয় কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বালিচাঙত কেন্দ্ৰীয় ৰাসোৎসৱ উদযাপন

**ই-সংবাদ, বিশ্বনাথ, ২৫ নৱেম্বৰঃ** ৰাজ্যত সৰ্বত্ৰে অনুষ্ঠিত হৈছে ৰাসোৎসৱ। ৰাসোৎসৱৰ পৰিৱেশ বিৰাজমান বিশ্বনাথৰ বালিচাঙত  । কালিৰে পৰা কেন্দ্ৰীয়ভাৱে আৰম্ভ হোৱা বালিচাং উচ্চ ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰা হৈছে ৰাস। ভগৱান শ্ৰীকৃষ্ণই মৰ্তত কৰা কৰ্মৰাজিক প্ৰতিফলিত কৰা হয় ৰাসোৎসৱত। ভগৱৎ সেৱা, ভকতি মাৰ্গ প্ৰতিষ্ঠা কৰা মানৱ জীৱনৰ পৰম সত্যক উপলব্ধিৰে উদযাপন কৰা হয় ৰাস। য'ত জীৱনৰ সুখানুভূতি আধ্যাত্মিক শাৰীলৈ পৰ্যবেসিত অনন্য ভকতিৰসৰ নিদৰ্শন বিশেষ। ৰাসোৎসৱ এতিয়া হৈ পৰিছে সাৰ্বজনীন। বিভিন্ন জাতি-জনগোষ্ঠী ধৰ্মাৱলম্বীৰ লোকে ৰাসৰ তত্ত্বৰসৰ অম্লান আনন্দ উপভোগ কৰে। গুৰুজনাৰ অমৰ সৃষ্ট অনন্য ভকতিৰ ৰাসোৎসৱত কেবাখনো নৃত্যনাটিকা প্ৰদৰ্শন কৰা হয়। বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে উপস্থিত হৈ উক্ত ৰাসোৎসৱৰ শুভাৰম্ভ কৰে। ৰাসভাগত কেবাখনো নৃত্য নাটিকাৰ ভিতৰত অনন্ত শয্যা, দৈৱকীৰ বিবাহ, নন্দোৎসৱ, পুতনা বধ আৰু অৰ্জুন ভঞ্জন প্ৰদৰ্শন কৰা হয়।



অনিৰ্বান গোষ্ঠীৰ উদ্যোগত পুৰণিগুদামত বিনামূলীয়া  চিকিৎসা শিবিৰ

# 'বহুবাক'ৰ বহুভাষিক কবি সন্মিলন

**ই-সংবাদ, গুৱাহাটী, ২৫ নৱেম্বৰঃ** ৰাজ্যখনৰ পথিকৃৎ সাহিত্য অনুষ্ঠান 'বহুবাক'(বহুভাষিক সাহিত্য মঞ্চ, অসম)ৰ উদ্যোগত কাইলৈ দিনৰ তিনি বজাত গুৱাহাটী প্ৰেছ ক্লাবত এখনি বহুভাষিক কবি সন্মিলনৰ আয়োজন কৰা হৈছে বুলি বহুবাকৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ আৰু প্ৰধান সম্পাদক দীপক শৰ্মাই এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিছে। উল্লেখ্য যে এই কবি সন্মিলনখনি বিষ্ণুপ্ৰিয়া মণিপুৰী নৱজাগৰণৰ অন্যতম সাহিত্যিক, জাতীয় কবি গোকুলানন্দ গীতিস্বামীৰ ১২৮ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে আয়োজন কৰা হৈছে। ভিন ভিন ভাষা-ভাষিৰ কবিসকলে তেওঁলোকে পাঠ কৰিব লগা কবিতাটো (হাতে লিখা বা ডি টি পি কৰা) সঞ্চালকৰ হাতত জমা দিব পৰাকৈ আনিব লাগিব। ম'বাইল চাই কবিতা পাঠ কৰিব নোৱাৰিব।

# পাঠদানৰ পৰিৱৰ্তে ঘোৰ নিদ্ৰাত মত্ত! শিক্ষকৰ বিৰুদ্ধে হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ত দাখিল ৰাজহুৱা অভিযোগ

**ই-সংবাদ, মোৰাঝাৰ ২৫, নৱেম্বৰঃ** হোজাই জিলাৰ এখন চৰকাৰী বিদ্যালয়ৰ শিক্ষকৰ কৰ্ম কাণ্ডই চকু কপালত তুলিছে স্থানীয় ৰাইজৰ। ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ নীতি নিয়মক ধোঁৱাচাঙত পৰিণত কৰিছে হোজাইৰ জিলাৰ লংকা শিক্ষা খণ্ডৰ অধীনস্থ বুৰুঙ্গা বজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ কেইজনমান শিক্ষকে। শিক্ষা বিভাগৰ নীতি নিয়মক একপ্ৰকাৰ ভৰিৰে মোহাৰি আংগুষ্ঠ প্ৰদৰ্শন বুৰুঙ্গা বজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ কেইজনমান শিক্ষকৰ। বুৰুঙ্গা বজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সকলৰ মনে সজা নীতিৰে দায়িত্ব পালনৰ বিৰুদ্ধে আজি হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ত স্থানীয় ৰাইজে ৰাজহুৱা অভিযোগ দাখিল কৰে। অভিযোগ অনুসৰি, হোজাইৰ লংকা শিক্ষা খণ্ডৰ অন্তৰ্গত বুৰুঙ্গা বজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সকলৰ মনে সজা নীতিৰে দায়িত্ব পালনৰ বাবে বিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত অন্ধকাৰলৈ গতি কৰিছে। ৰাজ্য চৰকাৰে এইখন বিদ্যালয়ৰ শিক্ষক সকলৰ দৰমহাৰ ভাৱত মাহেকত লাখ লাখ টকা খৰচ কৰাৰ পাছতো শিক্ষক সকলে নিজৰ দায়িত্ব পালন কৰাত ব্যৰ্থ হৈছে। বুৰুঙ্গা বজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধিকাংশ শিক্ষক ইয়াৰ স্থানীয় শিক্ষক হয়। স্থানীয় শিক্ষক হোৱাৰ সুযোগ লৈ এইখন বিদ্যালয়ৰ শিক্ষক সকলে শিক্ষা বিভাগৰ নীতি নিয়ম অমান্য কৰি নিজ দায়িত্বত পালনত ফাঁকি দি আহিছে। উল্লেখযোগ্য যে, বিদ্যালয়ৰ ভিতৰৰ এটা কোঠালীত  নিজৰ ঘৰৰ দৰে বিছনা সাজি ছাত্ৰ- ছাত্ৰীক পাঠদানৰ পৰা বঞ্চিত ৰাখি টোপনিত সময় কটোৱাৰ বিস্ফোৰক অভিযোগ উঠিছে এইখন বিদ্যালয়ৰ কেইজনমান শিক্ষকৰ বিৰুদ্ধে। বিদ্যালয়খনৰ তিনি চাৰিজন শিক্ষক পুৱা ৯ বজাত বিদ্যালয়ত উপস্থিত হয় যদিও ১-২ ঘন্টা বিদ্যালয়ত থাকি ঘৰতে গুচি যায়। বিয়লি ৩ বজাৰ পাছত বিদ্যালয়ত আহি উপস্থিতি দেখুৱাই দায়িত্ব সামৰাৰ দীৰ্ঘদিনীয়া অভিযোগ আছে। ইপিনে  বিদ্যালয়খনৰ অধ্যক্ষ নিজাম উদ্দিন বৰভুঞাৰ চৰম অৱহেলাৰ বাবে বিদ্যালয়খনৰ কেইজনমান শিক্ষকে বিদ্যালয়ৰ এটা ৰুমত টোপনি মাৰি সময় পাৰ কৰে। বিদ্যালয়খনৰ সহকাৰী শিক্ষক হিফজুৰ ৰহমান আৰু বদৰ উদ্দিনে টোপনি মাৰি সময় পাৰ কৰাৰ ভিডিঅ মোবাইলে মোবাইলে ভাইৰেল হৈ পৰিছে। যাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰী উপযুক্ত পাঠদানৰ পৰা বঞ্চিত হোৱাৰ লগতে ভৱিষ্যত যে অন্ধকাৰলৈ গতি কৰি আছে তাৰ প্ৰতি আশংকা প্ৰকাশ কৰি আয়ুক্তৰ কাৰ্যালয়ত অভিযোগ দাখিল কৰিছে ৰাইজে।

## আধাতে কাম এৰিলে ঠিকাদাৰে, নীৰৱ দৰ্শকৰ ভূমিকাত শিৱসাগৰৰ লোক নিৰ্মাণ বিভাগ

# বেতবাৰীত মৰণফান্দলৈ পৰিণত বাঁহগড়, আটাছু কৰ্মীয়ে হেৰুৱালে প্ৰাণ

**ই-সংবাদ, শিৱসাগৰ, ২৪ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ বেতবাৰী মৌজাৰ বালিবাট চাৰিআলি আৰু চেঙেলীবাৰী চাৰিআলি সংযোগী ঐতিহাসিক বাঁহগড়টো বৰ্তমান মৰণফান্দলৈ পৰিণত হৈছে। শিৱসাগৰ লোক নিৰ্মাণ বিভাগৰ গাফিলতি তথা হেমাহিৰ বাবেই পথটো দুৰ্ঘটনাৰ অন্যতম কেন্দ্ৰ হৈ পৰিছে। কণা হাঁহক পতান দিয়াৰ দৰেই কাম কৰি বিভাগটোৱে মূৰ পোলোকা দিয়াত বাৰুকৈয়ে জ্বলা-কলা খাইছে সৰ্বসাধাৰণ ৰাইজে। উল্লেখ্য যে অতি ব্যস্ততাপূৰ্ণ পথটোৰ বিভিন্ন অংশত দ দ গাঁত সৃষ্টি হোৱাত যোৱা জুন-জুলাইত মেৰামতিৰ ব্যৱস্থা কৰিছিল লোক নিৰ্মাণ বিভাগে। সেই সময়ৰ জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱৰ নিৰ্দেশ মৰ্মেই নিবিদা অবিহনেই ৰাইজক সাময়িক সকাহৰ বাবে পথটোৰ ভাগি যোৱা, বহি যোৱা অংশসমূহ মেৰামতিৰ ব্যৱস্থা কৰিছিল। পৰৱৰ্তী পৰ্যায়ত কোনো চৰকাৰী আঁচনিৰ অধীনত পথটো তথা বাঁহগড়টো পুনৰ পকীকৰণ কৰা হ'ব বুলিও আশ্বাস দিছিল শিৱসাগৰ লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা অনুপম হাজৰিকাই। সেই অনুসৰি জুন-জুলাইত বালিবাট চাৰিআলিৰ পৰা গন্ধীয়া ন-পাম চেতিয়া গাঁৱলৈকে প্ৰায় ডেৰ কিলোমিটাৰ পুনৰ পকীকৰণৰ বাবে এগৰাকী ঠিকাদাৰক কাকুতি-মিনতি কৰে। তাৰ পিছতে ঠায়ে ঠায়ে গাঁতবিলাক পুতি চেইনগ্ৰেভেল পেলাই ৰ'লাৰ চলোৱা পৰিলক্ষিত হয়। বাকী যিবিলাক অংশত গাঁত নাছিল তাৰ পকীসমূহো পুনৰ পকীকৰণৰ বাবে এক্সেভেটৰ লগাই আঁচ দিয়া, খন্দাৰ কামত লাগি যায় সংশ্লিষ্ট ঠিকাদাৰ। কিন্তু পৰিতাপৰ বিষয় যে পকীকৰণ কৰাৰ পূৰ্বে আধাতে কাম এৰি গুচি যায় ঠিকাদাৰগৰাকী। যোৱা তিনি চাৰিমাহ তেনেদৰেই কাম আধৰুৱাকৈ থৈ দিয়াত বৰ্তমান মৰণফান্দলৈ পৰিণত হৈছে পথছোৱা। পুনৰ পকীকৰণৰ নামত অধিক গাঁতৰ সৃষ্টি কৰা, ডাঙৰ ডাঙৰ শিলৰ চপৰা ওলাই পৰাত সম্প্ৰতি সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈছে অঞ্চলটোত। বিশেষকৈ স্কুটী, বাইক আদি দুচকীয়া যান-বাহনসমূহ সঘনাই দুৰ্ঘটনা হোৱাৰ ফলত বহু লোক আহত হোৱাৰ লগতে এজন যুৱকে প্ৰাণো হেৰুৱাইছে। চাৰিদিন আগেয়ে পথটোৰ ভগ্ন অংশত বাইকৰ চকা পৰি যোৱাত উফৰি পৰে আটাছুৰ পূব বেতবাৰী আঞ্চলিক সমিতিৰ সদস্য দীপজ্যোতি কোঁৱৰ। গুৰুতৰভাৱে আহত যুৱকজনক ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছিল যদিও দেওবাৰে চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। যুৱকজনৰ মৃত্যুৰ অন্যতম কাৰণ পথৰ দুৰৱস্থা তথা শিৱসাগৰ লোক নিৰ্মাণ বিভাগ আৰু আধাতে কাম এৰি যোৱা ঠিকাদাৰ বুলি ক্ষোভ প্ৰকাশ কৰিছে একাংশ ৰাইজে। লগতে দীপজ্যোতি কোঁৱৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে আটাছুৰ পূব বেতবাৰী আঞ্চলিক সমিতিয়ে। লক্ষণীয় যে বালিবাট চাৰিআলিৰ পৰা চেঙেলীবাৰী চাৰিআলিলৈকে বিধ্বস্ত হৈ থকা পথচোৱাত সঘনাই দুৰ্ঘটনা সংঘটিত হৈ থকা বুলি লোক নিৰ্মাণ বিভাগক অৱগত কৰাৰ পিছতো চকু মুদা কুলিৰ ভাও ধৰি থকাত অধিক ক্ষুন্ন হৈ পৰিছে ৰাইজ। অচিৰেই পথছোৱা যাতায়তৰ বাবে উপযোগী হোৱাকৈ পকীকৰণ নকৰিলে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি প্ৰতিবাদ কৰা হ'ব বুলিও সকীয়াই দিছে একাংশ ৰাইজে। গ্ৰামাঞ্চলৰ এনে দুৰৱস্থা দূৰ কৰাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিসকলেও কোনো গুৰুত্ব নিদিয়াত অতিষ্ঠ হৈ পৰিছে জনসাধাৰণ।

## সাংস্কৃতিক কৰ্মী দেৱযানী গগৈলৈ নৃত্যাশ্ৰী সন্মান ৰংপুৰ কলা-কৃষ্টি কেন্দ্ৰৰ

**ই-সংবাদ, আমগুৰি, ২৪ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ সাংস্কৃতিক অনুষ্ঠান "ৰংপুৰ কলা-কৃষ্টি কেন্দ্ৰ"ই দেওবাৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী দেৱযানী শইকীয়া গগৈক "নৃত্যাশ্ৰী" সন্মান প্ৰদান কৰে। উল্লেখ্য যে, নামতি চাৰিআলি মৰিনামদাং প্ৰাৰ্থমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰংপুৰ কলা-কৃষ্টি কেন্দ্ৰৰ চতুৰ্থ বৰ্ষপূতি অনুষ্ঠানটো দিনযোৱা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত সন্মান লাভ কৰা দেৱযানী শইকীয়া গগৈ এগৰাকী সাংস্কৃতিক কৰ্মীৰ সমান্তৰালভাৱে, সু-লেখিকা, উদ্যমী মহিলা, নৃত্য পটিয়সী, সাহিত্য সেৱী। শৈশৱৰে পৰাই নৃত্যৰ চৰ্চা কৰা মহিলাগৰাকীয়ে সংগীতালেখ্যৰ নৃত্য পৰিচালক হিচাপে ভূয়সী প্ৰশংসা লাভ কৰিছিল। জানিব পৰা মতে, গগৈয়ে বৰ্তমান আউনীআটীয় বিশ্ববিদ্যালয়ত সত্ৰীয়া নৃত্যৰ স্নাতকোত্তৰ অধ্যয়নৰত। অসমৰ লোকনৃত্য আৰু সত্ৰীয়া নৃত্য প্ৰচাৰ, প্ৰসাৰ সাধনত অগ্ৰণী ভূমিকা লোৱা দেৱযানী শইকীয়া গগৈয়ে এই সন্মান লাভ কৰাৰ পাছতে এতিয়া বিভিন্ন দল-সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠানে অভিনন্দন জনাইছে।

## ডিব্ৰুগড়ত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সভা সম্পন্ন

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ নৱেম্বৰঃ** ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰস্থিত ঈদগাহৰ ৰাজহুৱা প্ৰেক্ষাগৃহত দেওবাৰে উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাৰ কাৰ্যসূচী অনুযায়ী পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণৰ পিছত এখনি স্মৃতিগ্ৰন্থ 'সত্তা' উন্মোচন কৰে বিশিষ্ট কবি, চিকিৎসক ডাঃ ইন্টিকাবুৰ ৰহমানে। উন্মোচন কৰি তেওঁ কয় যে মুছলমান সকল ১২০৫ চনতে অসমলৈ আগমন ঘটাৰ পিছৰে পৰা অকল স্বাধীনতা আন্দোলনতে যে মুছলমান সকলে অৱদান আগবঢ়াই আহিছে এনে নহয়, তেওঁলোকে ভাষা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰতো উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। ডাঃ ৰহমানে আৰু কয় যে অসম সাহিত্য সভাৰ দৰে বৃহৎ অনুষ্ঠানত ডঃ মইদুল ইছলাম বৰা, ইমৰাণ শ্বাহ, চৈয়দ আব্দুল মালিক আদিৰ দৰে বৰেণ্য সাহিত্যিক সকলে ভাষা সাহিত্যক চহকী কৰি গৈছে। তেওঁ অলপতে ৯২ সংখ্যক জন্মদিন পালন কৰা ইমৰাণ শ্বাহৰ দীৰ্ঘায়ু কামনা কৰে। স্মৰণিকা 'সত্তা'ৰ মুখ্য সম্পাদক আছিল বিশিষ্ট লেখক আব্দুল খালেক আৰু সম্পাদকদ্বয় আছিল খাইৰুদ্দিন আহমেদ, ৰফিক হুছেইন। প্ৰতিনিধি সভাত শিৱসাগৰ, ডিব্ৰুগড়, ধেমাজি, তিনিচুকীয়া, চৰাইদেউ আদি উজনি অসমৰ বিভিন্ন ঠাইৰ পৰা প্ৰতিনিধিসকল আহি উপস্থিত হয়। অৱশ্যে পিছত ডিব্ৰুগড়, সোণাৰি আৰু তিনিচুকীয়া জিলাৰ প্ৰতিনিধিক বক্তব্য দিয়াৰ পৰা বাধা আৰোপ কৰে। নতুন সমিতিখন বাচনি কৰাৰ ক্ষেত্ৰত এক খেলিমেলিৰ সৃষ্টি হোৱাত সভাপতিৰ আসনত থকা কেন্দ্ৰীয় সমিতিৰ হৈ চৌকত লতিফ আৰু পৰ্যবেক্ষক হিচাপে থকা অধিবক্তা ইমদাদ য়াচিনে অনিৰ্দিষ্ট কালৰ বাবে সমিতিৰ নিৰ্বাচন প্ৰক্ৰিয়া স্থগিত ৰাখে আৰু তেওঁলোক সভাকক্ষৰ পৰা ওলাই যায়। পৰৱৰ্তী সময়ত পুৰণা সমিতিখনেই বাহাল থাকিব বুলি সভাই সিদ্ধান্ত গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত উপস্থিত আছিল আদৰণি সমিতিৰ হৈ সভাপতি চাহিদ লটিফ, কমৰুজ জামান কাৰ্যকৰী সভাপতি, যুটীয়া সম্পাদকদ্বয় আব্দুল হাদি আৰু নিচাদ লতিফ, কেন্দ্ৰীয় সমিতিৰ চৌকত লতিফ সভাপতি, মনিৰুল ইছলাম বড়া কাৰ্যকৰী সভাপতি, অহিদুৰ জামান চৌধুৰী।

# লাচিত দিৱস উপলক্ষে বিশ্বনাথত ৰক্তদান শিবিৰ




**ই-সংবাদ, বিশ্বনাথ, ২৫ নৱেম্বৰঃ** অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ সদৰ আঞ্চলিকৰ উদ্যোগত আৰু বিশ্বনাথ জিলা সমিতিৰ সহযোগত লাচিত দিৱস উপলক্ষে কালি ৰক্তদান শিবিৰ বিশ্বনাথ চাৰিআলিৰ ৰক্ত ভাণ্ডাৰত আয়োজন কৰা হয়। অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ বিশ্বনাথ জিলা সমিতিয়ে ২০১৪ চনৰ পৰা ধাৰাবাহিকভাৱে ৰক্তদান শিবিৰৰ আয়োজন কৰি আহিছে। সেই উপলক্ষে বিশ্বনাথ চাৰিআলি ৰক্ত ভাণ্ডাৰত অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দেৱব্ৰত মেধি, জিলা সভাপতি দিগন্ত বৰুৱা, যুৱ পৰিষদৰ বিষয়ববীয়াসকল ক্ৰমে নিহাৰ শইকীয়া, বিশ্বজিৎ দাস, অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদ সদৰ আঞ্চলিকৰ সভাপতি প্ৰদীপ বৰুৱাকে আদি কৰি যুৱ পৰিষদৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰি ৰক্তদান কৰে। লগতে এই কাৰ্যসূচীৰ জৰিয়তে 'ৰক্তদান জীৱন দান' শ্ল'গানেৰে সকলোকে ওলাই আহি ৰক্তদান কৰিবলৈ আহ্বান জনায় অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নেতৃবৃন্দই।

# ডিৱাকত হস্তশিল্প সম্বন্ধীয় সভা সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ২৫ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী ডিৱাক নৱজ্যোতি গাঁৱৰ যুৱক সংঘৰ কাৰ্যালয়ৰ প্ৰাংগণত শনিবাৰে হস্তশিল্প সম্বন্ধীয় এখন সভা অনুষ্ঠিত হৈ যায়। ভাৰত চৰকাৰৰ হস্তশিল্প বিভাগৰ অধীনস্থ তথা যোৰহাটস্থিত হস্তশিল্প উন্নয়ন আয়ুক্ত কাৰ্যালয় (হস্তশিল্প সেৱা কেন্দ্ৰ)ৰ সহকাৰী আয়ুক্ত শশীকান্ত গুপ্তাৰ লগতে কিছুমাহ পূৰ্বে টিপুক দাইচা গাঁৱত গঠন কৰা হস্ততাত গোটৰ মুখ্য প্ৰশিক্ষক মুকেশ শইকীয়াই সমল ব্যক্তি হিচাপে সভাত উপস্থিত থাকি হস্তশিল্প সম্বন্ধীয় বিষয়সমূহ উপস্থিত ৰাইজক অৱগত কৰে। সভাত নৱজ্যোতি গাঁও তথা কাষৰীয়া গাঁৱৰ পৰা অহা শতাধিক পুৰুষ-মহিলা তথা হস্তশিল্পৰ প্ৰতি আগ্ৰহী লোক উপস্থিত থাকে। সভাত বাঁহ, কাঠ, কাপোৰ আদিৰ পৰা ব্যৱসায়ভিত্তিত প্ৰস্তুত কৰিব পৰা সামগ্ৰীৰ বিষয়ে আভাস দাঙি ধৰা হয় যাতে প্ৰতিজন লোকেই ইয়াৰ পৰা স্বাৱলম্বিতাৰ দিশত ব্ৰতী হ'ব পাৰে। সভাৰ আঁত ধৰে দুৰ্গেশ্বৰ কলিতাই। সভাত উপস্থিত থকা নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক লিখেশ্বৰ হাজৰিকা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰমোদ গগৈ, মিনেশ্বৰ গগৈ, খৰ্গেশ্বৰ চেতিয়া, মাণিক চুতীয়া, মানৱ ডেকা, পলাশজ্যোতি কাকতি আৰু দুৰ্গেশ্বৰ কলিতাই বক্তব্য ৰাখে। সভাত উপস্থিত থকা ৰাইজে অনুষ্ঠানটিৰ পৰা উপকৃত হোৱা বুলি মত প্ৰকাশ কৰে।

## স্মৃতিগ্ৰন্থ উন্মোচন, সন্মিলনৰ নতুন শক্তিশালী সমিতি গঠন

# বৃহত্তৰ দুমুনিচকী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই সংবাদ, দুমুনিচকী, ২৫ নবেম্বৰঃ** বৃহত্তৰ দুমুনিচকী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ২৪ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি দুমুনিচকীৰ বৰনৈ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ সভাগৃহত দেওবাৰে বিভিন্ন কাৰ্যসূচীৰে সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে বৃহত্তৰ দুমুনিচকী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ভৈৰৱ চৌধুৰীয়ে। পৰিৱেশ চাফাকৰণ আৰু বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে ক্ৰমে সমাজকৰ্মী আলহাজ চৈয়দ আলী, বলোৰাম বৰুৱা, বতহু ৰাম কুমাৰে। বিষয় বাছনি সভাৰ পিছতে দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি বল বাহাদুৰ ছেত্ৰীৰ সঞ্চালনাত অনুষ্ঠিত হয় মুকলি সভা। সভাখনি উদ্বোধন কৰে ডাঃ মৃদুল আহমেদে। সভাত এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰে জৱাহৰজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ খালেকুল ইছলামে। সভাত বিশিষ্ট চিকিৎসক ডাঃ ইন্দ্ৰ কুলধিপতি, দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্থাৰ সম্পাদক হৰি চন্দ্ৰ শৰ্মাসহ অঞ্চলটোৰ শতাধিক জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে। উল্লেখ্য যে বিষয় বাছনি সভাত আগন্তুক দুটা বৰ্ষৰ বাবে ভৈৰৱ চৌধুৰীক সভাপতি, বলোৰাম বৰুৱাক কাৰ্যকৰী সভাপতি আৰু বয়তুল্লা আহমেদক সম্পাদক নিৰ্বাচন কৰি বৃহত্তৰ দুমুনিচকী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ এখন শক্তিশালী সমিতি গঠন কৰা হয়।

# সাপটগ্ৰাম মহাবিদ্যালয়ত জিলা পৰ্যায়ৰ যুৱ উৎসৱ সম্পন্ন

**ই-সংবাদ, বিলাসীপাৰা, ২৫ নৱেম্বৰঃ** ধুবুৰী নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত সাপটগ্ৰাম কলেজৰ ৰাজনীতি বিজ্ঞান আৰু বড়োট বিভাগৰ সহযোগত ধুবুৰীৰ সাপটগ্ৰাম মহাবিদ্যালয়ত ২৩ নৱেম্বৰত জিলা পৰ্যায়ৰ যুৱ উৎসৱৰ আয়োজন কৰা হয়। জিলা পৰ্যায়ৰ যুৱ উৎসৱ ভাৰত ২০৪৭ৰ বিষয়বস্তু আছিল পঞ্চ প্ৰাণ। যুৱ উৎসৱত মুঠ ৭টা অনুষ্ঠান যেনে— বিজ্ঞান মেলা গোট আৰু ব্যক্তিগত, যুৱ শিল্পী প্ৰতিযোগিতা, যুৱ লেখক প্ৰতিযোগিতা, সাংস্কৃতিক নৃত্য, ফটোগ্ৰাফী প্ৰতিযোগিতা আৰু ঘোষণা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এই জিলা পৰ্যায়ৰ কাৰ্যসূচী ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ অংশ। অনুষ্ঠানত বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক ছামছুল হুদা, নেহৰু যুৱকেন্দ্ৰ ধুবুৰী জিলা যুৱ বিষয়া হিমাংশু কুমাৰ, অধ্যক্ষ সাপটগ্ৰাম মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰাজেশ্বৰ প্ৰসাদ সিং আৰু ধুবুৰীৰ সাপটগ্ৰামৰ ছাউথ পইন্ট ইংৰাজী বিদ্যালয়ৰ অধ্যক্ষ ভৱানী সেন উপস্থিত থাকে। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে ড০ সাপটগ্ৰাম মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড০ জুথিকা দাসে। উদ্বোধনী ভাষণত নেহৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ বিষয়াই জিলা পৰ্যায়ৰ যুৱ উৎসৱ কাৰ্যসূচী সম্পৰ্কে ভাষণ দাঙি ধৰি ছাত্ৰ-ছাত্ৰীসকলক অনুষ্ঠানসমূহত শ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াবলৈ উৎসাহিত কৰে। বিধায়ক ছামছুল হুদাই এটা জাতিৰ বিকাশত যুৱক-যুৱতীসকলৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰাৰ লগতে যুৱক-যুৱতীসকলক তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শনৰ বাবে মঞ্চ প্ৰদানৰ প্ৰচেষ্টাৰ বাবে নেহৰু যুৱ কেন্দ্ৰক ধন্যবাদ জনায়। সাপটগ্ৰাম মহাবিদ্যালয়ৰ অধ্যক্ষই দেশৰ অৰ্থনীতিৰ বিকাশৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলৰ গুৰুত্বৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰি যুৱক-যুৱতীসকলক এনে অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। এই অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অংশগ্ৰহণকাৰীসকলে অংশগ্ৰহণ কৰে। "আৱৰ্জনা ব্যৱস্থাপনা" বিষয়ক বিজ্ঞান প্ৰকল্প দলৰ নেতা কেছাৰ আগৰৱালাৰ নেতৃত্বত অনুষ্ঠিত বিজ্ঞান মেলা গোটৰ অনুষ্ঠানত প্ৰথম পুৰস্কাৰ লাভ কৰে সাপটগ্ৰামৰ ছাউথ পইন্ট স্কুলে। সাপটগ্ৰাম মহাবিদ্যালয়ৰ দিপাংকৰ সৰকাৰে ব্যক্তিগত শাখাৰ অন্তৰ্গত বিজ্ঞান মেলাত ১ম পুৰস্কাৰ লাভ কৰে। যুৱ লেখক প্ৰতিযোগিতা (কবিতা)ৰ ইভেণ্টত প্ৰথম স্থান দখল কৰে সাপটগ্ৰাম মহাবিদ্যালয়ৰ জয়া ৰায়ে। ঘোষণা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে সাপটগ্ৰাম মহাবিদ্যালয়ৰ নীলেশ মণ্ডলে। যুৱ শিল্পী প্ৰতিযোগিতাৰ অন্তৰ্গত চিত্ৰকলা প্ৰতিযোগিতাত ছিৱু সাহাই প্ৰথম পুৰস্কাৰ লাভ কৰে। সাপটগ্ৰাম মহাবিদ্যালয়ৰ ম'বাইল ফটোগ্ৰাফী প্ৰতিযোগিতাত বিশ্বজিৎ দত্তই ১ম পুৰস্কাৰ লাভ কৰে। লোকনৃত্য প্ৰতিযোগিতাত স্নেহা দাসৰ নেতৃত্বত জেং বিহু দলে ১ম পুৰস্কাৰ লাভ কৰে। এই অনুষ্ঠানত ৫০০ৰো অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। সাপটগ্ৰাম মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী মহাবুল হোক চৌধুৰীয়ে ধন্যবাদ জ্ঞাপনেৰে কাৰ্যসূচীৰ সফল সামৰণি মাৰে।

# জাজৰিৰ মাদ্ৰাছাৰ ৫০ বছৰ সম্পূৰ্ণ, বিৰাট দ্বীনি মেহফিল উদযাপন

**ই-সংবাদ, বেৰেজীয়া, ২৫ নৱেম্বৰঃ** ১৯৭৪ চনত প্ৰতিষ্ঠা লাভ কৰা জাজৰি হাফিজীয়া আৰু ফাৰিয়ানা মাদ্ৰাছাখনিৰ পঞ্চাছ বছৰ পূৰ্তি উপলক্ষে দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে এখনি বিৰাট দ্বীনি মেহফিল উদযাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা মাদ্ৰাছাৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি আব্দুল হাছিমে। বিয়লি উদযাপন সমিতিৰ সভাপতি আবুল খায়েৰ আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত চফিকুল হক আৰু জাহিদুৰ ৰহমানে সম্পাদনা কৰা স্মৃতিগ্ৰন্থ 'স্মৃতিৰ সুবাস' উন্মোচন কৰে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি থগিত চন্দ্ৰ মহন্তই। ফাইজুদ্দিন আহমেদ আৰু জিয়াউৰ ৰহমানে আঁত ধৰা সভাখনিত আমছুৰ সম্পাদক মিন্নাতুল ইছলাম, বিশিষ্ট জিকিৰ-জাৰী সঞ্জীৱনী প্ৰচাৰক আৰু সংগ্ৰাহক চৈয়দ মাৰুফ হুছেইন, জিকিৰ শিল্পী আজিমুদ্দিন আহমেদ, সমাজকৰ্মী আতাউৰ ৰহমান, মিহিৰ আলি, হাজী মুকচেদ আলি, আতিকুৰ ৰহমান, আব্দুল ফাজিল, ওচমান গনি, ইক্ৰাম জামাল উদ্দিন আহমেদ, আব্দুল বচিৰ, চিকন্দৰ আলিকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন হয়। ইফালে, পুৱাবেলা মাদ্ৰাছাৰ প্ৰাংগণত সমূহীয়াকৈ বৃক্ষ ৰোপণ কৰে উদযাপন সমিতিৰ সভাপতি আবুল খায়েৰ আহমেদৰ লগতে আব্দুল হাছিম, আফতাব উদ্দিন আহমেদ, ফাইজ উদ্দিন আহমেদ, চফিকুল হক, আতাউৰ ৰহমান, নিপুল আলী, চামচুদ্দিন আহমেদ, হিবজুৰ ৰহমান, মোনাফ আলী, মিজামল হুছেইন, আমজেদ আলী, আব্দুল কায়োম, চফিউৰ ৰহমান, আবু বচিৰকে ধৰি উদযাপন সমিতিৰ বিষয়ববীয়াসকলে। ইয়াৰ পাছতে চাহাদুল ইছলামে কেৰাত পাঠ কৰাৰ অন্তত চুবাহী মাদ্ৰাছাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কেৰাত পাঠ, চুৰাত পাঠ আৰু জিকিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তদুপৰি বিয়লি আচৰ আৰু মগৰিব নামাজৰ অন্তত নিশা দ্বীনি মেহফিলৰ সঞ্চালনা কৰে আদিব মৌলানা মুফটি মহম্মদ হুজিইফাই। মেহফিলত মৌলানা মুফতি ছিকন্দৰ আলী কাছিমী, হাফিজ মৌলানা আবু বচিৰ, কটন বিশ্ববিদ্যালয়ৰ গৱেষক হজৰত মৌলানা মুফটি আদিব লিয়াকত আলী আল জলিলী আৰু মৌলানা শ্বেইখ ফকৰ উদ্দিন আহমেদ কাছিমী উপস্থিত থাকে।

# ঐতিহাসিক সূৰ্যখড়ি মন্দিৰত বিষ্ণু পূজা, বিশেষ সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, ছিপাঝাৰ, ২৫ নৱেম্বৰঃ** দৰং ৰাজবংশাৱলী প্ৰণেতা সূৰ্যখড়ি দৈৱজ্ঞৰ স্মৃতি বিজড়িত ঐতিহাসিক সূৰ্যখড়ি বিষ্ণু মন্দিৰত কালি কাতি মহীয়া পুথি পাঠৰ সামৰণিৰ লগত সংগতি ৰাখি এভাগি বিষ্ণু পূজা আৰু কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱাৰ পৰা ক্ৰমে বন্তি প্ৰজ্জ্বলন, গছপুলি ৰোপণ, গীতা পাঠ আৰু মাংগলিক হোম যজ্ঞৰে বিষ্ণু পূজাৰ পিছতে সম্বৰ্ধনা সভাখন অনুষ্ঠিত হয়। সূৰ্যখড়ি শাখা ব্ৰাহ্মণ সভা আৰু মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত সভাখনত আঁত ধৰে মঙলদৈ সংস্কৃত বিদ্যালয়ৰ প্ৰধান আচাৰ্য বসন্ত কুমাৰ শৰ্মাই। অনুষ্ঠানৰ আৰম্ভণিতে দৰং জিলা ব্ৰাহ্মণ সভাৰ সভাপতি অনন্ত নাৰায়ণ ভট্টাচাৰ্য, সম্পাদক প্ৰহ্লাদ শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে দেৱেন্দ্ৰ চহৰীয়া, হিৰণ্য শৰ্মা, ৰমেশ শৰ্মা আৰু প্ৰাগ বচিমি উদ্যোগৰ প্ৰাক্তন বিষয়া মনোজ বৰুৱাক একোখন ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ পিছত উচ্চ মাধ্যমিক, স্নাতক, স্নাতকোত্তৰ পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ২১ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক এখন অভিনন্দন পত্ৰ, এখন ফুলাম গামোচা আৰু এটাকৈ কলমেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে, কৃতীমানসকলৰ ভিতৰত গৌৰৱ কাশ্যপে বিগত বৰ্ষত অষ্টম শ্ৰেণী শাখাত এছ'এফ ইন্টাৰনেচনেল অলিম্পিয়াডত সোণৰ পদক অৰ্জন কৰি গাঁওখনলৈ সুনাম কঢ়িয়াই আনিছিল। আনহাতে, গ্ৰীষ্মা শৰ্মাই নেপালত অনুষ্ঠিত নৰম আন্তৰ্জাতিক কাৰাটে প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক আৰু গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত প্ৰথম স্থান লাভেৰে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। সম্বৰ্ধনা অনুষ্ঠানৰ পিছত মহাভোগ গ্ৰহণ আৰু বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ সামৰণি পৰে। মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক ৰঞ্জন শৰ্মা, আয়োজক সমিতিৰ সভাপতি মদন শৰ্মা আৰু সম্পাদক অমৰজ্যোতি শৰ্মাই দিনজোৰা কাৰ্যসূচীৰ অনুষ্ঠানভাগিত সৰ্বতোপ্ৰকাৰে আন্তৰিক সহায়-সহযোগিতা আগবঢ়াই নিয়াৰিকৈ অনুষ্ঠানটো সম্পন্ন কৰা ভক্তপ্ৰাণ ৰাইজক ধন্যবাদ জ্ঞাপন কৰে।

### হালাকুৰাৰ সোনাখুলিত অঘটন

# বৃদ্ধক বচাবলৈ চালকে পথাৰত নমালে যাত্ৰীবাহী বাছ

**ই-সংবাদ, গোলকগঞ্জ, ২৫ নৱেম্বৰঃ** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত সোনাখুলি আমতলাত আজি পুৱা ৯-৩০ বজাত যাত্ৰীবাহী বাছ এখন ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা খেতি পথাৰত নমাই দি পথচাৰী আৰু যাত্ৰীৰ জীৱন ৰক্ষা কৰে। জানিব পৰা মতে, বৰপেটা ৰোডৰ পৰা এএছ ১৫এ ৪৯৯৫ নম্বৰৰ পুনম নামৰ যাত্ৰীবাহী বাছখন কোচবিহাৰ অভিমুখে গৈ থকা সময়ত আমতলাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত এগৰাকী বৃদ্ধ মাজপথত সোমাই পৰে। নিশ্চিত দুৰ্ঘটনাৰ পৰা ৰক্ষা কৰাৰ বাবে চালকে অতি তৎপৰতাৰে বাহনখন নিয়ন্ত্ৰণ কৰি পথৰ কাষৰ খেতি পথাৰত নমাই দিয়ে। ফলত নিশ্চিত মৃত্যুৰ পৰা বৃদ্ধজন ৰক্ষা পৰাৰ লগতে বাহনখনত থকা ত্ৰিশৰো অধিক যাত্ৰী কোনো ক্ষয়-ক্ষতি নোহোৱাকৈ ৰক্ষা পৰে। চালকৰ উপস্থিত বুদ্ধি আৰু নিপুণতাক স্থানীয় ৰাইজে শলাগ লয়।

# বনগাৱঁত সোঁৱৰণী গ্ৰন্থ 'দীনদয়ানিধি' উন্মোচন

**ই-সংবাদ, নলবাৰী, ২৫ নৱেম্বৰঃ** পশ্চিম নলবাৰীৰ বনগাঁৱৰ সৰবৰাহী, সমাজ হিতৈষী প্ৰয়াত বদন চন্দ্ৰ ডেকাৰ প্ৰথম মৃত্যুবাৰ্ষিকীত 'দীনদয়ানিধি' শীৰ্ষক এখনি সোঁৱৰণী গ্ৰন্থ শনিবাৰে উন্মোচন কৰা হয়। উক্ত গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট চিকিৎসক বৰোদা কান্ত শৰ্মাই। প্ৰয়াত ডেকাৰ বনগাঁওস্থিত বাসগৃহত অনুষ্ঠিত অনুষ্ঠানৰ পূৰ্বে প্ৰয়াত বদন চন্দ্ৰ ডেকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে প্ৰয়াত ডেকাৰ সহধৰ্মিনী বীণাপানী ডেকাই। ইয়াৰ পিছতে অনুষ্ঠিত স্মৃতিচাৰণ তথা গ্ৰন্থ উন্মোচনী সভাত কেবাগৰাকীও বিশিষ্ট ব্যক্তি তথা গুণমুগ্ধই ডেকাৰ কৰ্মজীৱন আৰু ব্যক্তিত্বৰ আলোকপাত কৰে। প্ৰয়াত বদন চন্দ্ৰ ডেকাই দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে গ্ৰাম্য চিকিৎসাৰ ক্ষেত্ৰত সমগ্ৰ অঞ্চলতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। মানৱীয়তাকে সাৰোগত কৰি বদন চন্দ্ৰ ডেকাই সমাজৰ খাটিখোৱা দুখীয়া লোকৰ সেৱাত ব্ৰতী হৈ আছিল জীৱনৰ অন্তিম মুহূৰ্তলৈকে। শিক্ষাবিদ প্ৰভাত দাসৰ সঞ্চালনাত অনুষ্ঠিত সভাত শিক্ষাবিদ নাউকণ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক ফুকণ চন্দ্ৰ ডেকা, চিকিৎসক প্ৰবীণ চক্ৰৱৰ্তী, সোঁৱৰণী গ্ৰন্থৰ সম্পাদক তথা শিক্ষাবিদ দিজেন্দ্ৰ নাৰায়ণ শৰ্মা, বীৰেণ তালুকদাৰ, উপেন তালুকদাৰকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



জয়ৰ পিছত অধিনায়ক বুমৰাহ, পাৰ্থত

# বুমৰাহে দিলে সাফল্য, ৫খন মেচৰ শৃংখলাত ১-০ৰ অগ্ৰগতি

# পাৰ্থত কেংগাৰু বধ ভাৰতৰ, ২৯৫ ৰানত বৃহৎ জয়

**পাৰ্থ, ২৫ নৱেম্বৰঃ** আৰম্ভণি যিয়েই নহওক কিয়, শেষ ভালেই সকলো ভাল। চলিত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ পাৰ্থত অনুষ্ঠিত প্ৰথমখন টেষ্টত সেয়াই প্ৰমাণ কৰি দেখুৱালে টীম ইণ্ডিয়াই। মেচখনৰ আৰম্ভণি ভাল নাছিল যদিও শেষলৈ সুন্দৰ প্ৰদৰ্শন দাঙি ধৰে ভাৰতীয় দলটোৱে। এই দুৰ্দান্ত প্ৰদৰ্শনৰ সুবাদতে ২৯৫ ৰানৰ বৃহৎ ব্যৱধানত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰে ভাৰতে। মেচখনৰ এটা দিন বাকী থকা অৱস্থাতেই ভাৰতে লাভ কৰে জয়ৰ সোৱাদ। উল্লেখ্য যে প্ৰথম ইনিংছত মাত্ৰ ১৫০ ৰানতে অল আউট হৈছিল ভাৰতীয় দলটো। এই প্ৰদৰ্শনৰ পিছত খেলখন হাতৰ পৰা ওলাই গ'ল বুলি সকলোৱে ভাবি লৈছিল যদিও বলাৰসকলৰ দুৰ্দান্ত প্ৰদৰ্শনেৰে ভাৰতে প্ৰত্যাৱৰ্তন ঘটাবলৈ সমৰ্থ হয়। ভাৰতীয় বলাৰৰ সমুখত একপ্ৰকাৰ দিশহাৰা হৈ পৰা ঘৰুৱা দলটোৱে মাত্ৰ ১০৪ ৰানতে প্ৰথম ইনিংছ সামৰে। দ্বিতীয় ইনিংছত বেটেৰেও উজলি উঠে ভ্ৰমণৰত দলটো। যশস্বী জয়ছোৱাল আৰু বিৰাট কোহলিৰ শতকৰ সহায়ত দ্বিতীয় ইনিংছত ৪৮৭ ৰান সংগ্ৰহ কৰি অষ্ট্ৰেলিয়াক জয়ৰ বাবে ৫৩৩ ৰানৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। এই লক্ষ্য অনুসৰণ কৰি তৃতীয় দিনটোত মাত্ৰ ১২ ৰানতে ৩টাকৈ উইকেট হেৰুৱায় অষ্ট্ৰেলিয়াই। আজি চতুৰ্থ দিনা খেল আৰম্ভ কৰি এজনৰ পিছত এজনকৈ বেটাৰে পেভিলিয়নমুখী হয়। ট্ৰেভিছ হেড, মিশ্বেল মাৰ্শ, এলেক্স কেৰীৰ বাদে আটাইকেইজন বেটাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। হেডে সৰ্বাধিক ৮৯, মিশ্বেলে ৪৭ আৰু কেৰীয়ে ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাহ আৰু মহম্মদ ছিৰাজ প্ৰত্যেকে ৩টাকৈ উইকেট দখল কৰে। ৱাশ্বিংটন সুন্দৰে লাভ কৰে ২টা উইকেট। বাকী দুটা উইকেট অৰ্জন কৰে নীতিশ ৰেড্ডি আৰু হৰ্ষিৰ ৰাণাই। প্ৰথম ইনিংছত অভিলেখ ৰচনা কৰি ৫টাকৈ উইকেট হস্তগত কৰা বুমৰাহে অধিনায়কৰ দায়িত্ব লাভ কৰিয়েই দলক জয় উপহাৰ দি লাভ কৰে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান। এই জয়ৰ পিছতে নিউজিলেণ্ডৰ হাতত ঘৰুৱা টেষ্ট শৃংখলাত হোৱা শোচনীয় পৰাজয়ৰ গ্লানিৰ পৰা মুক্ত হ'বলৈ সমৰ্থ হয় টীম ইণ্ডিয়া। ৫খন মেচৰ শৃংখলাত ১-০ত অগ্ৰগতি লাভ কৰা ভাৰতে এতিয়া ৬ ডিচেম্বৰৰ পৰা এডিলেইডত হ'বলগীয়া দ্বিতীয় টেষ্টতো কেংগাৰু বধৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব।

# লা লীগাত মাদ্ৰিদৰ জয়ৰ ধাৰা অক্ষুন্ন

**ভেলেন্সিয়া, ২৫ নৱেম্বৰঃ** লা লীগাত জয়ৰ ধাৰা অব্যাহত ৰাখিছে ৰিয়েল মাদ্ৰিদে। দেওবাৰে এখন মেচত দলটোৱে ইস্পেনিয়লক ৩-০ ব্যৱধানত পৰাস্ত কৰে। মাদ্ৰিদৰ হৈ কিলিয়ান এমবাপেই ৪২ মিনিটত প্ৰথমটো গ'ল স্ক'ৰ কৰে। খেলৰ ৬৬ মিনিটত দ্বিতীয়টো গ'ল স্ক'ৰ কৰে জুড বেলিংহামে। ৮৫ মিনিটত তৃতীয়টো গ'ল স্ক'ৰ কৰে ফ্ৰেডৰিক ভালভাৰ্ডে। এই জয়ৰ জৰিয়তে ১৩খন মেচত ৩০ পইণ্টসহ লীগৰ তালিকাত দ্বিতীয় স্থানত অধিষ্ঠিত হৈছে ৰিয়েল মাদ্ৰিদ। এতিয়া তালিকাৰ শীৰ্ষত থকা বাৰ্চিলোনাতকৈ মাত্ৰ ৪ পইণ্টতহে পিছপৰি আছে মাদ্ৰিদ। পৰৱৰ্তী মেচত জয়ী হ'লেই বাৰ্চিলোনাৰ সৈতে পইণ্টৰ ব্যৱধান ১লৈ হ্ৰাস পাব। উল্লেখ্য যে শনিবাৰৰ এখন মেচত বাৰ্চিলোনাই চেল্টা ভিগোৰ বিৰুদ্ধে ২-২ গ'লত ড্ৰ' খেলিছিল।

# ওদালগুৰি প্ৰিমিয়াৰ লীগত পূৱনগৰৰ জয়

**ই-সংবাদ, ওদালগুৰি, ২৫ নৱেম্বৰঃ** ওদালগুৰি ইউপিএল খেল পৰিচালনা সমিতিৰ উদ্যোগত দ্বিতীয় সংস্কৰণৰ এম.এম কনষ্ট্ৰাকছন ওদালগুৰি প্ৰিমিয়াৰ লীগ ২০২৪ৰ আজিৰ এখন খেলত পূৱনগৰ মেধিপাৰ যুথ ক্লাৱে থাণ্ডাৰ ষ্ট্ৰাইকাৰক ১২০ ৰাণত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি পূৱনগৰে নিৰ্দ্ধাৰিত ২০ অভাৰত আঠ উইকেট পতনেৰে ২১৭ ৰাণ সংগ্ৰহ কৰে। পূৱনগৰৰ বাস্তৱ বসুমতাৰীয়ে ৯৫ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি থাণ্ডাৰে মাত্ৰ ১৫.৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯৭ ৰাণতে ইনিংছ সামৰে। পূৱনগৰৰ হৃষিকেশ বৰাই পাঁচটা উইকেট দখল কৰে।

# স্বাধীনতা কাপত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ অগ্ৰগতি

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ২৫ নৱেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত দেওবাৰৰ পৰা চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাত নগাঁৰৰ প্ৰথম ডিভিজন ফুটবল লীগৰ ৰাণাৰ আপ ষ্টাৰ স্প'ৰ্টিং ক্লাবে অগ্ৰগতি লাভ কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজিত আমন্ত্ৰণমূলক ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ সোমবাৰৰ খেলত চমকপ্ৰদ প্ৰদৰ্শনেৰে ষ্টাৰ স্প'ৰ্টিং ক্লাবে মাজুলীৰ কাৰচাং এফ চিক ৫-৪ গ'লত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ হৈ বিভানজ্যোতি লস্কৰে দুটা, দীপাংকৰ কোঁৱৰ, দিব্যজ্যোতি বৰদলৈ আৰু বিৰাজ বৰদলৈয়ে এটাকৈ গ'ল দিয়াৰ বিপৰীতে কাৰচাং এফচিৰ হৈ ইবাক খাকলাৰী আৰু বিশাল ৰবিদাসে দুটাকৈ গ'ল দিয়ে। মন কৰিবলগীয়া যে, সোমবাৰৰ খেলখনৰ ফলাফল অন্তিম সময়লৈকে ৪-৪ গ'লত অমিমাংসিত হৈ আছিল যদিও অতিৰিক্ত সময়ত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ হৈ বিভানজ্যোতি লস্কৰে ব্যক্তিগতভাৱে দ্বিতীয়টো গ'ল স্ক'ৰেৰে নিজ দলৰ বিজয় নিশ্চিত কৰিছিল। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে, অ'হিদুজ জামান আৰু দিব্যজ্যোতি শৰ্মা ৰেফাৰী তত্ত্বাবধায়কৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী নিৰ্মল ভট্টাচাৰ্যক সহায় কৰে কৃষ্ণকান্ত দাস, অপূৰ্ব বৰা আৰু আব্দুল মজিদ চৌধুৰী (চতুৰ্থ)য়ে। এই প্ৰতিযোগিতাৰ আয়োজক সমিতিৰ প্ৰেছ এণ্ড পাব্লিছিটী উপ-সমিতিৰ আহ্বায়কদ্বয় মৃণাল কুমাৰ হাজৰিকা আৰু সমীৰ হাজৰিকাই জনোৱামতে, মঙলবাৰৰ খেলত মধ্যপ্ৰদেশৰ কাছা একাডেমীয়ে বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

# খেৰনীৰ ফেলকন এফ চি ছেমি ফাইনেলত

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৫ নৱেম্বৰঃ** পশ্চিম কাৰ্বি আংলঙৰ খেৰনীৰ ফেলকন এফ চিয়ে কাৰ্বি আংলং জিলাৰ লাংহিনৰ গৰৈমাৰী খেলপথাৰত বড়ো শ্বহীদ ন্যাসৰ উদ্যোগত আৰু লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত চলি থকা ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। সদৌ অসম ভিত্তিত আয়োজিত আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ সোমবাৰৰ কোৱাৰ্টাৰ ফাইনেলত ফেলকন এফ চিয়ে ডিফুৰ ইউনাইটেড ব্ৰাদাৰ্হুক ২-০ গ'লত পৰাজিত কৰে। খেলখনৰ ৯ মিনিটতে মালংকিৰি টিচ'য়ে আৰু ২১ মিনিটত কাংঠিম ক্ৰ'য়ে ফেলকন এফ চিৰহৈ ক্ৰমে গ'ল দুটা দিয়ে। ক্ৰীড়া সংগঠক নাৰায়ণ বসুমতাৰী মেচ কমিচনাৰৰূপে থকা আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী নিজম তামুলাৰীক সহায় কৰে প্ৰেম নাৰ্জাৰী, অমন বৰদলৈ আৰু বাজু টিচ'য়ে। লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক টংকেশ্বৰ খাখ্লাৰী আৰু বড়ো শ্বহীদ ন্যাসৰ সম্পাদক কিৰণ বসুমতাৰীয়ে জনোৱামতে, মঙলবাৰৰ খেলত ধিঙৰ নিউ ষ্টাৰ এফ চিয়ে লাংহিনৰ ৰংজালু ক্লাব ফুটবল দলৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি